
# অৰুণ

## দিশপুৰ মহাবিদ্যালয় আলোচনী

পঞ্চম প্ৰকাশ : ১৯৯৯ - ২০০০



সম্পাদক :
নীলোৎপল শৰ্মা

দিশপুৰ মহাবিদ্যালয়
তমসো মা জ্যোতির্গময়
স্থা: ১৯৭৮ ইং

প্ৰতি,

শ্ৰদ্ধেয় / শ্ৰদ্ধেয়া শ্ৰী .............................................................. লৈ

শ্ৰদ্ধা আৰু সন্মান সহকাৰে এখনি 'অৰুণ' (দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী) আগবঢ়ালোঁ । ইতি -

ধন্যবাদেৰে -

নীলোৎপল শৰ্মা
সম্পাদক 'অৰুণ'
দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
১৯৯৯-২০০০ বৰ্ষ



# দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী

# অৰুণ

পঞ্চম প্ৰকাশ ঃ

১৯৯৯-২০০০ বৰ্ষ

*তত্বাৱধায়িকা ঃ*
ড° নমিতা ডেকা

*সম্পাদক ঃ*
শ্ৰীনীলোৎপল শৰ্মা

বেটুপাত অঙ্কণ ঃ শ্রীভাস্কৰ শইকীয়া
জু-নাবেঙ্গী ৰ'ড
গুৱাহাটী ।

অঙ্গ সজ্জা ঃ
পিলিক, স্বহিদুল ।

মুদ্রক ঃ
বন্দনা প্রিন্টাৰ্ছ
জি. এন. বি. ৰ'ড, গুৱাহাটী-৩ ।




# শ্ৰদ্ধাঞ্জলী

জাগা জননীৰ সন্তান
জাগা শক্তিমান, জাগা মাতৃপ্ৰাণ
মৃত্যু গচকি আন জয়জিনি
কৰি দুৰ্জয় অভিযান



*জননীৰ মুক্তি যজ্ঞত যিসকল*
*বীৰ-বীৰাঙ্গনাই কলিজাৰ কেঁচা*
*তেজেৰে আত্মাহুতি দি গ'ল*
*সেইসকল বীৰ শ্বহীদৰ*
*আত্মাৰ সদগতি কামনা*
*কৰি কৰা পবিত্ৰ*
*সোঁৱৰণত*
*দিশপুৰ মহাবিদ্যালয়ৰ সমূহ*
*ছাত্ৰ-ছাত্ৰীৰ হৈ শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ ॥*

সম্পাদক, 'অৰুণ'
দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী
১৯৯৯-২০০০ বৰ্ষ



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবেশ্বৰ শৰ্মা



# শুভ ইচ্ছা

লেখোতে দিশপুৰ বুলি লেখিলেও সৰহভাগ মানুহে 'দিচপুৰে'ই বোলে দেখোন ! কিয় বোলে বাৰু ? কাৰো কাৰো মতে নামটো ভালেমান বছৰ লুকাই আছিল বেলতলা ৰাজ্য আৰু বেলতলা মৌজাৰ সীমাত । 'চ' হৈয়েই আছিল : 'শ' হোৱা নাছিল । দৰাচলতে হেনো ই অতি পুৰণি নাম । ৰোমান সকলেও ইয়াক দিচ্ বা থিচ্ নামেৰে উল্লেখ কৰি গৈছে - ইংৰাজী অনুবাদত হয় Land of Dis .

গুৱাহাটীৰ উপকন্ঠত এইখন আধুনিক অসমৰ ৰাজধানী । তাতেই পতা হৈছে এখন কলেজ - দিচপুৰৰ নামেই নাম । দিশপুৰে নতুন দিশলৈ যাত্ৰা কৰিলেই হয় ।

কলেজৰ আলোচনী বৰ আৱশ্যকীয় সম্পদ । ইয়াত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ চিন্তা আৰু ধ্যান ধাৰণাৰ পৰিচয় থাকে । ভৱিষ্যতৰ বাবে একোখন দলিলৰ দৰে হয় । আশা কৰিছোঁ , বৰ্ত্তমানৰ আলোচনী সম্পাদকৰ যত্নত এই পঞ্চম খণ্ডটিও সুসম্পাদিত হৈ প্ৰকাশ পাব ।

আন্তৰিক শুভেচ্ছাৰে-

নৰকান্ত বৰুৱা
২৪ নৱেম্বৰ ২০০০

নৰকান্ত বৰুৱা
(২৪ নৱেম্বৰ ২০০০)



## দিছপুৰ দিছপুৰ নামে যশে ভৰপুৰ

গুৱাহাটী মহানগৰীৰ দক্ষিন-পশ্চিম অঞ্চল পুবণি বেলতলা মৌজা তথা বেলতলাৰ ৰজা- ৰাণীৰ ঐতিহাসিক স্মৃতিকথা বিজড়িত। বেলতলা-বশিষ্ঠপথৰ দিছপুৰ (দিশপুৰ)প্ৰাগ্‌জ্যোতিষপুৰ, ভাষাগত নাম-মালাৰ বিচাৰত সংশয় বিস্ময় ৰমন্যাস,আখ্যান কিম্বদন্তিৰে ভৰপুৰ ! এই অঞ্চলৰ মাটি, মানুহ আৰু মনৰ সংগমত বিবিধ সৃষ্টিক্ৰিয়া যুগ যুগ ধৰি চলি আছেঃ প্ৰাগজ্যোতিষ, কামৰূপ কামাখ্যাতীৰ্থ, নীলাচলপীঠ,লৌহিত্যদেশ, পূৰ্বদেশ, ধৰ্মাৰন্য আদি অভিধানে অভিহিত উত্তৰ পূৱ ভাৰতৰ অসম ৰাজ্যৰ বৰ্তমান ৰাজধানী নগৰ দিছপুৰ হোৱা কাৰণে -দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা, বিকাশতথা উত্তৰোত্তৰ উন্নয়নত বিশেষ তাৎপৰ্য্য আছে। জন্মলগ্নৰ সময়তে অধ্যক্ষ ৰেৱাকান্ত হাজৰিকাৰ সময়ত এই মহাবিদ্যালয়খন উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ অনুমতি প্ৰধানৰ ক্ষেত্ৰত পৰিদৰ্শকৰূপে মই জড়িত আছিলো- আজি প্ৰায় ঢৈধ্য বছৰৰ বিবৰ্তিৰ পিছত এয়া সুৰ্বিষ্ঠোঁ- যোৱা বেলি মহাবিদ্যালয় সপ্তাহৰ উৎসৱত যোগ দিয়া সজল সজীৱ স্মৃতিকণা।

সম্প্ৰতিকৈ কলা-বাণিজ্যৰ শ্ৰেনীবোৰে খ্যাতি লাভ কৰি ছাত্ৰ- ছাত্ৰীক জীৱিকা তথা জ্ঞানৰ উপযুক্ত সুবিধা দিলে, বিজ্ঞান শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীৰ সমানে নিয়োগ-জীৱিকাৰ সুযোগ দিব পাৰেঃ বিশেষকৈ পৰিসংখ্যা বিজ্ঞান (ষ্টেটিষ্টিকছ), কম্পিউটাৰ বিজ্ঞান, হিচাব ৰক্ষা-পৰীক্ষণ আদি বিষয়াৰ ভৱিষ্যতে আধুনিক জীৱনৰ সুস্থ,সবল, যোগ্য নাগৰিক সৃষ্টি হ'ব পাৰে।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ ভাল-বেয়াৰ মাজেদিয়ে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকমণ্ডলিৰ পৰা সৰ্বোচ্চ পৰিমানে জ্ঞান আহৰণ কৰি পৰীক্ষাৰ সাগৰত নাও মেলিদিয়াৰ পৰিৱেশত সৰ্বত্ৰ মংগল কামনাৰে বিদ্যায়তনিক শুভেচ্ছা জনালো। জয়তু দিছপুৰ মহাবিদ্যালয়।

নৱগিৰিপথ
গুৱাহাটি-৩

অৱসৰী অধ্যক্ষ
বি, বৰুৱা মহাবিদ্যালয়



## দিছপুৰ কলেজৰ মুখপত্ৰলৈ

### ॥ শুভেচ্ছাবাণী ॥

আমাৰ প্ৰাণত এতিয়া কেৱল
গঢ়াৰ অঙ্গীকাৰ
আমাৰ প্ৰাণত জাগিছে নতুন
গতি দুৰ্নিবাৰ ॥
আমি যৌৱন আমি অগণন
শক্তি পুঞ্জীভূত
জয়ৰ পতাকা আমাৰ হাতত
শান্তিৰ অগ্ৰদূত
চূৰ্ণ কৰিম ভেদা ভেদ অনা
বাধাৰ অন্ধকাৰ ॥
বৰ্যাৰ দৰে শ্যামল কৰিম
মাটিৰ গেৰুৱা ৰং
শুকান ধৰণী সিক্ত কৰাৰ
হৃদয়ত আছে পণ
শান্তি, ঐক্য, প্ৰেমৰ পথেৰে
গতি দুৰ্নিবাৰ॥

ড° নিৰ্মলপ্ৰভা বৰদলৈ



## শুভেচ্ছাবাণী

মৰমৰ শ্ৰীমান নীলোৎপল,

তুমি দিশপুৰ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'অৰুণ'ৰ পঞ্চম প্ৰকাশৰ সম্পাদনাৰ দায়িত্ব লোৱা কাৰণে তোমালৈ শুভেচ্ছা আগবঢ়াইছোঁ। আশাকৰো তোমাৰ তত্বাৱধানত এই সংখ্যাটো সৰ্বাংগসুন্দৰ হৈ প্ৰকাশ পাব। সাহিত্যৰ প্ৰতি অনুৰাগ থকা বহু ছাত্ৰ ছাত্ৰীৰ বাবে বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনী খন হৈছে সাহিত্য চৰ্চাৰ প্ৰথম সাৰথি । পাছলৈ কাকত, আলোচনী আদিৰ সম্পাদক হোৱাৰ আগ্ৰহ থকা ভালেমান লোকৰ বাবেও বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা কৰাটো এক মূল্যবান অভিজ্ঞতা । আশাকৰোঁ 'অৰুণে ' দিশপুৰ মহাবিদ্যালয়ৰ সাহিত্যানুৰাগী ছাত্ৰ ছাত্ৰীক সাহিত্য চৰ্চা কৰিবলৈ সহায় কৰিব , আৰু তোমাকো সম্পাদনাৰ কামৰ অভিজ্ঞতা অৰ্জন কৰিবলৈ সুবিধা দিব। তোমালোকৰ মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ দিহা পৰামৰ্শ নিশ্চয় তোমাৰ কামত সহায়ক হ'ব। গল্প , প্ৰবন্ধ, কবিতা আদিৰ মান, ৰচনাসমূহৰ ভাষা, ব্যাকৰণ, আখৰ জোটনি আদিৰ প্ৰতি লক্ষ্য ৰাখি তুমি এখন আকৰ্ষণীয় আলোচনী প্ৰস্তুত কৰিব পাৰিবা বুলি আশা কৰিলো।

শ্ৰী নীলোৎপল শৰ্মা,
আলোচনী সম্পাদক,
দিশপুৰ মহাবিদ্যালয়, গুৱাহাটী ৭৮১০০৫

(ভবেন্দ্ৰনাথ শইকীয়া)
৬/১২/২০০০



## শ্ৰী নীলোৎপল শৰ্মালৈ শুভেচ্ছাবাণী

জীৱ শ্ৰেষ্ঠ মানৱে নিজৰ সৃজনী প্ৰতিভাৰে সৃষ্টি কৰিছিল সমাজৰ,সাংস্কৃতিৰ আৰু প্ৰতিষ্ঠা কৰিছিল সভ্যতাৰ। মানৱৰ অহৰহ প্ৰচেষ্টাই সমাজৰ বিকাশ দ্ৰুততৰ কৰিছে নতুন নতুন সৃষ্টিৰ সামগ্ৰীৰে। বিজ্ঞান আনিছে মানৱজীৱন যাত্ৰাত অভাৱনীয় পৰিৱৰ্তন আৰু প্ৰযুক্তিয়ে দিছে প্ৰগতিৰ সাজন। কিন্তু উন্নয়নকামী ভাৰতৰ উত্তৰ পূৰ্ব প্ৰান্তৰত সেই জীৱ শ্ৰেষ্ঠ মানুহৰ একাংশই সমাজত সৃষ্টি কৰিছে ভয়াবহ অৱস্থাৰ। সৃষ্টিৰ সলনি হত্যা যজ্ঞ চলিছে সমাজত - মানৱতাৰ সলনি বৰ্বৰতাই পাইছে প্ৰাধান্য- অবিশ্বাস আৰু বিদ্বেষৰ বীজ ৰোপন কৰিছে মানুহৰ মাজত। জীৱনক সুন্দৰ ভাৱে গ্ৰহণ কৰা মানুহৰ মনত সৃষ্টি কৰিছে আতঙ্কৰ।

এনে এক অৱস্থাত দিশপুৰ কলেজৰ ছাত্ৰ ছাত্ৰীয়ে নিজৰ সৃজনীৰে সাহিত্য জগতলৈ আগবঢ়াইছে এখন আলোচনী। ফুলকুমলীয়া এই ছাত্ৰ ছাত্ৰীসকল সত্য সুন্দৰৰ পূজাৰী হৈ অসুন্দৰৰ পৰা সমাজখনক সুন্দৰ আৰু সমৃদ্ধ কৰক । সৃষ্টিৰ শংখ ধ্বনি মুখৰিত হওঁক সকলো প্ৰান্তৰত আৰু সাহিত্যৰ মাজতেই প্ৰত্যাহবান জনাওঁক অশুভ শক্তিক আৰু গঠনৰ মানসিকতাৰে অনুপ্ৰাণিত কৰক নতুন প্ৰজন্মক। নতুন পুৰুষ সংস্কৃতিৰ সাধক হওঁক নতুন সাহিত্যৰ স্ৰষ্টা হওঁক আৰু নতুন সমাজগঢ়াৰ সংগঠক হওঁক । এনে প্ৰচেষ্টা কষ্টকৰ হলেও কালজয়ী হব সময়ত।

আলোচনীত লিখা সকলো প্ৰতিশ্ৰুতিপূৰ্ণ লিখক লিখিকালৈ সাদৰ সম্ভাষন জনাই কলম নেৰিবলৈ অনুৰোধ জনাইছোঁ।

আলোচনী খনৰ সাফল্য কামনা কৰিছোঁ শুভেচ্ছাৰে।

ৰেণুদেৱী
১২/১২/২০০০
গুৱাহাটী

# প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাৰম্ভতে, স্বজাতি আৰু জননীৰ মৰ্যাদা ৰক্ষাৰ বাবে যি সকল বীৰ শ্বহীদে নিজৰ জীৱনক তুচ্ছ কৰি অসমী আইৰ বুকুত লিখিলে ৰাঙলী ইতিহাস, সেইসকল মহান শ্বহীদলৈ শ্ৰদ্ধাৰে মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে দিশপুৰ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ আলোচনী সম্পাদকৰ দৰে এটা গুৰু দায়িত্বৰ নিৰ্বাচিত কৰা সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ মুখপত্ৰ 'অৰুণ'ৰ সম্পাদনাৰ বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ ড' নৰেন্দ্ৰ শৰ্মা মহোদয় লগতে তত্ত্বাৱধায়ক ড' নমিতা ডেকা মহোদয়া লগতে সমূহ শিক্ষাগুৰু সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সাহিত্য এটা জাতিৰ মেৰুদণ্ড। মেৰুদণ্ড নহলে যেনেকৈ কোনো প্ৰাণী ইচ্ছামতে চলন কৰিব নোৱাৰে, সেইদৰে সাহিত্য নহলেও এটা জাতিৰ অস্তিত্ব ৰক্ষিত নহিবলৈ হৈ পৰে। সাহিত্য জাতীয় জীৱনৰ প্ৰতিচ্ছবি স্বৰূপ। সাহিত্যৰ জৰিয়তে এখন জাতিৰ জীৱনৰ মনোৰ ছবি পোৱা সম্ভৱ হৈ উঠে। এখন জাতিৰ ক'লা-সংস্কৃতি, সভ্যতা আদিৰ বিকাশ ঘটে একমাত্ৰ সাহিত্যৰ জৰিয়তেহে। সাহিত্য হৈছে সমাজৰ মানদণ্ড, জাতিৰ জীৱনী শক্তিৰ আধুনিকতা। যি সাহিত্য সমাজ প্ৰিয় হ'ব নোৱাৰে, জাতিক জাতীয় চেতনাৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰিব নোৱাৰে; সেই সাহিত্য নিৰ্মাণেই উচ্চ মৰ্যাদা নিদিয়ে, যি কেতিয়াও নিৰ্ভৰশীল সাহিত্য হ'ব নোৱাৰে। জাতিৰ জাতীয় দুখ-দৈন্য, অভাৱ-অভিযোগ, ধৰ্ম-অৰ্থ, ভাষা-সংস্কৃতি আদিৰে পৰিপূৰ্ণ হয় যি সাহিত্য, সেই সাহিত্য হয় সমাজৰ আদৰণীয় আৰু সমাজ আৰু জাতিৰ বাবে এক অতি উজ্জ্বল আদৰ্শ। সমাজমুখী সাহিত্যইহে সমাজৰ উন্নতি সাধনত সহায়ক হয়।

বৰ্তমান আমাৰ সমাজখন আতংকময় হৈ পৰিছে। কেউদিশে আতংকৰ ক'লা ডাৱৰে আৱৰণৰ ছানি ধৰিছে। সাধাৰণ জনসাধাৰণৰ দুখ-দৈন্যতা আননে কৃত্ৰিম লোকৰ অৰাজকতা। জীৱ শ্ৰেষ্ঠ মানৱ জীৱন পাৰস্পৰিক দুৰ্ভাৱনাময় হৈ পৰিছে। অমূল্য মানৱ জীৱন মূল্যহীন হৈ পৰিছে। চাৰিওফালে মাথো হত্যা-হিংসা, ধৰ্ষণ-লুণ্ঠন আৰু অৰাজকতা। সমাজৰ আদিম বৰ্বৰ সভ্যতালৈ ৰূপান্তৰিত হ'ব ধৰিছে। জীৱশ্ৰেষ্ঠ মানৱ পশুলৈ পৰিণত হ'ব ধৰিছে। আইন-কানুন সম্পূৰ্ণ অৰ্থহীন হৈ পৰিছে। কিন্তু ইয়াৰ পৰিণতি কিমান ভয়ংকৰ হ'ব সেয়া ভাবিবলৈ আজি কাৰোৱেই আহৰি নাই। নিশ্চিতভাৱেই ইয়াৰ পৰিণতি ধ্বংসাত্মক হ'ব। আমাৰ এই সেউজী ধৰণীখন আদি ধ্বংসৰ কবলৰ পৰা উদ্ধাৰ কৰিব লাগিব। আৰু ইয়াৰ গুৰু দায়িত্ব আহি পৰিব বিশেষকৈ যুৱ-সমাজৰ ওপৰত। যুৱশক্তি এটা ডাঙৰ শক্তি। লগতে প্ৰয়োজন হ'ব সকলোৰে কাৰ্যকাৰিতা, সমাজৰ প্ৰত্যেক সংবেদনশীল ব্যক্তিৰ সহযোগিতা লগতে সু-পৰামৰ্শ। বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থা ত্ৰুটিমুক্ত নহয়। আজি সমগ্ৰ সমাজবাসীক দাঙ্গল কৰাৰ প্ৰয়োজন হৈ পৰিছে। প্ৰগতিত প্ৰধান অন্তৰায় হিচাপে থিয় দিছে। ইয়াৰ বাবে যুগে যুগে সন্ত্ৰাসবাদে সমাজৰ প্ৰগতিত বাধা প্ৰদান কৰিছে। কিয়নো, নিৰক্ষতাও জাতিৰ যুৱসমাজে সন্ত্ৰাসবাদ পন্থা বৰণ কৰিছে। কিন্তু ইতিহাসে প্ৰমাণ কৰিব পাৰে যে সন্ত্ৰাসবাদে সমস্যাৰ সমাধানত সহায়ক নহয়। জীৱনৰ পৰা বিমুখ হৈ পৰা যুৱক আশা কৰা অনুচিত। সেইবাবে সন্ত্ৰাসবাদ পৰিহাৰ কৰি সুস্থ চিন্তাৰে দুখী আহি সমাজৰ সৰ্বাংগসুন্দৰ কৰি তোলাটোৱে আজিৰ যুৱসমাজৰ লক্ষ্য হোৱা উচিত। সমাজবাসীয়ে নতুনত্ব বিচাৰে। এখন অতি নিকা সমাজ গঢ়ি তোলাত বহু পৰিমাণে ইয়াৰ যোগান সাহিত্যই। ইয়াৰ যুৱসমাজৰ প্ৰতিনিধিত্বই নিশ্চিত ভাৱে সমাজৰ পৰিৱৰ্তন সুন্দৰত সহায়ক হয়। পোন প্ৰথমে যুৱসমাজ সাহিত্যৰ আদৰ্শৰে উদ্বুদ্ধ হয় লাগিব। বহুক্ষেত্ৰত যুৱসমাজক সাহিত্যৰ ক্ষেত্ৰত প্ৰতিভা বিকাশত সহায় কৰে মহাবিদ্যালয়ৰ মুখপত্ৰই। মুখপত্ৰৰ জৰিয়তে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ ছাত্ৰ-ছাত্ৰী সমৰ্থ হয়। যুৱসমাজৰ লেখনিৰ দ্বাৰা সমাজৰ আমোদ পৰিৱৰ্তন আনিব পৰা যায়। আমাৰ এই সেউজী ধৰণীখনৰ এক জননী বাবে সকলোৱে ভাবিবলৈ মই সমূহ যুৱসমাজলৈ আহ্বান জনালোঁ।

প্ৰতিবেদনৰ সামৰণিত আকৌ এবাৰ অধ্যক্ষ মহোদয় আৰু তত্ত্বাৱধায়িকা মহোদয়াক কৃতজ্ঞতা জনাই অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰিলোঁ। ইয়াৰ লগতে মোক বিভিন্ন ক্ষেত্ৰত সহায়, সহযোগ, পৰামৰ্শ আগবঢ়োৱা মোৰ সহপাঠী শ্ৰী সুদৰ্শন হাজৰিকা আৰু শ্ৰী হেমন্ত বৰুৱাক আন্তৰিক কৃতজ্ঞতা জনালোঁ। ইয়াতে মোৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। লগতে দিশপুৰ মহাবিদ্যালয় আৰু 'অৰুণ'ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

"জয়তু দিশপুৰ মহাবিদ্যালয়"
"জয় আই অসম"
শ্ৰী নীলোৎপল শৰ্মা,
সম্পাদক, 'অৰুণ'

# ঃ সূচীপত্ৰ ঃ


| | | পৃষ্ঠা |
|---|---|---|
| **প্ৰবন্ধ** | | |
| হিতেশ ডেকাৰ 'আজিৰ মানুহ' উপন্যাসৰ পটভূমি | প্ৰবক্তা শ্ৰীধীৰেন নাথ | ০২ |
| একশৰণ ভাগৱতী ধৰ্মত নামঘোষাৰ স্থান | প্ৰবক্তা গীতিলেখা দেৱী ভাগৱতী | ০৪ |
| টাইটানিক | ধীৰেন দাস | ০৬ |
| আত্মবিশ্বাস, বন্ধুত্ব আৰু সমাজক লৈ অভিভাৱকসকল সতৰ্ক নে ?? | বন্তিতা পাঠক | ০৯ |
| চৰিত্ৰ : মানৱ জীৱনৰ মূল ভেটি | ধনজিৎ ডেকা | ১১ |
| আদি মানৱৰ সৃষ্টি (মাটিৰ পৰা) | মহঃ জাহিৰ আহমেদ | ১২ |
| শতিকাৰ অন্তিমটো বিশ্বকাপ ক্ৰিকেট আৰু ভাৰত | জয়ন্ত কুমাৰ শৰ্মা | ১৩ |
| **গল্প** | | |
| উপলব্ধি | শ্ৰীইমানুৱেল কুমাৰ | ১৫ |
| নতুন প্ৰভাত | শ্ৰী অৰ্চনা কলিতা | ১৭ |
| হয়নে এনে | মামণি দেৱী | ১৯ |
| যাতনা | প্ৰাঞ্জল তাঁতী | ২১ |
| সন্ধি | দিগন্ত কুমাৰ দাস | ২৩ |
| মাধুৰী নবৌ | দীপ্তি শৰ্মা | ২৫ |
| অশ্ৰুলেখাৰ উচুপনি | নিলুফা বেগম | ২৭ |
| এয়েতো জীৱন | অৰ্চনা বৰ্মন | ২৯ |
| **কবিতা** | | |
| মনে মোক সকীয়াই | দীপশিখা মিত্ৰ | ৩৪ |
| সত্তা | ব্ৰজেন শৰ্মা | ৩৪ |
| উলটা-পুলটা | প্ৰফুল্ল দত্ত | ৩৫ |
| মোৰ কবিতা | জয়ন্ত কুমাৰ শৰ্মা | ৩৫ |
| শ্ৰদ্ধাঞ্জলি | নিপামণি দাস | ৩৬ |
| এটি প্ৰাণৰ পখী | ধীৰেন দাস | ৩৬ |
| প্ৰতীক্ষা | অপূৰ্ব কুমাৰ দাস | ৩৬ |
| তিনিৰ মহিমা | অনামিকা নেওগ | ৩৭ |
| সপোনৰ উক্তি | পাৰ্থজিৎ খনিকৰ | ৩৭ |
| অভিমান | জাহিৰ আহমেদ | ৩৮ |
| মিঠাইৰ সপোন | দিগন্ত দাস | ৩৮ |
| কিয় | অৰবিন্দ কলিতা | ৩৮ |
| দুখাৰি চকুলো | বিৰাজ কুমাৰ বহাং | ৩৯ |
| জীৱন | ধৰিত্ৰী ডেকা | ৩৯ |
| জীৱনৰ বাটত | মিতালী দেৱী | ৩৯ |
| মেচ ফিক্সিং | ধ্ৰুৱজ্যোতি কলিতা | ৪০ |
| যাৰ কোনো নাই | চন্দন গোস্বামী | ৪০ |
| মোৰ হৃদয় অন্বেষণ | চামচুল আলী | ৪১ |
| বেদনা | মৃণাল জ্যোতি লহৰ | ৪১ |
| বিৰাট চাহাবা এই ক'ত মৰুদ্যান | অংকুৰ বৰদলৈ | ৪১ |
| কল্পনা | ইমানুৱেল কুমাৰ | ৪২ |
| ছয় ঋতু | মুনীন্দ্ৰ বৰা | ৪২ |
| প্ৰিয়তমা প্ৰকৃতি | কামনা শইকীয়া | ৪২ |
| জীৱন্ত সভ্যতাৰ সাৰ | বন্তিতা পাঠক | ৪৩ |
| এখন আকাশ বিচাৰি | নীলোৎপল শৰ্মা | ৪৩ |
| **English Section** | | |
| Tourism in Assam | Dr. Reeta Sharma | ৪৫ |
| Economically Active Population | Manisha Bhattacharyya | ৪৯ |
| Tourism in India : Wild life Tourism and its promotion | Sri Anghuman Dutta | ৫১ |
| One Billion Indians | Sanjib Hazarika | ৫৩ |
| Preventing Industrial Hazards | Jaheer Abbas | ৫৫ |
| Hard work brings success | Jyotish Kr. Sarma | ৫৭ |
| Time, Mother India (Poem) | Sri Golap Roy | ৫৮ |
| মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা বিশিষ্ট ব্যক্তিৰ কিছুমান বিশেষ মুহূৰ্তৰ ফটোসমূহ | | ৫৯ |
| বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন | | ৬৩ |
| মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ | | ৭২ |
| দিশপুৰ মহাবিদ্যালয়ৰ সাধাৰণ আৰু আলোচনী সম্পাদক সকল আৰু ১৯৯৯-২০০০ চনৰ ছাত্ৰএকতা সভাৰ সদস্য সকল | | ৭৫ |



# প্রবন্ধ

# হিতেশ ডেকাৰ 'আজিৰ মানুহ' উপন্যাসৰ পটভূমি

○ শ্ৰীবীৰেন নাথ
প্ৰবক্তা, অসমীয়া বিভাগ

স্বাধীনতাৰ পৰৱৰ্তী কালৰ এজন অন্যতম জনপ্ৰিয় ঔপন্যাসিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিতেশ ডেকাদেৱ। উপন্যাস সাহিত্যৰ জগতত তেওঁক অপ্ৰতিদ্বন্দ্বী হিচাপে প্ৰতিষ্ঠিত কৰালে ১৯৫২ চনত তেওঁৰ প্ৰথম প্ৰকাশিত জনপ্ৰিয় উপন্যাস 'আজিৰ মানুহে', যিখন উপন্যাস তেওঁৰ জীৱনকালতে ত্ৰয়োদশ সংস্কৰণ প্ৰকাশ পাই, বহুল পঠিত উপন্যাস হিচাপে অভিলেখ সৃষ্টি কৰিছে। কিন্তু দুখৰ বিষয় এই উপন্যাসখন প্ৰকাশ পোৱা প্ৰায় অৰ্ধশতাব্দী কাল হ'ল, উপন্যাসখনৰ বিভিন্ন দিশসমূহ সামৰি পুংখানুপুংখভাৱে অসমীয়া সাহিত্যজগতত সুস্থ সমালোচনা নহ'ল। ইয়েই অসমীয়া সাহিত্যৰ সমালোচনাৰ দৈন্যতাক উদঙাই দেখুৱায়।

উপন্যাসৰ পটভূমি বুলিলে ঘটনা আৰু চৰিত্ৰৰ নেপথ্য স্থান, কাল, প্ৰবাহমান সমাজ জীৱন, প্ৰাকৃতিক পৰিৱেশ আদিৰ অৱস্থানক বুজায়। উপন্যাস বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি আৰু কালানুপাতিকভাৱে সজোৱা ঘটনাপুঞ্জৰ সামগ্ৰিক অৱস্থা বা ধাৰাটোৱেই উপন্যাসৰ বহিৰংগ শৰীৰ বা কাহিনী। যিহেতু উপন্যাসৰ লগত কাল বা সময়ৰ প্ৰশ্নটো অংগাংগীভাৱে জড়িত হৈ আছে সেই গতিকে উপন্যাস এখনৰ পটভূমিৰ লগতো সময়ৰ প্ৰশ্নটোহে প্ৰথম জড়িত হৈ পৰে। সেয়ে আমি উপন্যাস এখনৰ পটভূমিৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে, সেই উপন্যাসখন ৰচিত হোৱা সমসাময়িক স্থান-কাল, প্ৰবাহমান সমাজজীৱন যাৰ পৰা ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাসমূহো বাদ নপৰে। 'আজিৰ মানুহ' উপন্যাসখনৰ স্থান অসমৰ অবিভক্ত কামৰূপ জিলাৰ গুৱাহাটী আৰু বৰঙীয়া মহকুমাৰ অমোলপুৰ বিজাৰ্ড ইত্যাদি ভিতৰুৱা ঠাই। এই ঠাইসমূহত বৰ্তমান নগৰীয়া প্ৰভাৱ পৰিছে যদিও উপন্যাসখন ৰচিত হোৱা সময়ত এই ঠাইসমূহ গাঁওহে আছিল। উপন্যাসখনৰ অৰ্ন্তভাগত বৰ্ণিত হোৱা বৰ্ণনাই গাঁৱলীয়া জীৱনৰ চিত্ৰহে দাঙি ধৰে। গতিকে আমি উপন্যাসখন অসমীয়া গ্ৰাম্য সমাজৰ পটভূমিত ৰচিত বুলি একে আষাৰেই কৈ দিব পাৰো। উপন্যাসখনৰ কাল হৈছে স্বাধীনতাৰ পৰৱৰ্তি অৰ্থাৎ পঞ্চাশৰ দশক।

পটভূমিৰ স্থান-কালৰ পিচতে বহল ভিত্তিত যাক সমাজ জীৱন বুলি কোৱা হয়; তাৰ আলোচনা দাঙি ধৰাৰ আগতেই উপন্যাসখন লিখাৰ প্ৰাক্মুহূৰ্তত ঔপন্যাসিকৰ মানসিক অৱস্থা কেনে হৈছিল সেই সম্পৰ্কে এটি প্ৰবন্ধত তেওঁ অকপটভাৱে স্বীকাৰ কৰা কেইশাৰীমান কথা তুলি দিয়া হ'ল-- '১৯৫২ চনৰ কথা। সামাজিক আৰু ৰাজনৈতিক চিন্তা কিছুমানে মোৰ মন বৰ চঞ্চল কৰি তুলিলে। মই পঢ়াত এনেয়ে বৰ ভাল ছাত্ৰ নাছিলো, তাতে দেশৰ এইবোৰ চিন্তাই মোক ব্যাকুল কৰি তুলিলে। মই শ্ৰেণীত মন দিব নোৱাৰা হ'লো। হোষ্টেলতো মন নবহে। কলেজতো মন নবহে। মানসিক ভাৰসাম্য হেৰুৱা যেন হ'ল।' (ছাত্ৰৰ দৃষ্টিত ত্ৰৈলোক্য নাথ গোস্বামী)। এই মানসিক ভাৰসাম্য হেৰুৱাৰ পিচতেই ঔপন্যাসিকে এটি ভাড়াঘৰ লৈ থাকিবলৈ ল'লে আৰু এদিন ৰাতি হঠাৎ উঠি হাতত কলম তুলি লৈ বগা কাগজত ক'লা চিয়াহীৰে লিখি গ'ল নিদ্ৰাহৰণকাৰী হৃদয় বেদনা। ছমাহ এইদৰে অতিবাহিত হোৱাৰ পিচত তেওঁৰ হৃদয় বেদনাৰ অগনিবাণি ক্ৰমে নিৰ্বাপিত হৈ আহিব ধৰিলে আৰু সি দিয়াশলাইৰ বাহত জুই সোমাই থকাৰ দৰে কাগজৰ মাজত সোমাই পৰি আলোক প্ৰেছ পালেগৈ। উপন্যাসখনি প্ৰকাশ হ'ল, লেখকৰ মানসিক ভাৰসাম্য ঘূৰি আহিল, আৰু অসমীয়া উপন্যাস সাহিত্যই পালে এখন [illegible]ত ৰাখৰ ঘটোৱা সময়ৰ দলিল। কিন্তু প্ৰশ্ন হ'ল এই যে লেখকৰ মানসিক ভাৰসাম্য হেৰোৱা নিদ্ৰাহৰণকাৰী সময়ৰ চিত্ৰ, সময়ৰ ঘটনা, সময়ৰ সমস্যা সেয়ানো কি আছিল ?

১৯৪৭ চন। ভাৰতৰ স্বাধীনতা আইন অনুসৰি ভাৰতবৰ্ষই ভাৰত আৰু পাকিস্তান নামে দ্বি-খণ্ডিত হৈ স্বাধীনতা লাভ কৰে। এই দেশ বিভাজনৰ মূল ভিত্তি আছিল ধৰ্মীয় আৱেগ, যাক ঔপন্যাসিকৰ ভাষাত ক'ব পাৰি 'হিন্দু থাকিলে হিন্দুস্থান, মুছলমান থাকিলে পাকিস্তান।' (আজিৰ মানুহ, পৃঃ ২) তথাপিতো কিন্তু বৃহত্তৰ ভাৰতবৰ্ষৰ কোনো খণ্ড ভূমিকে সম্পূৰ্ণৰূপে হিন্দু অধ্যুষিত নাইবা মুছলমান অধ্যুষিত বুলি ক'ব নোৱাৰি। এই বিভাজনৰ মূলতেই যে এক বেৰোণ বৈ গ'ল সি ধ্ৰুৱপ। গান্ধীজীয়ে কিন্তু তেতিয়াও এই বিভাজনক স্বীকাৰ নকৰি ভাৰত আৰু পাকিস্তানক একত্ৰিত কৰি তেওঁৰ সপোনৰ ৰামৰাজ্য নিৰ্মাণত বিভোৰ আছিল। যিয়েই নহওক দেশ স্বাধীন হ'ল। দীঘদিন সংগ্ৰামৰ অৱসাদ স্বৰূপে এই স্বাধীনতাৰ আনন্দতে সাময়িকভাৱে হ'লেও সাধাৰণ জনসাধাৰণ আনন্দত উৎফুল্লিত হ'ল। তেওঁলোকে প্ৰকৃত স্বাধীনতাৰ অৰ্থ বিচাৰ-বিশ্লেষণৰ প্ৰয়োজনবোধ নকৰিলে। এইখিনিতেই সংঘটিত হ'ল সাধাৰণ জনগণৰো এক মাৰাত্মক ভুল। কিন্তু এচাম মুষ্টিমেয় লোকে





অনুধাৱন কৰিব পাৰিছিল যে ই স্বাধীনতাৰ নামত এক ভুৱা স্বাধীনতা। যিখন দেশত হেজাৰ হেজাৰ লোকে অনাহাৰ-অনিদ্ৰাত জীৱন কটাইছে সেইখন দেশত মুষ্টিমেয় এচাম লোকে বিলাসবহুল জীৱন যাপন কৰাটোৱেই স্বাধীনতা হ'ব নোৱাৰে। সেয়েহে স্বাধীনতা আন্দোলনৰ নেতৃত্ববহনকাৰী ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিপৰীতে থিয় দি উঠিল সমাজবাদী আদৰ্শৰে অনুপ্ৰাণিত অন্য এচাম সচেতন লোক। সৃষ্টি হ'ল ভাৰতীয় কমিউনিষ্ট পাৰ্টি। বিষ্ণু ৰাভাকে আদি কৰি এচাম লোকে প্ৰকাশ্যভাৱেই স্বাধীনতাৰ বিৰুদ্ধে মন্তব্য কৰিলে- 'ইয়ে আজাদী ঝুথা হে।'

ঔপন্যাসিক ডেকাদেৱৰ দৃশ্যপটতো এই নিদ্ৰাহৰণকাৰী ঘটনাৰাজি বাৰুকৈয়ে জিলিকি আছিল। আহোম ৰাজত্ব, ব্ৰিটিছ ঔপনিবেশিক শাসনৰ অন্ত পৰিল। কিন্তু অন্ত নপৰিল সেই ৰাজত্বৰ সামন্তপ্ৰথা, সেই শাসনৰ প্ৰৱৰ্তিত আইন লগতে ব্ৰিটিছৰ কৃপাধন্যত গঢ়ি উঠা আমোলাতান্ত্ৰিক অন্তঃসাৰশূন্য নব্য-মধ্যবিত্ত সমাজ। ঔপন্যাসিকৰ ভাষাত-- 'অসমত জমিদাৰী নাই নামত, কিন্তু অধিকাৰ আছে কামত। গোসাঁইগিৰি, ব্ৰাহ্মণগিৰি, বৰুৱাগিৰি আদি অসংখ্য 'গিৰি'ৰ অভাৱ নাই। আহোম ৰজাৰ সকলো লোপ পালে, তেওঁলোকৰ সামন্ত প্ৰথাও লয় হ'ল; কিন্তু তেওঁলোকৰ দেৱোত্তৰ, ব্ৰহ্মোত্তৰ তাৰ উপৰি বৰুৱা, ফুকন আদিৰ মাটিৰ মালিকানা পদ লোপ নাপালে। ইয়াকেই বোলে- হাকিম নৰিলেও হুকুম নলৰে।' (আজিৰ মানুহ, পৃঃ ৮) ব্ৰিটিছ প্ৰৱৰ্তিত আইনৰ গইনা লৈ, ভুল ভূমি আইনৰ সুৰুঙা গ্ৰহণ কৰি আহোমৰ দিনতে গঢ়ি উঠা একশ্ৰেণী সুবিধাবাদী সামন্তশ্ৰেণী লোকে, বৃহৎ এলেকা ভূমি অধিগ্ৰহণ কৰি তেওঁলোকৰ সামন্তপন্থিক জীপাল কৰি তুলিছিল। ইয়াৰ ফলত দেশৰ সাধাৰণ জনগণে মাটি ভেটিৰ অভাৱত এক শ্ৰেণী মানুহৰ বশ্যতা স্বীকাৰ কৰি নিৰ্যাতিত ৰায়তৰ জীৱন যাপন কৰিছিল। এই সামন্তবাদী প্ৰভুশ্ৰেণীৰ আদেশেই আছিল আইন, যাক, স্বাধীন ভাৰতৰ গণতান্ত্ৰিক চৰকাৰেও পৰোক্ষভাৱে ৰক্ষণাবেক্ষণ দিছিল। এক কথাত এইশ্ৰেণী লোকৰ আদেশ অমান্য কৰিলেই সাধাৰণ লোকৰ জীৱনলৈ দুৰ্যোগ নামি আহিছিল। আনহাতেদি ১৯৫০ চনৰ ভয়াবহ ভূমিকম্প, বানপানী, মাৰি-মৰক ইত্যাদিৰ কবলগ্ৰাসত সাধাৰণ অসমীয়া সমাজ জীৱনত দুৰ্যোগৰ সীমা নোহোৱা হৈছিল। ইয়াৰ উপৰিও দেশ বিভাজনৰ ফলত সৃষ্টি হোৱা প্ৰব্ৰজনেও অসমীয়া সমাজ জীৱনক বাৰুকৈয়ে কোবাই গৈছিল। পূব পাকিস্তান তথা বাংলাদেশৰ পৰা অহা শ শ ভগনীয়াই অসমৰ মাটিত খোপনি পুতিছিল, যি প্ৰব্ৰজন আজিও অব্যাহত আছে। অসমৰ চৰ-চাপৰি, হাবি-জংঘলত নতুন পমুৱাৰ নব্যপুঁজিঘৰ জিলিকি উঠিল। যাক লৈয়ে অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ প্ৰশ্নই ভাবুকিৰ সন্মুখীন হ'ল। জনসংখ্যা বৃদ্ধি, তথাকথিত আমোলাশ্ৰেণীৰ শোষণতান্ত্ৰিক মনোভাৱৰ ফলত দেশৰ শিক্ষিত ডেকাচামৰ মাজেও কৰ্মসংস্থাপনৰ অভাৱে দেখা দিলে। একশ্ৰেণী তথাকথিত আমোলা আৰু শোষণকাৰী মধ্যবিত্তই বাপুজীৰ ৰামৰাজ্যত ৰাৱণৰূপে দেখা দিলে। মানুহৰ মাজত সাময়িক স্বাধীনতাৰ মনোভংগ হ'ল। শিক্ষা-সংস্কৃতি সকলো অনৰ্থক হ'ল। দুখ-দুৰ্দশাত অভাৱগ্ৰস্ত খেতিয়কে সৰিয়হফুল দেখিলে। সাধাৰণ জনগণৰ মাজত দুখে আকৌ কুলাই-পাচিয়ে নধৰা হ'ল। এই নোপোৱাৰ বেদনাই মানুহক আকৌ নতুন পথ বিচাৰি চাবলৈ বাধ্য কৰিলে। সেয়েহে বহু লোকে সমাজবাদী আদৰ্শৰে অনুপ্ৰাণিত হৈ এক নতুন পথৰ সন্ধান কৰিলে। সৃষ্টি হ'ল এটি নতুন সমাজবাদী আন্দোলন, জনগণৰ হাতলৈ প্ৰকৃত স্বাধীনতা ঘূৰাই অনাৰ নতুন অনুশীলন। আনহাতে গান্ধীজীৰ ত্যাগৰ আদৰ্শও মানুহৰ হৃদয়মন্দিৰত দেৱতাৰ দৰেই বহি ৰ'ল। এই সমাজবাদী আৰু গান্ধীবাদী দুই আদৰ্শৰ সু-সামঞ্জস্য ঘটাই, তাকেই ঔপন্যাসিকে প্ৰধান উপজীব্য হিচাপে লৈ প্ৰেমৰ সুৰীয়া গোন্ধ এটাৰে সুবাসিত কৰি গঢ়ি তুলিলে শতিকাৰ অন্যতম 'আজিৰ মানুহ' উপন্যাস।

উপন্যাসখনত গ্ৰাম্য জীৱনৰ হৰ্ষ-বিষাদ, বিয়া-বাৰু আদিৰ চিত্ৰ সংক্ষেপভাৱে হ'লেও চিত্ৰিত হৈছে। প্ৰাকৃতিক পটভূমিৰ ক্ষেত্ৰতো অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ সুন্দৰ আৰু ধ্বংসাত্মক চিত্ৰ, অসমৰ হাবি-জংঘলৰ পতিত মাটিৰ সাৰুৱা গুণ, 'বিজয়লক্ষ্মী' ফাৰ্মৰ সেউজীয়া শস্যৰ শ্যামলী সুবাস ঔপন্যাসিকে সংক্ষেপভাৱে সুন্দৰকৈ চিত্ৰিত কৰিছে। সামৰণিত ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাতে ক'ব পাৰি যে 'সামাজিক দুৰ্নীতি আৰু অজ্ঞতাৰ চিত্ৰ অংকন কৰি এখন সুস্থ সমাজৰ আদৰ্শই মাজে মাজে তেওঁৰ উপন্যাসত ভুমুকি নমৰাকৈ থকা নাই আৰু কেতিয়াবা সমাজবাদৰ ৰূপ প্ৰকাশ পাইছে। গ্ৰাম্য জীৱনৰ অজ্ঞতা, কু-সংস্কাৰৰ চিত্ৰ যেনেকৈ অংকণ কৰিছে তেনেকৈ তাৰ বিপৰীতে সৰলতা, বিশ্বাস, প্ৰৱণতা আৰু ধৰ্মভীৰুতাৰ চিত্ৰও ৰূপায়িত কৰিছে। ধনীৰ ধনগৰ্বৰ, দুৰ্বলীৰ ওপৰত অত্যাচাৰ, যৌন ক্ষুধা আৰু দুৰ্নীতিপৰায়ণতাৰ সহজ ৰূপায়ণ সৰহভাগ উপন্যাসৰে অন্যতম প্ৰধান বিষয়ৰূপে দেখা দিছে। (অসমীয়া উপন্যাসৰ গতিধাৰা, পৃঃ ২৯)। □

# একশৰণ ভাগৱতী ধৰ্মত নামঘোষাৰ স্থান

○ গীতিলেখা দেৱী ভাগৱতী
প্ৰৱক্তা, অসমীয়া বিভাগ

খ্ৰীষ্টিয় চতুৰ্দশ-পঞ্চদশ শতিকাত সমগ্ৰ উত্তৰ ভাৰতত নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ এটি প্ৰবল ঢল আহে। পঞ্চদশ-ষোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱৰ নেতৃত্বত অসমতো নৱ-বৈষ্ণৱ ধৰ্মৰ সূচনা হয় যাৰ ফলত অসমৰ জাতীয় জীৱনত বৈপ্লৱিক পৰিৱৰ্তন ঘটিল। এই পৰিৱৰ্তনে অসমৰ ধৰ্মৰ আৰু সমাজৰ লগতে কলা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত এক অভূতপূৰ্ব নৱ দিগন্তৰ উন্মোচন কৰিলে। মহাপুৰুষ শংকৰদেৱৰ পিছতে এই দিশত আৰু অধিক অৰিহণা যোগালে মহাপুৰুষ মাধৱদেৱে। কাব্য, নাট, অনুবাদ ৰচনা, ভক্তিমূলক গ্ৰন্থ, গীত ইত্যাদি সম্ভাৰেৰে শংকৰদেৱৰ দৰে মাধৱ পুৰুষে সমগ্ৰ অসমতে এক বিশাল বৈষ্ণৱ সাহিত্যৰ ক্ষেত্ৰ মুকলি কৰি দিলে। যি সাহিত্যই অসমীয়াৰ হাড়ে-হিমজুৱে প্ৰৱেশ কৰি এক সুস্থ-সবল পবিত্ৰ মানসিক বাতাৱৰণৰ সৃষ্টি কৰিলে তেনে এক শ্ৰেণীৰ সাহিত্য হ'ল মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ 'নামঘোষা', য'ত ভক্তিৰ জটিল তত্ত্ববোৰো সহজ-সৰল ৰূপত প্ৰকাশ পাইছে।

অসমৰ নৱ-বৈষ্ণৱ ধৰ্মত উপাস্য দেৱতাৰ উপাসনাৰ সৰ্বোত্তম পন্থা ভক্তি। কলিযুগ ঘোৰ অধৰ্মৰ যুগ। গতিকে এই যুগত তপ, জপ, যাগ-যজ্ঞ, তীৰ্থ, ব্ৰত আদি জটিল পন্থাতকৈ সহজ-সৰল ভক্তিৰ ওপৰত এই ধৰ্মই গুৰুত্ব আৰোপ কৰিছে। কিয়নো ভক্তি বিমুখ লোক সদায় মায়াৰ অধীন হৈ আত্মসত্তাক নিচিনে। কিন্তু ভক্তিযুক্ত লোকে ঈশ্বৰৰ কৃপাত আত্মস্বৰূপ উপলব্ধি কৰিবলৈ সক্ষম হয়। একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ এই ব্যাখ্যা মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা'ত পাতে পাতে বিদ্যমান ঃ

'ভাগৱত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ-বন্ধ
এহিমানে গীতাৰ নিৰ্ণয়।'

ভক্তি সাধনত ভক্ত-ভগৱানৰ মাজত বিভিন্ন প্ৰকাৰৰ সম্বন্ধ পৰিলক্ষিত হয়। কোনোৱে ভগৱানক সখি, কোনোৱে পুত্ৰ, কোনোৱে স্বামী, কোনোৱে পিতা, কোনোৱে দাস বা কোনোৱে আত্মসমৰ্পণ কৰি ভগৱানৰ লগত সম্বন্ধ স্থাপন কৰি ভক্তি কৰে। অসমৰ বৈষ্ণৱ-পন্থাত ভক্তই নিজকে ঈশ্বৰৰ দাসৰূপে গণ্য কৰি মুক্তিকো কামনা নকৰে। মহাপুৰুষ মাধৱদেৱ আছিল দাস্যভাৱৰ প্ৰতিমূৰ্তি। সেইবাবে তেওঁ মুক্তি সুখকো বাঞ্ছা নকৰি দেৱ যদুপতিৰ নামত আত্ম-বিলোপ কৰি ৰসসিক্ত ভক্তিহে বাঞ্ছা কৰে ঃ

'মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।'

ড° বাণীকান্ত কাকতিৰ ভাষাত 'এপিনে যেনেকৈ মাধৱদেৱে নিজৰ ৰচিত গীত, নাটক আদিত বাৎসল্য ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে, আনপিনে তেনেকৈ নামঘোষাতো হৃদয়ৰ ভক্তিৰ আবেগ ঢালি দি দাস্য-ভাৱক কবিত্বৰ চৰম সীমালৈ লৈ গৈছে। বাৎসল্য ৰসৰ উদায়চলত আবিৰ্ভূত হৈ দাস্য ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্ৰতিভা মাৰ গৈছে।' মাধৱদেৱৰ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট্য আত্ম-লঘিমা। বৈষ্ণৱ কবিসকলৰ কাব্যবোৰত চকু ফুৰালে দেখা যায় তেওঁলোকৰ ভণিতাত গৌৰৱসূচক উপাধি একোটা থাকে। আনকি মহাপুৰুষ শংকৰদেৱৰ নামৰ আগত কায়স্থ শব্দ একোটা দেখা যায়; কিন্তু মাধৱদেৱৰ নামৰ আগত বিশেষণ শব্দ 'দীন' বা 'মূৰুখমতি' পৰিদৃশ্যমান ঃ

'দীন অনাথক তুমি কৃপাময়
চৰণে কৰা উদ্ধাৰ।'

অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ চাৰিটা লাই খুঁটা হ'ল- নাম, দেৱ, গুৰু আৰু ভকত। ভক্তি-সাধনা প্ৰক্ৰিয়াৰ ফালৰ পৰা এই তত্ত্বৰ ক্ৰম এনেদৰে কৰা হৈছে (ক) গুৰু, (খ) দেউ, (গ) নাম আৰু (ঘ) ভকত।

ভক্তিমাৰ্গত গুৰুৰ স্থান সৰ্বোচ্চ। 'হৰিৰ ভকতি গুৰু সেৱা বিনে নাই।' গুৰুৰ কাম শিষ্যক ইষ্টদেৱতাৰ সন্ধান দিয়াৰ। সেয়েহে শিষ্য বা ভকতে পোনতে গুৰুতহে ভৰসা ৰাখি তেওঁৰ সেৱা-শুশ্ৰূষা কৰি ভক্তি কৰিব লাগে। নৱ-বৈষ্ণৱ ধৰ্মত গুৰু সেৱাৰ পাছতহে উপাস্য দেৱতাৰ উপাসনা হয়। মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা'তো ঠায়ে ঠায়ে গুৰু শংকৰদেৱৰ প্ৰতি ভক্তিৰ নিদৰ্শন সিঁচৰতি হৈ আছে-

'শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহাত বিনায় নাহি নাহি নাহি
আমাৰ পৰম গুৰু।'[৩৭৫]
'হৰি-ভক্তি দান দিয়া জগতকে
তাৰিলা সংসাৰ-সিন্ধু
হেনয় কৃপালু শংকৰ বিনাই
নাহি নাহি আন বন্ধু।'[৩৭৩]

নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰধান উপাস্য দেৱতা শ্ৰীকৃষ্ণ। বেদান্তৰ অদ্বৈতবাদ এই ধৰ্মৰ মূল ভেটি। গতিকে ৰাম বা কৃষ্ণৰ নাম লৈ অবিদ্যাৰ মোহমুক্ত হৈ পৰমসত্তা পৰমাত্মাৰ পদ লাভ কৰিব পাৰি। 'ভগৱদ-গীতা'ৰ বক্তা, অৰ্জুনক বিশ্বৰূপ দৰ্শন কৰাওতা আৰু 'ভাগৱত পুৰাণে' 'কৃষ্ণস্তু ভগৱান স্বয়ং' বা 'পূৰ্ণ অৱতাৰ' বুলি কোৱা বসুদেৱ-দৈৱকীৰ পুত্ৰ কৃষ্ণই অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ একমাত্ৰ উপাস্য দেৱতা। এই অনাদি অ ন ন্ত কৃষ্ণতকৈ শ্ৰেষ্ঠ দেৱতা নাই- এই মূল সুৰ 'নামঘোষা'ত বাৰে বাৰে ধ্বনিত হৈছে-

'অনাদি অনন্ত অচিন্ত ঈশ্বৰ
তুমিসে নিত্য নিৰ্মল।
গুচায়ো কুমতি ভজোহো কেৱলে
তোমাৰ পদ-কমল।'[৩৬৮]

সেই কাৰণেই ড° কাকতিয়ে মন্তব্য কৰিছে- 'নামঘোষাত প্ৰধানতঃ তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ-সাগৰৰ ফালে প্ৰৱাহমান হৈছে- পুণ্য শ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি-মাহাত্ম্য।'

নৱ-বৈষ্ণৱ ধৰ্মত নৱবিধ ভক্তিৰ ভিতৰত ঈশ্বৰৰ কীৰ্তন আৰু শ্ৰৱণ ভক্তিয়েই শ্ৰেষ্ঠ। বৈষ্ণৱ ধৰ্মত ভক্তি যিদৰে উপাসনাৰ প্ৰশস্ত পথ, সেইদৰে উপাস্য দেৱতাৰ প্ৰতি অন্তৰত ৰসময়ী ভক্তি হ'বৰ কাৰণে নাম-কীৰ্তিনেই উৎকৃষ্ট পন্থা। কলিযুগত পাপৰ পৰা নিস্তাৰ হ'বলৈ পালে নাম-কীৰ্তনেই চৰম মাৰ্গ। 'নামঘোষা'ত শ্ৰৱণ-কীৰ্তনে বিশিষ্ট স্থান অধিকাৰ কৰিছে-

'শ্ৰৱণ কীৰ্তন কৰি মহাসুখে
পাপীও সংসাৰ তৰে।'

একশৰণ বৈষ্ণৱ ধৰ্মত ভক্তৰ স্থান অপৰিহাৰ্য। একনিষ্ঠ ভকতৰ দৰ্শন বা সংগই মন পবিত্ৰ কৰে। ঈশ্বৰৰ প্ৰতি মনত গভীৰ শ্ৰদ্ধা-ভক্তি জন্মায়। ঐকান্তিক ভক্তি দৃঢ় হয়। 'নামঘোষা'ৰ 'আত্ম-উপদেশ' অধ্যায়ত মাধৱদেৱে অন্তৰেন্দ্ৰিয় মন, চিত্ত, বুদ্ধি, অহংকাৰ আৰু জ্ঞানেন্দ্ৰিয় জিহ্বা আৰু কৰ্ণৰ বিষয়ে যি উক্তি কৰিছে তাৰ মাজেদি তেওঁৰ ঐকান্তিক ভক্তিৰ গাঢ়তা ফুটি উঠিছে। কৃষ্ণ নাম পৰম মংগলময় বুলি দৃঢ় সংকল্পবদ্ধ হৈ সেই অমৃত নাম স্মৰণ কৰি শ্ৰৱণ, কীৰ্তন আৰু উপলব্ধি কৰিবলৈ মাধৱদেৱে নিজৰ ইন্দ্ৰিয়সমূহক আহ্বান কৰিছে-

'হে জিহ্বা তক্ৰি সদা আম্মাত নিৰ্দ্দয়া ভৈলি
কেনে নোবোলস ৰাম-বাণী।'
'হে মন তোৰ কাম সংকল্প-বিকল্প-ধৰ্ম
তেজি মিছা ব্যাপাৰ সকল।
সদায়ে সংকল্প মাত্ৰ কৰিয়ো সুহৃদ মন
কৃষ্ণ-নাম পৰম মংগল।'[১০৪]

ঐকান্তিক ভক্তিয়ে ভক্তক ভগৱানৰ ওচৰ পোৱায়। হৰি ভক্তিত জাতি-অজাতিৰ ভেদ নাই। এজন হৰিভক্ত চণ্ডালো ভক্তিহীন ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ। 'নামঘোষা'ত আছে-

'পৰম নিৰ্মল ধৰ্ম হৰি-নাম-কীৰ্তনত
সমস্তে প্ৰাণীৰ অধিকাৰ।'

'নামঘোষা' মাধৱদেৱৰ স্বয়ং সত্তাৰ সম্পূৰ্ণ প্ৰকাশ। একশৰণ নামধৰ্মত বা ভাগৱতী বৈষ্ণৱ ধৰ্মত 'নামঘোষা'ই এখন বিশিষ্ট স্থান দখল কৰি আছে। ড° কাকতিৰ ভাষাত, 'নামঘোষাই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধৰ্মৰ মাহাত্ম্য প্ৰতিষ্ঠাপক গ্ৰন্থ নামঘোষাত বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই।' □

'' অকল কথাৰ যোলাই কবিতা নহয় । কবিতা মানৱৰ মৌন হিয়াৰ ব্যথা-বেদনাৰ অনুভূতিৰ মূৰ্ত বিকাশ ।''
- নলিনীবালা দেৱী

# টাইটানিক

○ ধীৰেন দাস
স্নাতক দ্বিতীয় বৰ্ষ

বিশ্ববাসীৰ প্ৰথম, স্মৰণীয় তথা কৌতূহলী ঘটনা হৈছে টাইটানিক। ঘটনাটো প্ৰায় ৮৮ বছৰৰ পূৰণি। দিনটো আছিল ১৯১২ চনৰ ১৪ এপ্ৰিল, সোমবাৰ। টাইটানিক ১৫৩১ গৰাকী যাত্ৰীৰ মৃত্যুৰ এক কৰুণ কাহিনী আৰু বেদনাদায়ক ইতিহাস।

ব্ৰিটিছ অভিযান্ত্ৰিক তথা প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানৰ অধিকাৰী তথা সমগ্ৰ বিশ্বৰ ধনকুবেৰসকলৰ গৰ্ব-অহংকাৰৰ প্ৰতীক এখন বিলাস বৈভৱপূৰ্ণ জাহাজ হৈছে টাইটানিক। টাইটানিক প্ৰাক্কালৰ মানৱ সৃষ্টিৰ এক অভূতপূৰ্ব বিস্ময়।

দক্ষিণ-পূব ইউৰোপৰ এখন দেশৰ নাম গ্ৰীচ। দেশখনৰ নাম অনুসৰি ইয়াৰ অধিবাসীসকলক বোলা হয় গ্ৰীক। আকৌ, দেশখনতে বিশ্বৰ বিখ্যাত বৈজ্ঞানিক তথা দাৰ্শনিক চক্ৰেটিছ, এৰিষ্টটল, প্লেটো আদি মহান ব্যক্তিসকল। ভাৰতীয় হিন্দুসকলৰ দৰে গ্ৰীকসকলেও বহু দেৱ-দেৱী মানে। তেওঁলোকৰ বিশ্বাস অনুসাৰে দেৱতাসকলৰ ৰজাৰ নাম জিউচ। ভাৰতীয় হিন্দুসকলে যাক বিশ্বকৰ্মা বোলে, গ্ৰীকসকলৰ মতে তেওঁৰ নাম হৈছে টাইটানিক। যাৰ সম্পূৰ্ণ নাম আছিল ৰয়েল মেল ষ্টিমাৰ টাইটানিক।

কুৰিশতিকাৰ আৰম্ভণিৰ কথা। সেই সময়ত বিশ্বত যোগাযোগ আৰু যাতায়াত ব্যৱস্থা বৰ্তমানৰ দৰে সুচল নাছিল। উৰাজাহাজ ১৯০৩ চনত আৱিষ্কাৰ হ'লেও আজিৰ দৰে সহজলভ্য হোৱা নাছিল। বৰং সাধাৰণ মানুহৰ বাবে তেতিয়াই উৰাজাহাজ আছিল বিস্ময় আৰু আতংকৰ বস্তু। সেই সময়ত জলযান বা পানী জাহাজ আৰু ৰে'লগাড়ীয়ে আছিল পৰিবহণৰ গ্ৰহণযোগ্য মাধ্যম।

কুৰি শতিকাতে আয়াৰলেণ্ডৰ বিখ্যাত 'হেৰল্ড এণ্ড উলফ' কোম্পানীৰ নিৰ্মাণ সংস্থা 'হোৱাইট ষ্টাৰ লাইনে' এখনি বিজ্ঞান সুদৃশ্য তথা বিলাসী জাহাজ টাইটানিক নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰে। তাৰ পিচত সেই আঁচনিটোক যথাৰ্থভাৱে বাস্তৱায়িত কৰাৰ উদ্দেশ্যে বিশ্বৰ বিভিন্ন প্ৰযুক্তিবিদ আৰু কাৰিকৰৰ হতুৱাই ১৯০৭ চনত সেই সুবিশাল টাইটানিক জাহাজখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰি তোলে।

প্ৰযুক্তিবিদ তথা কাৰিকৰসকলৰ নিয়াৰিকৈ কৰা ছবছৰ ধৰি কঠোৰ পৰিশ্ৰমৰ ফলত ২৭৫ মিটাৰ দৈৰ্ঘ্যৰ ৩৫ মিটাৰ প্ৰস্থ আৰু ৬০ হেজাৰ টন ওজনৰ এখন সুবিশাল জাহাজ নিৰ্মাণ হৈ উঠিল। এই বিশাল জাহাজখনক পানীৰ ওপৰত ওপঙাই ৰাখিবলৈ খোলাৰ ভিতৰত ১৬টা এয়াৰ চেম্বাৰৰ ব্যৱস্থা কৰিছিল। আনহাতে, টাইটানিকৰ খোলাৰ ইস্পাতৰ পাতসমূহৰ জোৰা লগাবলৈ ৩০ লাখতকৈও অধিক লোহ ৰিভেট ব্যৱহাৰ কৰা হৈছিল।

কঠোৰ পৰিশ্ৰমৰ ফলত ব্ৰিটিছ প্ৰযুক্তিবিদসকলে ১৯১২ চনত টাইটানিকৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তোলা টাইটানিকৰ গতিবেগ নিৰ্ধাৰণ কৰা হৈছিল প্ৰতিঘণ্টাত ২২ নট। পিচে দিনৰ ভাগত সূৰ্যৰ পোহৰতো প্ৰতি ঘণ্টাত ১৪/১৫ নটতকৈ অধিক বেগেৰে জাহাজ চলোৱাটো যুগুত নহয় বুলি ধাৰণাও কৰা হৈছিল।

পানীৰ ওপৰত ভাসমান অৰ্থাৎ পানীৰ ওপৰত ওপঙি থকা এয়াৰ মহলা উচ্চতাৰ এখন জাহাজ। সেই বিশাল, সুদৃশ্য জাহাজৰ লগত যেন মানিব পৰা বিশ্বৰ সেই সময়ত আন এখন বিলাসবহুল জাহাজ সমগ্ৰ পৃথিৱীৰ বুকুত ক'তো নাছিল। এই অভূতপূৰ্ব অতুলনীয় টাইটানিক নিৰ্মাণত কোম্পানীটোৰ মুঠ খৰচ হয় ৭৫ লাখ ডলাৰ।

১৯১২ চনত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পিচত কোম্পানীটোৱে গ্ৰীক বিশ্বকৰ্মাৰ নাম অনুসৰি জাহাজখন নামকৰণ কৰে টাইটানিক। প্ৰচুৰ টকা-পইচা খৰচ কৰি টাইটানিকৰ নিৰ্মাতা সংস্থাটোৱে জাহাজখনৰ ভিতৰভাগ অতি আকৰ্ষণীয়কৈ সজাই তোলে। অকল জাকজমকতাই নহয়, কোনো কাৰণতে যাতে দীঘলীয়া সাগৰীয় যাত্ৰাৰ সময়ত কোনো অস্বস্তিবোধ নকৰে বা আমনি নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখি টাইটানিকৰ কৰ্তৃপক্ষই জাহাজৰ ভিতৰতে হোটেল, বাৰ, চেলুন, নাচ-ঘৰ, ছুইমিংপুল, উদ্যান, নাট্যশালা, খেলপথাৰ, চিকিৎসালয়, পুথিভঁৰাল ইত্যাদিৰ ব্যৱস্থা কৰি টাইটানিকখন এক ৰম্যপুৰীৰ দৰে সজাই তুলিছিল। টাইটানিকৰ প্ৰধান তথা মুখ্য ডিজাইনাৰ আছিল এণ্ড্ৰুজ চাহাব। তেওঁৰ আৰ্হি অনুসৰিয়েই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়ত অভিযন্তা আৰু কাৰিকৰসকলে স্বৰ্গৰ প্ৰতিৰূপ স্বৰূপ টাইটানিক নিৰ্মাণ কৰিছিল।

১৯১২ চনত টাইটানিক সম্পূৰ্ণ হোৱাত বিশ্বৰ





সমগ্ৰ প্ৰান্তৰ পৰা প্ৰকাশিত কাকত-আলোচনীত টাইটানিকৰ কথাই প্ৰকাশিত হ'বলৈ ধৰে। 'ষ্টাৰ লাইন' নামৰ টাইটানিকৰ কৰ্তৃপক্ষ সংস্থাটোৱে 'ইংলেণ্ডৰ চাউদাম্পট বন্দৰৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক বন্দৰ' অভিমুখে বিলাসী জাহাজখনৰ প্ৰথমটো যাত্ৰা নিশ্চয় কৰে। এই যাত্ৰাৰ বাবে তেওঁলোকে ১৯১২ চনৰ ১০ এপ্ৰিলৰ দিনটোক নিৰ্ধাৰণ কৰিলে। তাৰ পিচত টাইটানিকত পৰ্যটনপ্ৰিয় বিত্তশালী ব্যক্তিয়ে যাতে টাইটানিকৰ শুভাৰম্ভৰ যাত্ৰী হ'ব পাৰে তাৰবাবে সবিশেষ জনাই বাতৰি কাকত তথা অন্য ঠাইত বিজ্ঞাপন প্ৰকাশ কৰে।

বিভিন্ন ঠাইত টাইটানিকৰ যাত্ৰাৰ শুভাৰম্ভৰ বিষয়ে বিজ্ঞাপন প্ৰকাশ পোৱাৰ পিচত ধনকুবেৰ লোকসকলে আটলাণ্টিক মহাসাগৰত টাইটানিক যাত্ৰী হৈ জীৱনৰ উঁৱাল মধুৰ স্মৃতিৰে ওপচোৱাৰ উদ্দেশে আসন সংৰক্ষণ কৰাত ব্যস্ত হয়। ফলত অতি কম সময়ৰ ভিতৰতে টাইটানিকৰ প্ৰথম সমুদ্ৰযাত্ৰাৰ সকলো বিলাক টিকট বিক্ৰী হৈ যায়।

টাইটানিকত যাত্ৰীসকলৰ সুখ-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ষ্টাৰ লাইন নামৰ সংস্থাটোৱে ইচ্ছুক যাত্ৰীসকলে যাতে নিজৰ সামৰ্থ্য অনুসাৰে পৰ্যটনৰ বাবে জাহাজত আসন সংৰক্ষণ কৰিব পাৰে তাৰ উদ্দেশ্যে যাত্ৰীৰ আসনসমূহক তিনিটা শ্ৰেণীত ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীত ভাগ কৰিলে। আকৌ, তিনিওটা শ্ৰেণীৰ আসন অনুসৰি তাৰ টিকটৰ মূল্যও থিৰাং কৰা হয়। কোম্পানীটোৱে প্ৰথম শ্ৰেণীৰ কেবিনৰ বাবে ৩,১০০ ডলাৰ আৰু তৃতীয় শ্ৰেণীৰ বাবে ডেকত ভাড়া ৩২ ডলাৰ বুলি থিৰাং কৰা হৈছিল।

সকলোবোৰ আয়োজন সম্পূৰ্ণ হোৱাৰ পিচত মুঠ ৩২০০ গৰাকী যাত্ৰী আৰু বেইবাজন কৰ্মচাৰীৰ সৈতে টাইটানিকে কেপ্তেইন স্মিথৰ পৰিচালনাত ১৯১২ চনৰ ১০ এপ্ৰিলৰ দিনটোত 'ইংলেণ্ডৰ চাউদাম্পটন বন্দৰৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক নগৰ' অভিমুখে প্ৰথমবাৰৰ বাবে সমুদ্ৰ যাত্ৰাৰম্ভ কৰে।

টাইটানিকৰ সেই ঐতিহাসিক অভিযাত্ৰাৰ যাত্ৰী আছিল ধনকুবেৰ কৰ্ণেল এষ্টাৰ আৰু তেওঁৰ পত্নী, আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ উপদেষ্টা মেজৰ আৰ্কিড বোট, এটি জাহাজ নিৰ্মাণ কোম্পানীৰ পৰিচালন সঞ্চালক কচ ইচবেক আদি ধনকুবেৰৰ লগতে সৌভাগ্যৰ অন্বেষণত আমেৰিকালৈ ধন ঘটিবলৈ যোৱা সাতশজন সাধাৰণ যাত্ৰী।

টাইটানিকে মহাসাগৰৰ শীতল নীলা জলৰাশিৰ ওপৰত ওপঙি থকা সময়কলৰ দৃশ্যটো পৃথিৱীৰ ভিতৰতে এক ঐতিহাসিক অভূতপূৰ্ব অতুলনীয় দৃশ্য বুলি ক'ব পাৰি। টাইটানিকৰ এই ঐতিহাসিক যাত্ৰাৰ দৃশ্য নিজ চকুৰে চাই হৃদয় পৰিতৃপ্ত কৰাৰ উদ্দেশে অগণন লোক আহি বন্দৰৰ পাৰত গোট খাইছিল। বন্দৰত উপস্থিত থকা জনসমুদ্ৰই মহাসাগৰৰ বুকুলৈ যাত্ৰা কৰাৰ সময়ত যাত্ৰীসকলক হাত বাউলি দি বিদায় সম্ভাষণ জনোৱাৰ লগতে টাইটানিকত ঐতিহাসিক যাত্ৰাৰ সফলতা কামনা কৰি অকুৰন্ত শুভেচ্ছা জ্ঞাপন কৰিছিল। টাইটানিক নিৰ্মাণ কোম্পানীটোৰ লগতে টাইটানিক চালক কৰ্মচাৰী তথা যাত্ৰীসকল সেই ঐতিহাসিক যাত্ৰাৰ অংশীদাৰ হ'বলৈ পাই সকলোৰে মন-প্ৰাণ ৰোমাঞ্চিত হৈ পৰিছিল। এক কথাত বিশ্বৰ সৰ্বশ্ৰেষ্ঠ বিলাসী জাহাজৰ প্ৰথম যাত্ৰাৰ যাত্ৰী হোৱাৰ সুবিধা পোৱাটো যাত্ৰীসকলৰ অতিশয় গৌৰৱৰ কথা।

১০ এপ্ৰিলৰ দিনা যাত্ৰা আৰম্ভ কৰা টাইটানিকে ৪টা দিন ভালদৰেই পাৰ কৰিলে। কোনোধৰণৰ বিপদ-বিঘিনি নোহোৱাকৈ ভাসমান টাইটানিকখনে আনন্দ-স্ফূৰ্তিত মচগুল হৈ থকা বিশ্বৰ ধনবান ব্যক্তিসকলক লৈ গন্তব্যস্থানৰ পিনে ধীৰে ধীৰে আগবাঢ়ি গৈছিল। সকলোৰে অগোচৰে বিধাতাই তেতিয়া কি ভাবিছিল, তাৰ আভাস কোনেও পোৱা নাছিল।

টাইটানিকৰ পৰিচালক কেপ্তেইন স্মিতে টাইটানিক পৰিচালনাৰ সময়ত সমুদ্ৰত চলি থকা বিভিন্নখন জাহাজৰ পৰা সাতটাবাৰ্তা পাইছিল। প্ৰতিটো বাৰ্তাই কেপ্তেইনক সজাগ হ'বলৈ সাৱধানবাণী দিছিল। কিন্তু টাইটানিকৰ গৰ্বিত কেপ্তেইনে কাৰো সাৱধানবাণীলৈ মন নিদিছিল। অথচ তেওঁ সামৰ্থ্যতকৈ অধিক বেগেৰে অৰ্থাৎ ঘণ্টাত ২৩ নটত টাইটানিক আগবঢ়াই লৈ গৈছিল। কিন্তু আইচবাৰ্গ থকা সমুদ্ৰত ১৪/১৫ নটতকৈ অধিক বেগেৰে জাহাজ চলোৱা নিষেধ আছিল।

১৯১২ চনৰ ১৪ এপ্ৰিলত প্ৰায় ১০ বজাত টাইটানিক গৈ উত্তৰ আটলাণ্টিকৰ নিউফাউণ্ডলেণ্ডৰ ওচৰত উপস্থিত হয়। আৰু তাতে পানীৰ গভীৰতাত লুকাই থকা আইচবাৰ্গৰ গাত প্ৰতি ঘণ্টাত ২৩ নট গতিৰে গৈ থকা টাইটানিকে খুন্দা মাৰি দুৰ্ঘটনাত পতিত হয়।

টাইটানিকৰ কেপ্তেইন স্মিথৰ গৰ্বিত মনোভাৱৰ কাৰণে টাইটানিকে গৈ বিশাল আইচবাৰ্গত খুন্দা মাৰিলে । টাইটানিকে হিমশৈলৰ লগত খুন্দা মৰাৰ ফলত টাইটানিকৰ কিছুমান অংশ ভাগি গ'ল। টাইটানিকৰ ভগা অংশৰে হো-হোৱাই পানী সোমাই অহাৰ ফলত এটা সময়ত জাহাজৰ পিচ অংশ আৰু তাৰ পিচত সন্মুখৰ অংশ হিম-শীতল জলৰাশিৰ মাজত ডুব গ'ল। সাগৰৰ শীতল জলৰাশিৰ বুকুত সৃষ্টি হ'ল প্ৰকাণ্ড চাকনৈয়াৰ। গৰ্বিত টাইটানিকত ইমান দিনে আনন্দত মচগুল হৈ থকা সমূহ যাত্ৰীৰ খন্তেকতে পানীত হাঁহাকাৰ অৱস্থা হৈ পৰিল।

উক্ত টাইটানিক দুৰ্ঘটনাত পতিত হোৱাৰ সময়ত

নিশা ১০ বাজি ২৩ মিনিট গৈছিল। সেই সময়ত টাইটানিকত মাত্ৰ ১৬টা লাইফ বোট আছিল। তাৰ ফলত টাইটানিকৰ মুঠ ৩২০০ গৰাকী যাত্ৰীৰ ভিতৰত ১৬৮৭ গৰাকী লাইফবোট তথা টাইটানিকৰ ভিতৰত থকা বিভিন্ন কাঠৰ টুকুৰাৰ জৰিয়তে নিজৰ জীৱন ৰক্ষা কৰিলেও বাকী থকা ১৫১৩ গৰাকী দুৰ্ভগীয়া যাত্ৰীয়ে জীৱতে মহাসাগৰৰ হিম-শীতল জলৰাশিক সাৱটি ল'লে। গৰ্বিত মানুহৰ অহংকাৰৰ বাবেই টাইটানিকে শেষ নিশ্বাস ত্যাগ কৰিলে, ১৯১২ চনৰ ১৪ এপ্ৰিলৰ নিশা ১০ বাজি ২৩ মিনিটত আটলাণ্টিক মহাসাগৰৰ ১৩,০০০ ফুট গভীৰতাত।

মানুহৰ অহংকাৰৰ ফলত নিৰ্মিত টাইটানিকৰ ১৯১২ চনৰ ১০ এপ্ৰিলৰ যাত্ৰা আৰম্ভ কৰা অতুলনীয় ঐতিহাসিক দৃশ্যটো তথা উক্ত চনৰে ১৪ এপ্ৰিলৰ নিশা হোৱা টাইটানিকৰ দুৰ্ঘটনাই আজিও মানুহৰ মনত কৌতূহলৰ সৃষ্টি কৰি আছিছে। ব্ৰিটিছ অভিযন্ত, প্ৰযুক্তিবিদসকলৰ কিছুমানৰ সামান্য ভুল তথাৰ ফলত টাইটানিকৰ সেই অতুলনীয় দুৰ্ঘটনা হ'বলৈ পালে। আৰু সেই দুৰ্ঘটনাৰ সময়তে গৰ্বিত প্ৰযুক্তিবিদৰ লগতে এখন সুবিশাল, সুদৃশ্য বৈভৱপূৰ্ণ টাইটানিকৰ অন্ত পৰিল। □

*শ্ৰম নকৰি ভাত মোকোলোৱাৰ কাৰো অধিকাৰ নাই। শ্ৰম নকৰি আহাৰ খোৱা সকল, চোৰ কৰি আহাৰ খোৱাৰ দৰে।*

- যীশুখ্ৰীষ্ট

*ঈশ্বৰৰ নাম অনেক আছে। কিন্তু তাৰ ভিতৰতে অন্বেষণ কৰিলে এটি মাত্ৰ নাম পাবা-সৎ,সত্য। সেই কাৰণেই সত্যইহে ভগৱান।*

- মহাত্মা গান্ধী

*আমাক সেই শিক্ষা লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শান্তি বাঢ়ে। মেধা বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিৰ ওপৰত নিজে থিয় দিব পাৰে।*

- স্বামী বিবেকানন্দৰ

*অৰ্থ নকৰা হেজাৰ শব্দ থকা বাক্যতকৈ অৰ্থ এটি বাক্যও ভাল। সুন্দৰ ৰং মনোহৰ গোন্ধৰ এপাহ ফুলে যি দৰে সন্তোষ দিয়ে, সৎ ভাব থকা এটি বাক্যইও তেনেদৰে মানুহক তৃপ্তি দিব পাৰে।*

- বুদ্ধদেৱ

*নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ, তেওঁ অসৎ। আনৰ প্ৰসংসা পোৱাটোৱেই যাৰ জীৱনৰ লক্ষ, তেওঁ দুৰ্বল। আনৰ সুখেই যাৰ লক্ষ, তেওঁ সৎ।*

- টলষ্টয়

*নিজৰ প্ৰতিবেশিক ভাল পোৱাতকৈ সমগ্ৰ মানৱ জাতিক ভাল পোৱাতো বেছি সহজ।*

- এৰিক হ'ফাৰ

*আটাইতকৈ সুখী মানুহ কোন? যি মানুহে আনৰ প্ৰতিভাৰ মোল বুজে আৰু আনৰ আনন্দক নিজৰ আনন্দৰ দৰেই উপভোগ কৰে।*

- গেটে





# আত্মবিশ্বাস, বন্ধুত্ব আৰু সমাজক লৈ অভিভাৱকসকল সতৰ্ক নে ??

○ বঞ্জিতা পাঠক
স্নাতক তৃতীয় বৰ্ষ (কলা)

জীৱনপথত দক্ষতাৰে আগবাঢ়ি যাবলগা হ'লে প্ৰয়োজন সাধনা ; আৰু এই সাধনাৰ ওপৰত একাগ্ৰতা নতুবা আস্থা। এই আস্থা বা বিশ্বাস মন আৰু আত্মাৰ। সফলতাৰে জীৱনক মেৰ খুৱাব পৰা যায় যদিহে আমাৰ উপলব্ধিত আত্মবিশ্বাস অটুট থাকে। যিহেতু আত্মবিশ্বাস জীৱনৰ এক মহাৰ্ঘ্য অস্ত্ৰ।

যিকোনো কাৰ্যৰ সাফল্য পাব লাগিলে কঠোৰ পৰিশ্ৰমৰ দৰকাৰ। যিসকল ব্যক্তিয়ে ইতিহাসত নাম সংৰক্ষিত কৰিবলৈ সমৰ্থ হৈছে তাৰ মূলতে লুকাই আছে কঠোৰ শ্ৰম আৰু গভীৰ আত্মবিশ্বাস। জীৱনত কেতিয়াও আত্মবিশ্বাসৰ অভাৱ অনুভৱ কৰিব নালাগে, অন্যথাই জীৱনৰ সঠিক পথৰ পৰা বিচলিত হোৱা দেখা যায়। তাৰ পৰিণতিস্বৰূপে নানা সমস্যাই জীৱনটো জুৰুলা কৰে।

আত্মবিশ্বাস দৃঢ় হ'লে মানুহে পৰিকল্পনা কৰা মনোভাৱবোৰৰ নিয়াৰিকৈ গতি লাগে আৰু বাস্তৱ ক্ষেত্ৰত তাৰ অস্তিত্বৰ স্বৰাংশখিনিয়ে জীৱনত মধুৰতাৰ সুগন্ধি বিলায়।

আমি যদি লক্ষ্য কৰো কেতিয়াবা এনেধৰণৰ ঘটনা পৰিলক্ষিত হয়; উদাহৰণস্বৰূপে খুব চোকা ছাত্ৰ/ছাত্ৰী এগৰাকীয়ে পৰীক্ষাত ভাল ফল দেখুৱাব পাৰিম বুলি মনটো দৃঢ় কৰে, কিন্তু ফলাফল দিয়া দিনলৈ সেই একেটা মনক নানা চিন্তাই আগুৰি ধৰে, কি হ'ব কি নহ'ব ইত্যাদি চিন্তা কৰি একো উপায় নাপাই শেষত আত্মহত্যা কৰে। ইয়াৰ পৰা এয়াই বুজা যায়, আত্মবিশ্বাস হেৰুৱাই মনক দুৰ্বলতাৰ ওচৰত আশ্ৰয় দিছে। ইয়াৰ বাদেও আন বহুধৰণৰ উদাহৰণ আত্মবিশ্বাস হেৰুৱাৰ বাবে ঘটা দেখা যায়।

বন্ধুত্বও ঠিক এনে এটা শব্দ, যাৰ জন্ম বিশ্বাসৰ পৰিণতি স্বৰূপে ঘটে। বন্ধুত্বত কোনো বয়স, লিংগ বা সময়ৰ প্ৰশ্ন আহিব নোৱাৰে। বন্ধুত্ব সকলোৰে লগত সম্ভৱ। নাৰী বা পুৰুষ বুলিও কোনো প্ৰভেদ নাই। ই মাথোঁ অন্তৰৰ বিশ্বাস। পিতৃ-মাতৃৰ যি কোনো এজন যেনেদৰে সন্তানৰ বাবে ভাল বন্ধু হ'ব পাৰে, তেনেদৰে এগৰাকী নাৰীৰ বাবেও এজন আদৰ্শীয়া লোক বন্ধু হ'ব পাৰে। বন্ধুত্বক দৰাচলতে বিশ্বাসৰ কবলত ৰখাটো সমাজ সচেতনাতে পৰে।

কিন্তু বন্ধুত্বৰ নামত আজিকালি অবৈধ ঘটনা ঘটি থকাটোও অস্বীকাৰ কৰিব নোৱাৰি। কিছুমানে ভাবে এগৰাকী ছোৱালীৰ লগত এজন ল'ৰা বন্ধু হ'বই নোৱাৰে। কিন্তু এয়া ভ্ৰান্ত ধাৰণা, যাৰ ফলত সেই যুৱক-যুৱতীহালে লুকুৱাওতে নিজকে বহুধৰণৰ পৰিস্থিতিৰ সৈতে খাপ খুৱাব লগাত পৰে। যাৰ ফলত সৃষ্টি হয় এক অবাঞ্চিত প্ৰশ্ন আৰু শেষত অবৈধ কিছুমান ঘটনাৰ সন্মুখীন হয়। সেয়ে বন্ধুত্বক সন্দেহৰ চকুৰে চাব নালাগে; বন্ধুত্বক সন্দেহ কৰিলে ইয়াৰ সৌন্দৰ্য হ্ৰাস পায়।

বন্ধুত্বক সঁচা অৰ্থত পূজাৰ নিৰ্মালি বুলি ভাবিব লাগে। বন্ধুত্বক পবিত্ৰ হৃদয় দান কৰিব পাৰিলে সেই বন্ধুত্ব আত্মবিশ্বাসেৰে যুগমীয়া হয়। প্ৰকৃত বন্ধুৱেহে বিপদৰ পৰা মুক্ত কৰিব পাৰে। আনকি, শৈক্ষিক জীৱনৰ উপৰি বিভিন্ন জটিল সমস্যা সম্পৰ্কেও নানা সমিধান দিব পাৰে। নিঃস্বাৰ্থ বন্ধুত্বই বিশ্বাসঘাতকতা কৰিব নোৱাৰে। অৰ্থাৎ বন্ধুত্বই ত্যাগ কৰে; কিন্তু কোনোদিনে দাবী নকৰে।

আমাৰ সমাজত এতিয়াও এচাম অভিভাৱক আছে যিয়ে বন্ধুত্বক সহজভাৱে ল'ব নোৱাৰে বা এচামে বুজিকে নাপায়। এহাল যুৱক-যুৱতী দেখিলেই প্ৰেমিক-প্ৰেমিকা বুলি ধৰি লয় সেয়ে অভিভাৱকসকলে এনে চিন্তাৰ পৰা দূৰত থকাই ভাল। যদি বহল মন আৰু উচ্চ চিন্তাৰে এনে বন্ধুত্বক বিশ্লেষণ কৰে তেতে বন্ধুত্ব হৈ পৰে 'ফ্ৰেণ্ড-ফিল'ছ'ফাৰ এণ্ড গাইড'।

মানুহ সমাজপ্ৰিয়। সমাজ এৰি কেতিয়াও মানুহ থাকিব নোৱাৰে। গতিকে নিকাকৈ সমাজখন গঢ়া প্ৰতিজন ব্যক্তিৰে দৰকাৰ। জীৱনক আদৰ্শময় কৰি তুলিবলৈ, এটা জাতি আৰু সমগ্ৰ মানৱ সভ্যতাক উচ্চ চিন্তাৰে আগুৱাই নিবলৈ নিকা সমাজ এখনহে সফল হ'ব পাৰে।

সমাজৰ দুৰৱস্থা হ'লে আমি সভ্যতাক হাঁহো, কিন্তু সমাজক মেৰামতি কৰাত আমি কিমানে আগ্ৰহশীল সেই কথা উপলব্ধি কৰাৰ আজি যে কাৰো অৱকাশ নাই। সেয়ে সমাজ-সভ্যতা, ৰীতি-নীতি, আদি এটা আনটোৰ পৰিপূৰক। সমাজৰ লগত বন্ধুত্ব, আত্মবিশ্বাসৰ সম্পৰ্ক নিবিড়। এখন নিকা সমাজ গঢ়িবলৈ শিক্ষাৰ প্ৰয়োজন, শিক্ষাৰ মাজতে জ্ঞান থাকে। সমাজৰ মাজত আমি প্ৰতিজন ব্যক্তি সংৰক্ষিত। আৰু এই সমাজপ্ৰিয় মনোভাৱে আমাক ইজনে আনজনৰ প্ৰতি আন্তৰিক হ'ব শিকায়; বিশ্বাসী হ'বলৈ শিকায়। গতিকে আন্তৰিক হোৱাৰ আগতে বন্ধুত্ব হ'ব লাগিব; বন্ধুত্বৰ ভেটি দৃঢ় হয় আত্মবিশ্বাসৰ মাজেৰে। ইয়াৰ

পৰিধি খুবেই বিশাল, ইয়াক সমাজৰ মাজত ৰাখিব হ'লে দৃষ্টিভংগী উচ্চ মনোভাবৰ হোৱাটো খুবেই দৰকাৰ। তেতিয়াহে ইহঁতবোৰৰ সৈতে আমাৰ সম্পৰ্ক স্থায়ী হ'ব। আমি এখন নিকা সমাজ পাম। সমাজক মৰ্যাদা দিয়াটো সমাজত বাস কৰা প্ৰতিজন ব্যক্তিৰে দায়িত্ব।

আত্মবিশ্বাস, বন্ধুত্ব আৰু সমাজ- এইকেইটা শব্দ সভ্যতাৰ সৃষ্টি হোৱা দিনৰে পৰা প্ৰচলিত। কিন্তু কিয় জানো? বাৰে বাৰে আমাৰ মানসিক সৃষ্টি বা ধাৰণা থকাৰ পিচতো এইকেইটা শব্দ আজিও অৱহেলিত। কিন্তু এই অৱহেলা কৰে কোনে ? নিশ্চয় প্ৰতিজন অভিভাৱকে। তেওঁলোকে সন্তানক এই শব্দকেইটাৰ পৰিধিৰ বিষয়ে এটা মুক্ত ধাৰণা দিব লাগিব। সন্তানক সকলো কালৰ পৰা আওৰাই দিয়াত অভিভাক (পিতৃ-মাতৃ) সকলৰ কৰ্তব্যই প্ৰধান। কাৰণ, পিতৃ-মাতৃৰ পৰিবেশ আৰু একান্ত উৎসাহ-উদ্দীপনাই দিব পাৰে সন্তানসক ক এটা উচ্চ আকাংক্ষাৰে পৰিপূৰ্ণ জীৱন । □

আমি জীৱনটো যাপন কৰিবলৈ কেৱল মানুহে হওঁ, কিন্তু জীৱনটো প্ৰকৃততে কেতিয়াও যাপন নকৰো।

- এ'বাৰহন

নিৰ্ভাঁজ অসমীয়া ভাষাৰ কথা লিখিবা ,নিৰ্ভাঁজ অসমীয়া কাপোৰ পিন্ধিবা, অনাহকত বিদেশীক অনুকৰণ নকৰিবা।

- লক্ষ্মীনাথ বেজবৰুৱা

পৃথিবীত আটাইতকৈ সহজ কামটো হৈছে আনক সমালোচনা কৰা, সবাটোকৈ টান কামটো হৈছে নিজক সংশোধন কৰা।

- হেম বৰুৱা

''যি দেশৰ মানুহে নিজৰ জাতি আৰু ভাষা এৰে, সেই জাতি কোনোকালে তেজীয়াল হ'ব নোৱাৰে।''

- বেনুধৰ ৰাজখোৱা

'' নিজৰ কোনো কথা, চিন্তা বা কাৰ্যৰ দ্বাৰা আনৰ অশান্তি , অন্যায় অসন্তুষ্টি উৎপাদন নকৰাটোৰ নামেই চৰিত্ৰৰ পবিত্ৰতা।''

- অম্বিকাগিৰি ৰায়চৌধুৰী

'' ভাষা কেৱল সাহিত্যৰ সজুঁলি নহয়, ই জাতীয় জীৱন আৰু জাতীয় ইতিহাসৰ স্মৃতিচিহ্ন আৰু ই সমাজৰ উন্নতিৰ সঙ্কেত।''

- কালিৰাম মেধি





# চৰিত্ৰ ঃ মানৱ জীৱনৰ মূল ভেটি

○ ধনজিৎ ডেকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

চৰিত্ৰই হ'ল মানৱজীৱনৰ মূল ভেটিস্বৰূপ। এজন ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ পায় তেওঁৰ চৰিত্ৰৰ জৰিয়তে। ইংৰাজীত এষাৰ কথা আছে- 'Wealth is lost nothing is lost, Health is lost somthing is lost, but, character is lost everything is lost.' অৰ্থাৎ ধন-সম্পত্তি নষ্ট হ'লে বিশেষ হানি নহয়, সেইদৰে স্বাস্থ্য হানি হ'লে কিছু হানি হয়, কিন্তু চৰিত্ৰ হানি হ'লে সৰ্বস্বান্ত হ'বলগীয়া হয়। সেই মূল্যবান গুণটিয়ে হ'ল 'চৰিত্ৰ'। আমি দৈনন্দিন কৰি থকা কাৰ্যৰ মাজেদিয়েই অভ্যাস গঠন হয় আৰু এই অভ্যাসেই এদিন চৰিত্ৰত পৰিণত হয়গৈ। চৰিত্ৰসমূহক দুটা ভাগত ভাগ কৰা হৈছে- এবিধ সু-চৰিত্ৰ আৰু আনবিধ কু-চৰিত্ৰ। যদি এটি শিশুৱে সৰুৰে পৰা সত্য কথা ক'বলৈ শিকে, মাক-দেউতাক, শিক্ষক-শিক্ষয়িত্ৰীৰ উপদেশ মানি চলে, লগৰীয়াৰ লগত মিলি-জুলি থাকে, নিজৰ কৰ্তব্য নিয়াৰিকৈ কৰি যায়, তেন্তে তেওঁৰ এই সু-চৰিত্ৰৰ বাবে তেওঁ এজন চৰিত্ৰবান ব্যক্তিৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।

আনহাতে যদি এটি শিশুৱে বাল্যকালৰে পৰা মিছা কথা ক'বলৈ শিকে, শিক্ষক-শিক্ষয়িত্ৰী আৰু মাতৃ-পিতৃৰ হাক-বচন মানি নচলে, লগৰীয়াৰ লগত সততে কাজিয়া কৰে, তেন্তে কৰি অহা কু-কাৰ্যৰ বাবে সেই শিশুৰ লাহে লাহে কু-চৰিত্ৰ গঢ় লৈ উঠে।

যি শিশুৱে আনৰ বস্তুৰ প্ৰতি লোভ নকৰে, কিবা বস্তু হেৰাই পালেও সামৰি নথৈ গৰাকীক দিবলৈ চেষ্টা কৰে, দুখীয়া-নিচলা লোকক পুতৌ কৰে তেনে শিশুৱে ভৱিষ্যতত 'চৰিত্ৰবান' ব্যক্তি আখ্যা পাবলৈ সক্ষম হয়। তাকে নকৰি যদি আনৰ বস্তুৰ প্ৰতি আকৰ্ষিত হয়, কিবা বস্তু দেখিলে চোৰ কৰিবলৈ চেষ্টা কৰে বা ছলে-বলে নিজৰ কৰাৰ চেষ্টা কৰে, দুখীয়া-নিচলা লোকক পুতৌ কৰাৰ সলনি ঘৃণা কৰে , সেই শিশুৱে জীৱনত কু-চৰিত্ৰৰ কাৰণে উন্নতি কৰিব নোৱাৰে। তেওঁ কেতিয়াও চৰিত্ৰবান ব্যক্তিৰূপে আখ্যা পোৱাৰ যোগ্য নহয়।

ধূমপান আদি বাগিয়াল দ্ৰব্য। এই বাগিয়াল দ্ৰব্যৰ পৰা এটি শিশুৱে নিজকে দূৰত ৰখাৰ প্ৰয়োজন। তাকে নকৰি যদি এটি শিশুৱে সৰুৰে পৰা মদ, চিগাৰেট আদি বিষাক্ত দ্ৰব্য সেৱন কৰিবলৈ শিকে, সেই কু-অভ্যাসে এদিন তেওঁক বাগিয়াল বস্তুৰ অতল গৰ্ভলৈ টানি লৈ যাব য'ৰ পৰা উভতি আহিব নোৱাৰি অকাল মৃত্যুক সাবটিবলগীয়া হ'ব।

ঠগ-প্ৰবঞ্চনা কৰাটো অনুচিত। বহু লোকে এনে কৰে। কিন্তু 'মিছা কথাৰ ঠেং চুটি', বজাৰত টেঙা আম যেনেকৈ এবাৰহে বেচিব পাৰি ঠিক তেনেকৈ এজন ব্যক্তিয়ে মিছা কথা কৈ কাবোবাক ঠগিব পাৰে সঁচা। কিন্তু তেনেকৈ মিছা বুলি গম পালে তেওঁক কোনেও বিশ্বাস নকৰা হয়। আনকি বিপদত পৰিলেও তেওঁক কোনেও সহায় কৰিবলৈ আগবাঢ়ি নাহে।

আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক, দেশৰ ভৱিষ্যৎ। সেয়েহে শিশু অৱস্থাৰে পৰা এটি শিশুৰ প্ৰতি মাক-দেউতাক, শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ সকলো লোকে সতৰ্ক দৃষ্টি ৰাখিব লাগে। সু-অভ্যাসৰ জৰিয়তে দয়া, ক্ষমা, সাধুতা, নম্ৰতা, সততা আদি সজ গুণবোৰ শিশুক শিকাব লাগে। যদিহে সমাজত উচ্চ আসন লাভ কৰাৰ ইচ্ছা তেন্তে সু-চৰিত্ৰৰ গৰাকী হ'বই লাগিব। □

'' উঠা সাহসী হোৱা আৰু শক্তিশালী হোৱা । তোমাৰ নিজৰ ভাগ্যৰ নিজেই বিধাতা বুলি সকলো দায়িত্ব নিজৰ হাতত গ্ৰহণ কৰা, তোমাৰ প্ৰয়োজনীয় সকলো শক্তি আৰু সামৰ্থ্য তোমাৰ নিজৰ অন্তৰত আছে । নিজৰ ভৱিষ্যত নিজেই গঢ়ি তোলা ।''

- স্বামী বিবেকানন্দ

'' ব্যক্তিগত হিংসা, ঘৃণা, দ্বেষ আৰু আনুষঙ্গিক মিছা প্ৰতাৰণা বা প্ৰৱঞ্চনাৰ দ্বাৰা অৰ্জন কৰা কোনো বস্তুৱেই স্থায়ী হ'ব নোৱাৰে ।''

- গোপীনাথ বৰদলৈ

# আদি মানৱৰ সৃষ্টি [মাটিৰ পৰা]

○ মহঃ জাহিৰ আহমেদ
ছাত্ৰ জিৰণিকোঠা সম্পাদক
স্নাতক দ্বিতীয় বৰ্ষ

পবিত্ৰ কোৰাণৰ বৰ্ণনা মতে আদি মানৱ বা প্ৰথমজন মানুহক সৃষ্টি কৰা হৈছিল মাটিৰ পৰাই। এই মাটি আছিল এবিধ এঠাযুক্ত বোকা মাটি। সৃষ্টিকৰ্তা আল্লাই তেওঁৰ ফিৰিষ্টাৰ (দূত) দ্বাৰা প্ৰথমতে এই মাটিৰ পৰা এটি পুৰুষ মানুহৰ মূৰ্তি তৈয়াৰ কৰোৱায়। এই মানৱ মূৰ্তিটো শুকাই ঠনঠনীয়া হোৱাৰ পিছত আল্লাই তেওঁৰ নাকেৰে ৰূহ বা আত্মা ফুঁকি দিলে। লগে লগে সেই জীৱহীন মানৱ মূৰ্তিটো জীৱন্ত হৈ উঠিল। তেওঁৰ শৰীৰত ৰক্ত, মাংস, হাড়, ছাল, চুলি, নখ, চকু, দাঁত, জিভা আদি প্ৰয়োজনীয় অংগবোৰ আল্লাৰ হুকুমত আপোনা-আপুনি সতেজ আৰু সক্ৰিয় হৈ উঠিল। ইয়াৰ পিছত তেওঁৰ নাকত এটি দীঘলীয়া হাঁচি আহিল। হাঁচিটো মৰাৰ পিছত তেওঁৰ মাত ফুটিল, চকুৰে দেখা হ'ল, কাণেৰে শুনা হ'ল, ভৰিৰে খোজ কাঢ়িব পৰা হ'ল, জিভাৰে স্বাদ গ্ৰহণ কৰিব পৰা হ'ল, নাকেৰে ঘ্ৰাণ ল'ব পৰা হ'ল আৰু মনেৰে চিন্তা-কল্পনা তথা ভাবিব পৰা হ'ল। ইয়াৰ পিছত তেওঁক বেহেস্তৰ (স্বৰ্গ) বিনন্দীয়া বাগানত থাকিবলৈ দিয়া হ'ল। তেওঁ অকলে অকলে বেহেস্তৰ বাগানত ঘূৰি ফুৰিবলৈ ধৰিলে। তেওঁৰ কোনো লগৰীয়া নাছিল। এইদৰে অকলে থাকি তেওঁৰ ভাল নলগা হ'ল। তেওঁক এটা লগৰীয়া লাগে। কিন্তু কেনেকুৱা লগৰীয়া লাগে তেওঁ নিজেও নাজানে। তেতিয়া সৰ্বজ্ঞানী আল্লাই তেওঁক এটা লগৰীয়া দিলে। তেওঁৰ লগৰীয়াটো আছিল এজনী দীপলিপ সুন্দৰী। এই সুন্দৰীজনীক সেই মাটিৰ মানুহজন শুই থকা অৱস্থাত তেওঁৰ শৰীৰৰ এটি অংগৰ পৰা আল্লাই তেওঁৰ অসীম ক্ষমতাৰ দ্বাৰা সৃষ্টি কৰিলে। আৰু যেতিয়া মাটিৰ মানুহজন টোপনিৰ পৰা সাৰ পালে, তেতিয়া তেওঁৰ নিচিনাই হাত-ভৰি, নাক-মুখ, চকু-কাণ, ডিঙি-মূৰ, বুকু-পেট থকা এজনী দীপলিপ সুন্দৰী দেখা পালে। তেওঁ সুন্দৰীজনীৰ প্ৰতি আপোনা-আপুনি আকৰ্ষিত হৈ পৰিল। পিছত আল্লাই জিব্ৰাইল (আচ) নামৰ এজন স্বৰ্গীয় ফিৰিষ্টা (দূত) পঠিয়াই দি তেওঁলোক দুয়োৰে বিয়া পাতি দিয়ে। তেওঁলোকৰ নাম আছিল আদম আৰু হাৱা। আৰু তেওঁলোক দুয়োজনকে আদি মানৱ বুলি কোৱা হয়। খ্ৰীষ্টানসকলৰ ধৰ্মপুথি বাইবেলত আদমৰ ঘৈণীয়েকৰ নাম 'ইভ' বুলি উল্লেখ আছে। গতিকে আদি মানৱৰ নাম হ'ল আদম আৰু হাৱা বা আদম আৰু ইভ ।☐

> "যাক মৰমৰ শৰে বিন্ধিছে তেওঁহে মৰমৰ মোল বুজে।"
> "লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক পবিত্ৰ কৰাটো তাতকৈ বেছি বুদ্ধিমানৰ কাম।"
> "দোষ স্বীকাৰ কৰাতো ঠাই সৰা সোতৰ দৰে যি ঠাই ডোখৰক আগতকৈও পৰিষ্কাৰ কৰে।"
>
> \- মহাত্মা গান্ধী
>
> "নিজে সত্য বুলি প্ৰমাণ কৰি নোৱাৰাতকৈ কোনো কথাকেই সত্য বুলি গ্ৰহণ নকৰিবা।"
> "আদৰ্শ যদি ম্লান নহয়, আত্মা যদি স্বাধীন হৈ থাকে, তেন্তে ব্যৰ্থতা আহিব নোৱাৰে।"
> "খুকলি আৰু সৰল আলোচনাই হৈছে সত্যৰ আটাইতকৈ ডাঙৰ বন্ধু"
>
> \- জৱাহৰলাল নেহৰু





# শতিকাৰ অন্তিমটো বিশ্বকাপ ক্ৰিকেট আৰু ভাৰত

○ জয়ন্ত কুমাৰ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (কলা)

শতিকাৰ অন্তিমটো বিশ্বকাপত ভাৰতৰ ফলাফল মিশ্ৰিত ফলাফল বুলিয়েই ক'ব পাৰি। বিশ্বকাপৰ আগে আগে পাকিস্তানৰ ভাৰত ভ্ৰমণ আৰু শ্বাৰজাহৰ নিৰাশাজনক প্ৰদৰ্শনে ভাৰতৰ বেটিং দুৰ্বলতাক উদঙাই দেখুৱাই যাৰ ফলত প্ৰথমতেই ভাৰতৰ বিশ্বকাপৰ জয়ৰ বহখিনি আশা স্তিমিত হয়।

কিন্তু ভাৰতৰ প্ৰথমখন খেলতেই দক্ষিণ আফ্ৰিকাৰ শক্তিশালী বলিং আক্ৰমনক নেওচি ইংলেণ্ডৰ সেমেকা পিটচত আঢ়েশৰো অধিক ৰাণ তুলি আশ্চৰ্যচকিত কৰি তোলে ভাৰতৰ বেটছমেনে। কিন্তু বলাৰ আৰু ফিল্ডাৰৰ দুৰ্বল প্ৰদৰ্শনে প্ৰথম দুয়োখন খেলতেই জয়ৰ মুখ দেখুৱাব নোৱাৰিলে।

বিশ্বকাপৰ মাজতেই ভাৰতৰ তাৰকা বেটছমেন শচীন তেণ্ডুলকাৰৰ পিতৃ ৰমেশ তেণ্ডুলকাৰৰ মৃত্যুৰ বাবে শচীন হঠাৎ ভাৰতলৈ ঘূৰি আহিবলগীয়া হোৱা বাবে শচীনবিহীন ভাৰতীয় দলে জিম্বাব'ৱেৰ বিৰুদ্ধে যুঁজি জয়ৰ দুৱাৰডলিত উপস্থিত হৈও পৰাজয় বৰণ কৰিবলগা হয়। কিন্তু কেনিয়াৰ বিৰুদ্ধে শচীন ঘূৰি আহি ১৪০ ৰাণ কৰি ভাৰতক জয় প্ৰদান কৰে। কিন্তু ভাৰতৰ প্ৰথম দুখন পৰাজয়ৰ পিছত লীগৰ শেষ তিনিওখন খেলতে জয়লাভৰ প্ৰয়োজনীয়তা আহি পৰিছিল ছুপাৰ-ছিক্সত প্ৰৱেশ কৰিবলৈ। কেনিয়াৰ লগত শচীনৰ অনৱদ্য প্ৰদৰ্শনৰ ফলত তৃতীয়খন খেলত জয়লাভৰ পিছত '৩৭৩' ৰাণৰ ৰেকৰ্ডেৰে ভাৰতে শ্ৰীলংকাক পৰাজিত কৰিছিল বৃহৎ সংখ্যক ৰাণত। এই খেলখনত ৰাহুল দ্ৰাবিড়ৰ অনবদ্য দ্বিতীয়টো শতৰাণ (প্ৰথমতো কেনিয়াৰ বিৰুদ্ধে) শতৰাণৰ জৰিয়তে ৰাণ ১৮৪ ৰাণ যিকোনো যুটীতেই সৰ্বোচ্চ ৰাণ সংগ্ৰহকাৰী যুটী হিচাপে পৰিগণিত হয়।

এই ৰেকৰ্ডটোৰ আগৰ অধিকাৰী আছিল আন দুজন ভাৰতীয় আজহাৰ আৰু জাডেজা। কপিলৰ ১৭৫ৰ ৰেকৰ্ড ভংগকাৰী ইনিংছটোত সাতটা আকাশচুম্বী 'ছয়' মাৰে বাওঁহতীয়া প্ৰাৰম্ভিক বেটছমেন সৌৰভ গাংগুলীয়ে। পঞ্চম তথা অন্তিমখন লীগ খেলত ইংলেণ্ডৰ লগতো প্ৰধানকৈ বলাৰ শ্ৰীনাথ, প্ৰসাদ, মহান্তি আৰু কুম্বলেৰ বাবেই জয়লাভ কৰে।

কিন্তু ছুপাৰ ছিক্সৰ নিয়মমতে ভাৰতে পৰাস্ত কৰা কোনো এটাও তিম ছুপাৰ ছিক্স নোপোৱাত ভাৰতে শূন্য পইন্ট হাতত লৈ ছুপাৰ ছিক্সলৈ গৈছিল আৰু ছুপাৰ ছিক্সৰ তিনিওখন খেলতেই জয়লাভৰ প্ৰয়োজনীয়তা আহি পৰিছিল ভাৰতৰ বাবে ছেমি ফাইনেলত পদাৰ্পণ কৰিবলৈ।

কিন্তু ছুপাৰ-ছিক্সৰ প্ৰথমখন খেলতেই অষ্ট্ৰেলিয়াৰ হাতত ভাৰতৰ শোচনীয় পৰাজয়ে ভাৰতৰ টুৰ্ণামেন্টখনত সকলো প্ৰত্যাহ্বান শেষ কৰি দিয়ে যদিও পাকিস্তানৰ বিৰুদ্ধে জয়েই ভাৰতৰ বাবে বৃহৎ সাফল্য হৈ পৰে।

ভাৰতৰ আন এটা সাফল্যৰ দিশ হ'ল ৰাহুল-দ্ৰাবিড়ৰ এই বিশ্বকাপৰ সৰ্বোচ্চ ৰাণ সংগ্ৰহ কৰাটো। ইয়াৰ উপৰি সৌৰভ গাংগুলীৰ অনবৈদ্য ৰাষ্ট্ৰীয় ৰেকৰ্ড সৃষ্টিকাৰী ১৮৪ ৰাণৰ ইনিংছটো য'ত সৌৰভৰ ট'ণ্টন ষ্টেডিয়ামত কৰা এই শতকটোৱে সমগ্ৰ বিশ্বকে চকিত কৰি তুলিছিল। যিটো আছিল এই বিশ্বকাপৰ সৰ্বোচ্চ ব্যক্তিগত স্ক'ৰ। আনহাতে এই বিশ্বকাপত কেৱল ভাৰতৰ বেটছমেনেই 'পাঁচটা' শতৰাণ সংগ্ৰহ কৰে। যিটো এই বিশ্বকাপৰ ৰেকৰ্ড। আকৌ প্ৰসাদ, শ্ৰীনাথ, মহান্তি অআৰু কুম্বলেৰ দৰ্শনীয় বলিং আন এটা সাফল্য । ☐

> *মানুহে যদি সমগ্ৰ পৃথিবীখন লাভ কৰে, কিন্তু তেওঁৰ আত্মাটো হেৰুৱাই, তেন্তে তেওঁৰ লাভ থাকিল কি ?*
> \- বাইবেল
>
> *যি জনে সুবিধা পালেই পৰনিন্দা, পৰচৰ্চ্চাত মত্তলীয়া হয়, সেইজন লোক বাস্তৱকিতে ফেঁটী সাপতকৈ কোনো গুনে কম বিষাক্ত নহয় ।*
> \- উপনিষদ








# উপলব্ধি

○ শ্ৰীইমানুৱেল কুমাৰ
স্নাতক দ্বিতীয় বাৰ্ষিক

হেৰি ভাত দিছোহি, আহক- দীপিকাৰ কথাষাৰত কলিতাৰ চকু দুটা মেল খালে । ইমান পৰে তেওঁ বহুদিনীয়া প্ৰশ্নটোৰ উত্তৰটোকে ভাবি উলিয়াবলৈ চেষ্টা কৰি আছিল। নয়ন কলিতাৰ চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ আজি প্ৰায় পাঁচ বছৰেই হ'ল। তেওঁ জলসিঞ্চন বিভাগৰ বৰবাবু আছিল।

কলিতাৰ জন্মস্থান ধুপধৰা। মুঠ পাঁচজন ককাই-ভাইৰ মাজত তেওঁ চতুৰ্থ। বাপেক প্ৰণৱ কলিতাৰ যি অলপ খেতি মাটি আছিল, তাতে খেতিবাতি কৰিয়েই পৰিয়ালটো কোনোমতে পোহ নিয়াইছিল। পৈতৃক ভেটি বুলিবলৈ দুখন সৰু সৰু চালিৰ ঘৰৰ বাহিৰে বিশেষ একো নাছিল। নয়নৰ ওপৰৰ তিনিজনে অভাৱৰ কাৰণে স্কুলীয়া জীৱনতে পঢ়া-শুনা এৰি জীৱিকাৰ পথ বিচাৰি ল'বলৈ বাধ্য হ'ল। কিন্তু নয়নে যেনে-তেনে মেট্ৰিকটো পাছ কৰিলে। কিন্তু তাৰ পিচত বাপেকৰ সাহ নহ'ল তাক আগলৈ পঢ়ুৱাবলৈ। কিন্তু নয়নৰ ডিগ্ৰীটো লোৱাৰ প্ৰবল ইচ্ছা আছিল। সেয়ে এদিনাখন বহুভাবি-গুণি বাপেকক ক'লে- 'পিতাই গুৱাহাটীলৈ যাম বুলি ভাবিছো। তাতে কিবা এটা কাম বিচাৰি লৈ কলেজ এখনতে নাম লগাব লাগিব, অহঁতক আৰু কষ্ট নিদিওঁ।' বাপেকে কথাটোত আপত্তি নজনালে। নয়ন এদিনাখন দিনবাৰ চাই গুৱাহাটীলৈ বাওনা হ'ল। অহাৰ আগেয়ে বাপেকে কোনেমতে ডেৰশ টকা যোগাৰ কৰি দিছিল। গুৱাহাটীলৈ আহিয়েই নয়ন গ'ল একেখন গাঁৱৰে ল'ৰা পিংকুৰ কাষলৈ। পিংকু নয়নতকৈ বয়সত দুই-তিনি বছৰ ডাঙৰ হ'ব। সি গুৱাহাটী কলেজৰ কেৰাণী। পিংকুৱে চানমাৰিত এটা ৰুম ভাড়া কৰি থাকে। যোৱাবেলি পিংকু গাঁৱলৈ যাওঁতে নয়নে তাক লগ ধৰিছিল আৰু সি যে গুৱাহাটীলৈ যাব সেইটোও তাক জনাইছিল। পিংকুৱে নয়নৰ মনৰ কথা বুজিব পাৰি নিজেই কৈছিল- 'তই গুৱাহাটীলৈ গ'লে মোৰ লগতেই থাকিব পাৰিবি; পিচত কিবা এটা কাম পালে বেলেগ ব্যৱস্থা কৰি ল'বি। নয়নে বাপেকে দিয়া টকাখিনিৰে কলেজ এখনত নাম লগালে। ইতিমধ্যে পিংকুৱে নিজৰ দুজনমান চিনাকি মানুহৰ ল'ৰা-ছোৱালীকেইজনমানক পঢ়ুৱাবলৈ নয়নক টিউচন মাষ্টৰ হিচাপে ঠিক কৰি দিলে। পাঁচ বছৰৰ পিচত নয়নে ডিগ্ৰীটো লাভ কৰিছিল।

ইতিমধ্যে পিংকুৰো নিজৰ বুলিবলৈ সংসাৰখন হ'ল। নয়নেও পিংকুৰ সুবিধাৰ্থে তাৰ পৰা আঁতৰি আহিল। আৰু নিজৰ লগৰ দুটামানৰ লগত মেচ কৰি থাকিবলৈ ল'লে। ভাগ্যক্ৰমে নয়নে ডিগ্ৰী পাছ কৰাৰ চাৰি মাহ মানৰ পিচতে চাকৰি এটা পালে। তাকো জলসিঞ্চন বিভাগৰ কেৰাণী। চাকৰি পোৱাৰ চাৰি বছৰমান পিচতে গাঁৱৰে বিপুল ভেকাৰ জীয়েক দীপিকাৰ লগত বিয়া হৈ গ'ল। সীমিত উপাৰ্জনৰ ভিতৰত সীমিত আশা-আকাংক্ষাৰ মাজেৰেই নয়নৰ সংসাৰ আগবাঢ়িল। পোৱা-নোপোৱাৰ মাজেৰে দিনবোৰ বাগৰিল। আৰু এসময়ত দুটা ল'ৰা-ছোৱালীৰ মাক-বাপেক হ'ল নয়ন আৰু দীপিকা। নয়নৰ উপাৰ্জন প্ৰায় একেই থাকিল। কিন্তু পৰিয়ালটোৰ প্ৰয়োজন প্ৰায় বাঢ়ি গৈ থাকিল।

দিনবোৰ বাগৰিব ধৰিলে। লাহে লাহে নয়নে অনুভৱ কৰিব ধৰিলে যেন তাৰ চাৰিওকালৰ মানুহবোৰ সলনি হৈছে, আগৰ দৰে যেন দীপিকাই এতিয়া অভাৱবোৰৰ মাজত নিজকে খাপ খুৱাই ল'ব নোৱাৰা হ'ল। আজিকালি যেন কথাই কথাই তাই নিজৰ তথা পৰিয়ালটোৰ অভাৱবিলাকহে মুখটাই তুলিব বিচাৰে।

দীপিকাই মাজে-সময়ে কয়- আজিকালি গুৱাহাটীত নিজৰ বুলিবলৈ এটুকুৰা মাটি আৰু এটা ঘৰ নাথাকিলে সকলো মিছা। নয়ন হতবাক হয়। গুৱাহাটীত তাৰ দৰমহাৰে দুটা ল'ৰা-ছোৱালী স্কুলত পঢ়াই পৰিয়াল চলাই এটা ঘৰ বন্ধাটো সহজ জানো। তেতিয়া দীপিকাই কয়- কিয় একেলগে কাম কৰা বৰুৱা, শৰ্মা, গগৈহঁতে জানো নিজা ঘৰ বনোৱা নাই?

নয়ন মৌন হৈ ৰয়। তাৰ ক'বৰ মন যায় যে সি শৰ্মা, বৰুৱা বা গগৈহঁতৰ দৰে অফিচত লোকৰ পৰা টেবুলৰ তলেদি উপঢৌকন গ্ৰহণ কৰিব নোৱাৰে। নহ'লে আজি সিও তেওঁলোকৰ দৰে জীৱন এটা কটাব পাৰিলেহেঁতেন। নৈতিকতা, মূল্যবোধ আদিক নয়নে সদায় জীৱনত উচ্চস্থান দি আহিছে।

অৱশেষত নয়নে অফিচৰ পৰা আৰু অইনৰ পৰা ধাৰ লৈ এডোখৰ মাটি কিনিলে আৰু সাধাৰণভাৱে থাকিব পৰাকৈ ঘৰ এটা সাজি উলিয়ালে। যিয়েই নহওক দীপিকাৰ কাৰণেই বা ল'ৰা-ছোৱালীৰ কাৰণেই হওক সেয়া নিজৰ ঘৰ। নয়নে ভাবিছিল যে ইয়াৰ পিচতো সিহঁতৰ আৰু বিশেষ অভাৱ-অভিযোগ নাথাকিব। কিন্তু নয়নৰ সেই ধাৰণা ভুল আছিল।

ল'ৰা-ছোৱালী দুটিও ডাঙৰ হৈ আহিছে। সিহঁতেও

লাহে লাহে সংশোধন বুজিব পৰা হৈছে। কিন্তু সিহঁতৰ দৃষ্টিভংগীতো নয়নৰ আদৰ্শৰ আজিৰ পৃথিৱীত কেনো স্থান নাই। সিহঁতে ভাবে যে তাৰ সেই আদৰ্শৰ কাৰণেই আজি সিহঁতৰ বন্ধুবৰ্গৰ সৈতে 'Standard Maintain' কৰিব নোৱাৰে। সিহঁতে নয়নক কয়- 'দেউতা তুমি যদি অন্যৰ দৰে উপঢৌকন ল'নাহেঁতেন, তেন্তে তাত কি লোকচান হ'লহেঁতেন।' কিন্তু যি আদৰ্শৰ দ্বাৰা সি সদায়ে পৰিচালিত হৈ আহিছে তাক উপেক্ষা কৰাৰ অধিকাৰ বিবেকে আজি দিব জানো আৰু নিদিয়ে কাৰণেই হয়তো আজি সি এই বস্তুবাদী জগতখনত অবহেলাৰ পাত্ৰ হ'বলগা হৈছে।

ল'ৰা-ছোৱালী দুটিও আজি ডেকা-গাভৰু হ'লহি। দীপে এদিন নয়নক ক'লে- দেউতা এটা চাকৰিৰ সন্ধান পাইছো। মোক পঞ্চাশ হেজাৰ টকাৰ প্ৰয়োজন মানুহ এজনক দিব লাগে। কিন্তু ইমানখিনি টকা নয়নে ক'ৰ পৰা দিব? পৰিয়ালটোৰ ক্ৰমবৰ্ধমান দৈনন্দিন প্ৰয়োজনখিনি পূৰাবলৈ যাওঁতেই তাৰ হাড় ভাগে। কিন্তু দীপিকা? যাক হিচাপেটো তাইৰো সিহঁতৰ প্ৰতি কিছু কৰ্তব্য আছে। তাইতো সিহঁতক অলপ বুজাব পাৰে।

এবা দীপিকাও সলনি হৈছে। তাইও আজি নয়নে নিজৰ বিবেক বিচাৰ-বুদ্ধি আদিক অৱমাননা কৰি দুটামান বাহিৰা পইচা তাইৰ হাতত তুলি দিয়াটোহে বিচাৰে।

পঞ্চাশৰ ডেওনা পাৰ কৰিলে নয়নে। নয়নে উপলব্ধি কৰে যেন তাৰ আৰু পৰিয়ালৰ আন সদস্যৰ মাজত লাহে লাহে এক দূৰত্ব গঢ় লৈ উঠিছে। তাৰ ভাব হয় যেন ঘৰৰ সকলোৱে তাৰ দৰমহা পোৱা দিনটোলৈকেহে অপেক্ষা কৰি থাকে আৰু দৰমহাকেইটা সিহঁতৰ হাতত তুলি দিয়াটোৱেই তেওঁৰ কৰ্তব্য বুলি ভাবে। আজিকালি সিহঁতৰ লগত মুখা-মুখি হ'লেই নয়নৰ মনত এক অজান আশংকাৰ উদয় হয়। কিজানিবা সিহঁতৰ আৰু তাৰ মাজৰ সম্পৰ্ক সিহঁতে পাহৰিয়েই পেলায়। সেয়ে নয়নে পৰাপক্ষত আজিকালি এবা দি চলিবলৈকেহে চেষ্টা কৰে। এদিনাখন নয়নে দীপক পৰিয়ালৰ ঘৰত থকা চুলাই ভাটিৰ পৰা চলং-পলংকৈ ওলাই অহা অৱস্থাত দেখিলে। নয়নে তাক দেখিও নেদেখা ভাও জুৰি গুচি আহিল। সীমাকো আজিকালি নিবলৈ বা থ'বলৈ প্ৰায়ে একোখন বাইক বা গাড়ী আহে। কিন্তু নয়নে সদায় মৌনতা অৱলম্বন কৰিয়েই আহিছে। হয়তো সেয়া সকলোৰে বাবে মংগল।

'ভাতকেইটা ঠাণ্ডাই হ'লহি।' দীপিকাই পুনৰ এবাৰ মাত দিলে।

'অ' গৈছো গৈছো। নয়নে বাৰাণ্ডাৰ চকীখনৰ পৰা উঠিল। ইমান পৰে সি যেন তাৰ আদৰ্শ, মূল্যবোধ আদিৰ কাৰণে কি পালে, কি হেৰুৱালে, তাৰেই হিচাপ উলিয়াবলৈ যত্ন কৰি আছিল। 'ভাতকেইটা খাই সোনকালে বিছনা লোৱাই ভাল। কাইলৈ আকৌ পুৰাই পেঞ্চনৰ টকাকেইটা অনাৰ বাবে বেংকত লাইন ধৰিবলৈ লাগিব।'-নয়নে ভাবিলে। ❑





# নতুন প্ৰভাত

○ শ্ৰীঅৰ্চনা কলিতা
স্নাতক প্ৰথম বৰ্ষ

দুৱাৰ খনত আৱাজ দিবলৈ গৈ সি ঘপককৈ বৈ গ'ল। জোতা যোৰ খুলি লব লাগিব, নহলে সৰ্ব্বনাশ হৈ যাব। জোতা যোৰ খুলি লাহে কৈ খিবিকি খনৰ কাষলৈ আহিল। লাহেকৈ আৱাজ দিলে,অলপ খট খটালেও। পাঁচমিনিট মানৰ পাছতেই তাই ওলাই আহিল। জোৰকৈ ঠেলি দিয়াত বাতিৰ নিস্তব্ধতা ভেদি দুৱাৰ খনে বুকুফিন্দাই আগন্তুকৰ মনৰ মাজৰ খংটো প্ৰতিসৃত কৰি হুংকাৰি উঠিল। অভিজিতৰো কিন্তু খং উঠি গৈছিল। ইপিনে ঘামৰ লগত অতপৰে হলি গলি কৰি অহা চাৰ্টটোৰ তলৰ বুকুখনৰো কোনো এঠাইত ভয়ৰ ঘন্টাটোও বাজি উঠিল।

অনিয়ে শুকতা আঁতৰাই মাত দিলে ঃ নাহ কিয় ? নে বাবান্দাতে বাতিটো কটাবি ?
তেতিয়াহে সি সম্বিৎ ঘূৰাই পালে,অ মই দেখোন ভিতৰ সোমোৱাই নাই ? দুৱাৰ খন লক কৰি অনিয়ে তাক আদেশৰ সুৰতে কলে ঃ ভাত বাঢ়ি থৈছো লৈ খাবি, কিবা লাগিলে নিজে লৈ লবি। মই শোওঁগৈ। তাই এবাৰ তাৰ ফালে আৰু আনবাৰ ঘড়ীটো লৈ চাই এটি বিৰক্তিৰ হুমুনিয়াহ কাঢ়ি নিজৰ কমলৈ গুচি গ'ল। তেতিয়া ঘড়ীত বাতিৰ ১১ বাজিছে।

ভাতকেইটা নাকে কাণে গুজি অনিৰ কমলৈ ভুমুকি মাৰি দেখে তাই তেতিয়া পঢ়ি আছে। সি সোমাই গৈ তাইৰ বিছনাতে বহিল। তাই ঘূৰি চাই তাক দেখি আচৰিত হৈ সুধিলে ঃ তই এতিয়া শোৱাগৈ নাই ?

অভিজিতে মৰমৰ ভনীয়েকক নম্ৰ ভাবে ক'লে ঃ অনি আজি দেখোন চকুত কিবা টোপনিয়েই নাই । তোৰ সময় হয় যদি অলপ কথাকে পাতো দে। তাই একো নকৈ তাৰ ফালে আচৰিত ধৰণে চাই থাকিল। তাই যেন আজি তাক কিছু পৰিবৰ্তিত ৰূপত দেখিছে। অৱশ্যে তাইৰ অনুসন্ধিৎসু মনটোৱে লক্ষ্য নকৰাকৈ নাথাকিল যে ককায়েকৰ বুকুৰ মাজত অযুত হতাশা মিশ্ৰিত বেদনা লুকাই আছে।

পুনৰবাৰ নিস্তব্ধতাক নেওচি তাইৰ কান্ধত হাত থৈ সি কৈ উঠিল ঃ তই যে ইমান পঢ়িছে কিবা জানো লাভ হব ? চকুৰ আগত আৰ্হি দেখিয়েই আছে। তাইও সৌম্যভাৱেৰে ক'লে ঃ দাদা মই কোনো লাভ লোকচানৰ কাৰণেটো পঢ়া শুনা কৰা নাই । মাত্ৰ ক্ষমতানুযায়ী অৰ্জন কৰাৰ চেষ্টা কৰিছো, কিয়নো টকা পইচা কাঢ়ি নিলেও তোৰ মোৰ বিদ্যা জানো কোনোবাই কাঢ়ি নিব পাৰিব ?

ক্ষীন সময়ৰ মৌনতা ভঙ্গ কৰি অভিজিতে ক'লেঃ বাৰু তই যে ইমানকৈ চিঞৰিছিল যদি 'হোম মিনিষ্টাৰ' সাৰ পাই গ'ল হে ---।

খং মিশ্ৰিত সুৰত অনিয়ে ক'লেঃ মা দেওতা নাই , বাতি পোৱা বৰপেটালৈ গ'ল ।
: বৰপেটালৈ .....কিয় ?
: কিয় ? মাহীহঁতৰ বিনুৰ বিয়া বুলি নাজান নেকি ?
: পাহৰিছিলোঁয়েই দে ।
: দাদা তই অলপ মান হ'লও ঘৰখনৰ কথাত গুৰুত্ব দিবিচোন। তই দেখোন ঘৰখনৰ পৰা আঁতৰি ফুৰিব বিচাৰিছ। এনেকৈ হলে কেনেকৈ হব , দস্তুৰমত তোৰো এটা সোনালী ভবিষ্যত আছে।

সচাঁকৈয়ে অভিজিতৰ ভবিষ্যত ........ অনিৰোটো ভবিষ্যত আছে। তাইৰো ডিগ্ৰী কমপ্লিট হলে ল'ৰা এটা চাই ধুম ধামেৰে বিয়া দিব লাগিব । তাৰ পিছত লাহে ধিৰে তাৰখনো ...... ছেঃ কিযে সিও আৰু একেবাৰে, বোলে হাতত নাই কনটো বৰ সবাহলৈ মনটো।

সি কিবা এটা কবলৈ মুখ মেলোতেই অনিয়ে অভিযোগৰ সুৰত ক'লেঃ চা দাদা দেউতাৰ পেঞ্চনৰ টকা কেইটাইদি কেনেকৈ চলিছো সেইটো গম গতি লোৱা নাই। সেই ৰাতিপুৱাই ঘৰখনৰ পৰা ওলাই গৈ ৰাতি হতাশা জৰ্জৰিত দেহ মনেৰে ১১/১২ টাত ঘৰ সোমাবিহি, এই পৰিস্থিতিত কেনেকৈ তই ঘৰৰ খবৰ ৰাখিবি ? এনেকৈ বাহিৰলৈকে আড্ডা মৰাৰ কোনো যুক্তি আছে জানো ?

মই মোৰ নিজা খৰচ টিউচন কৰিয়ে উলিয়াইছো , তাতে আকৌ চছাইটিৰ লগত সমানে খোজ দিবও লাগে। তইটো এদিনো এই বোৰৰ বুজ লোৱা নাই । মাত্ৰ ৰাতিপুৱাই শুদাই নিকাই কেইটামান ভাত উদাৰস্ত কৰি চাকৰিৰ নামত ইলৌ উলৌকৈ ঘূৰিবি আৰু শেষত হতাশ হৈ 'বাৰ' নাইবা বন্ধুৰ লগত সময় ব্যয় কৰি দোভাগ ৰাতি ঘৰ সোমাবি ? এনেকৈয়ে কিমান দিন চলিবি?
ইমান পৰে তাই হাতত খোলা কলমটো যে লৈ আছিল মনে কৰা নাছিল। হঠাৎ টকৃ শব্দত সাফৰটো মাৰি টেবুলৰ একাষে থৈ আকৌ তাইৰ ব্ৰেক লগা কথাক ষ্টাৰ্ট কৰিলে।

: বাৰু তই যে চাকৰি বিচাৰি হাইবান হৈ ফুৰিছ হাতত জানো চাকৰি কিনাৰ জোখাৰে টকা আছে? নিশ্চয় নাই। টকাইহে তোৰ ডিপ্লোমাবোৰতকৈ শিখৰত গৌৰিব লাগিছে। তথাপিও কিন্তু নিজৰ

শিক্ষাটো থাকিলে অলপ হ'লেও ডিমাণ্ড থাকে। আৰু আমিটো এটা ভাল চাকৰিৰ কাৰণেই পঢ় শুনা কৰা নাই। নিজৰ জীৱনটোক জানিবলৈ, বুজিবলৈ জ্ঞান লাভ কৰিবলৈহে এই শিক্ষা জীৱন আৰম্ভ হয়। আমাৰতো সিমান সামৰ্থ্য নাই যে এটা ভাল চাকৰি কিনি সুখেৰে দিন কটাম। দেউতা সৎ মানুহ আছিল বাবেইটো আমাৰ আজি এই দুৰৱস্থা। দেউতায়ো বিপথে পৰিচালিত হৈ টকা ঘটিব পাৰিলেহেঁতেন, কিন্তু সেই কামৰ পৰিণতি আমি ভোগ কৰিব লাগিব বুলিয়েইটো আগ নাবাঢ়িল।

কথা পাওঁতে অলি ঘামি পৰিছে, কিন্তু তাইৰ কথাৰ মাজৰ ক্ষোভবোৰে যেন তাইক ভাগৰিব দিয়া নাই। হতাশাগ্ৰস্ত অভিজিতেও অনুমূৰকৈ তাইৰ প্ৰতিটো ক্ষোভৰ প্ৰকৃতাৰ নিজ মনৰ গহন বনত সাঁচি থৈ একান্ত মনে শুনি গৈছে। প্ৰকাশ কৰাৰ সাহস কণ নাই।

এনেতে আকৌ অলি সক্ৰিয় হৈ উঠিল, তাইৰ মুখখনে যেন আজি কথা কৈ থকাৰ ব্ৰত লৈছে।

: চাচোন দাদা চাকৰিৰ নামতেইটো জানো দেউতাৰ তেজ ঘামৰ গাঁথিৰ ধনকেইটা অপচয় হোৱা নাই? মই তোক ইমান বোৰ বকাই বেয়া নাপাবি আৰু তোক মই উপদেশ দিবও খোজা নাই। কেৱল মাত্ৰ পৰামৰ্শহে দিব বিচাৰিছোঁ।

এনেকৈ তই ৰাতি ১১/১২ টাত ঘৰ সোমাবি তাকো কেতিয়াও ঠেং পাক খোৱাই, সেইটো জানো ভালৰ লক্ষণ? কাৰ টকাৰে সেইবোৰ খাইছ দেউতাৰ নহয় জানো? দেউতাই নাজানে যদিও মায়ে কিন্তু তোৰ মতি গতি ভালকৈ প্ৰত্যক্ষ কৰিছে? ইমান দুখযাতনা দিবলৈকে আমাক জন্ম দিছিল নেকি? দেউতাই চাকৰিৰ পৰা পেঞ্চন পালে আমোল খলৰ বাহিৰে একোতেহোত নিদিলে, আৰু তই ....... মা দেউতাই ইমান কষ্টকৈ পঢ়াইছে, ডাঙৰ দীঘল কৰিছে তাৰ পৰিবৰ্তে আমি তেওঁলোকক অলপো শান্তি দিব নোৱাৰোনে? টকা পইচাই সুখ শান্তিৰ আচল সমল নহয়। তই আজি বিপথে গ'লে মা দেউতাই জানো শান্তি পাব? আমাক লৈয়েটো তেওঁলোকৰ সমগ্ৰ কল্পনা।

ইমান পৰে অভিজিতে অনুমূৰকৈ ভনিৰে চেতনা নিবিকি বিদাৰি ভনীয়েকৰ কথাবোৰ এটা-এটাকৈ মনৰ কক্ষত সুমুৱাই গৈছিল। ভনীয়েক বৈ যোৱা দেখি সি মূৰ তুলি চাই দেখে কি এক অদ্ভুত জ্যোতি তাৰ সেই ফুলকুমলীয়া ভনীয়েকৰ চকুত। যেন কোনোবা দেৱদূতহে। সি কৈ উঠিল : অলি তই মোক আজিতেহে পথ দেখুৱালি। তই ধন্য। কিন্তু মইতো অকাৰণত মদ পান নকৰো, যেতিয়া ইন্টাৰভিউ ভাল হোৱা সত্ত্বেও টকাৰ ফুলদানি যাচিব নোৱাৰাৰ ফলতেই আনে চাকৰি বোৰ কাঢ়ি লৈ যায় সেইদিনা মোৰ ব্ৰেইনে কাম নকৰা হৈ যায় আৰু ড্ৰিংকচৰ সহায় লও। কিন্তু আজিহে বুজিলোঁ, এনেদৰে মই মোৰ ভবিষ্যতক ক'লৈ ঠেলি দিছো। কিন্তু এতিয়া এইবোৰ নচলিব।

: দাদা এতিয়াও সময় হেৰাই যোৱা নাই চাকৰি পাইবি তই বেলেগ সংস্থাপন বিচাৰিব পাৰ।

: কেনেকৈ?

: সিদিনা তই নাছিলি মা দেউতাই তোৰ কথাকে পাতি আছিল। দেউতাই মাক কোৱা শুনিছিলোঁ, আমাৰ বোলে বশিষ্ঠত থকা মাটিখিনিৰ গ্ৰাহক দুজন আহিছে। মাটি বেছি আমাৰ ঘৰৰ স' মুখতে এখন সৰু সুৰা দেলা মালৰ দোকান খোলাৰ কথা ভাবিছে। তই যদি সহায় কৰ ভালেই হয়। দেউতাই কথা কবলৈ তোক লগেই নাপায়, মোক কবলৈ কৈছিল চাকৰিৰ কাৰণে হলে মাটি বেচাৰ কথা উনিয়াওতে একেবাৰে জাঙোৰ খাই হঠিল। এতিয়া আকৌ দেলা মালৰ দোকান ........ এম,এছ, ছি পাছ কৰাৰ একো অৰ্থয়ে নাথাকিল।

: অবাৱত সময়বোৰ নষ্ট কৰাতকৈ কিবা এটাত লাগি যা। অকল তয়ে যে নিবনুৱা সেইটোতো নহয় কিমান নিবনুৱাই ভিৰ লাগি আছে। আমাৰ দৰে মানুহে ভাল চাকৰিটো নাপায়ে তাতে আকৌ সৰু সুৰা কামো কৰিব নোৱাৰি। গতিকে এইটো সংস্থাপন বেয়া নহয়। আমাৰ ইয়াত ভাল লাভ হব। মন কৰিলেহে কাম সিজে। গতিকে তই কাইলৈ মাইত আহিলে কথাটো উনিয়াবি। দাম দৰ ঠিক হৈয়ে আছে, তয়ো সহযোগ কৰিলে দেউতাই ভালেই পাব।

ভনীয়েকৰ ৰঙীন সপোনবোৰ দেখি তৰ অনুশোচনা জাগিল আৰু এক অনাবিল আনন্দ তাৰ চাৰিওকালে ঢপলিয়াই আহিল। সি ভবাই নাছিল কবকৈ কথা নোকোৱা ছোৱালীজনীৰ মুখৰ পৰা যে ইমানবোৰ গৌ বৰসিব। সি ইয়াক বাস্তৱত ৰূপায়িত কৰিব পাৰিবই লাগিব।

এনেতে ৰাতিৰ নিৰ্জনতাক নেওচি বাল ঘড়ীটোৱে ৰাতিৰ ২ বজাৰ সংকেত ধ্বনি দিলে।

: দাদা যা শুগৈ। কথাবোৰ ভাবি চাবি। ময়ো শোওঁ।

: অলি তোৰ কথা মতেই মই কাম কৰিম। এতিয়া আৰু চাকৰিৰ পিছে পিছে নুঘূৰোঁ। মা দেউতাৰ হেৰুৱা হাঁহি মই ঘুৰাই আনিবই লাগিব। কালিৰ পৰাই মোৰ নতুন জীৱন আৰম্ভ কৰিম। এতিয়া তই শো। দুৱাৰ খিৰিকি ভালকৈ মাৰি লবি। মইও শুওঁগৈ।

বিছনাত পৰি অলপ আগতে হৈ যোৱা ঘটনাটোক পাগুলি থাকোতেই সি গম নোপোৱাকৈ তাৰ চকু দুটা মুদ খাই আহিল। তাৰ মুখত এতিয়া প্ৰশান্তিৰ চাপ। আৰু কেইমুহূৰ্তমান অপেক্ষাৰ পিছতেই আগন্তুক ৰাতিপুৱাই হিল দোল ভাঙি এন্ধাৰক নেওচি জেউতি বিলাবহি। আৰম্ভ হব এক নতুন পুৱাৰ..........। □



# হয়নে একা

○ মামণি দেৱী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

দেখিছ, দেখিছনে বাপুকণৰ মাক; ন বোৱাৰীয়ে কেনেকৈ এহাত মান ওখ জোতা পিন্ধি ভৰি ঘূৰাই, পাঞ্জাবী ছাৰ্ট ধৰণৰ কাপোৰ পিন্ধি, গলত নামাবলিখন লৈ, ওঁঠত ৰঙা, চকুত ক'লা ধৰণৰ কিবা বস্তু সানি, চুলি মেলি, মোৰ পিনে কেৰাহিকৈ চাই ভেকেটা ভেকেটা গোন্ধেৰে মোৰ কাষেৰে সাউত কৰি ওটি গ'ল। বুজিছ তই ক'বি এইখন বক্ৰেশ্বৰ বৰুৱাৰ ঘৰ। ইয়াত ইমান অভদ্ৰামি নচলিব। ভাল মানুহৰ দৰে যদি থাকে থাকিব, নহ'লে বাপুকণক ক'বি সিহঁতহাল ইয়াৰ পৰা আঁতৰিব। আৰে কথা নাই বতৰা নাই আহিবৰ দুদিন হৈছেহে মাত্ৰ তাইৰ অত্যাচাৰ চা।

তইয়ে কছোন বাপুকণৰ মাক। তই জানো কেতিয়াবা ওখ জোতা পিন্ধি, পূজা কৰিবলৈ যোৱা নামাবলিখন গলত লৈ, ৰঙা, ক'লা ধৰণৰ বস্তু ঘঁহি পাইছ। আৰে তিৰোতা মানুহৰ ধৰ্ম হৈছে তোৰ দৰে চাদৰ-মেখেলা পিন্ধি, চুলিখিনি ধুনীয়াকৈ খোপা কৰি, মূৰত ওৰণি লৈ এজনী লক্ষ্মীৰূপা তিৰোতা হোৱা। কিন্তু তাইৰ দেখিছো এই বিলাক একোৱে নাই। তোৰ নিচিনাকৈ চাদৰ-মেখেলা পিন্ধা, মূৰত ওৰণি লৈ হিন্দু ধৰ্মৰ গাঁৱলীয়া তিৰোতাৰ দৰে থাকে যদি থাকিব নহ'লে মই তোক সঁচাকৈয়ে কৈছোঁ সিহঁতহাল ভালে ভালে আঁতৰিব লাগিব। নহ'লে তয়ে-ময়ে ইয়াৰ পৰা আঁতৰি যাম। বোৱাৰী হ'ল বুলিনো চকুৰ আগতে তাইৰ ইমান অত্যাচাৰ চাই থাকিব পাৰোনে?

তই বুজিছনে, বিয়াৰ আগতেই মই তঁহতক কৈছিলো বোপা বাপুকণ আৰু বাপুকণৰ মাক! টাউনীয়া ছোৱালী, তাতেই আকৌ চাকৰিয়াল। আমাৰ ঘৰৰ মান মৰ্যাদা নষ্ট কৰিব। ইয়াত নালাগে দে! আন ঠাইত চা। নাই নহয় কোনে শুনে এই বুঢ়াৰ কথা। তয়ো হয়ভৰ দিছিলি নহয়। বোলো বৰ ভাল ঘৰৰ ছোৱালী। দেখাই শুনাই গাড়ীয়ে ঘোঁৰাই টাউনীয়া মানুহ। তাতে ছোৱালীজনীও শিক্ষিতা। মাক-বাপেক হাল অতি নম্ৰ, অতি ভদ্ৰ। ক'তা সিদিনা দেখা নাই; বিঐ বিঐনী বান্ধিৰ আহোতে মই সুন্দৰকৈ চিয়াৰত বহি থকা মানুহজনক দেখিয়েই বাপেকে নৌ হাতখন টানি নি জোকাৰি দিলে যে গোটেই গাৰ বিষত মই এতিয়াও ব'ব পৰা নাই। আৰে নিখক এই সতৰ বছৰীয়া বয়সত জানো ল'ৰা-ছোৱালীৰ খেল এৰিব পৰা হোৱা নাই। আহিছ জী-জোঁৱাইৰ ঘৰ বুলি আহ। কিন্তু ইমান অভদ্ৰামি কিহৰ। তহঁত হেনো টাউনীয়া শিক্ষিত লোক। বোলো তহঁতে এতিয়াও ভদ্ৰ ব্যৱহাৰ শিকা নাইনে?

মুখ মেল খালে নহয় বক্ৰেশ্বৰকাইৰ, বোলো শিক্ষাই উলংগ কৰিলে দেশখনক। গোটেই দেশতে মান-সন্মান নাইকিয়া হৈ গ'ল। সুখিবা বোলো বাপুকণ ক'লৈ গৈছে, ইমান ৰাতি হ'ল আহি পোৱা নাই যে। মাকে তপনাই মাতিব; ডাঙৰ ল'ৰা ক'ত গৈছে আমাক কৈ যাবনে আজিকালিৰ ল'ৰা। বোলো ছোৱালীজনীয়ে সেইবোৰ কি শিকিছে, চাদৰ মেখেলা নাইনে? বোলো শিখাবই আজিকালিৰ ছোৱালী। আৰে সমস্ত কথাতে আজিকালি হৈ পৰিছে। পৰহি হ'ব কেতিয়াৰ পৰা। আজি পঞ্চাশ বছৰ বয়সেই মই মাত্ৰ শুনিছো আজিকালি।

ইমান পৰে বক্ৰেশ্বৰ কাইৰ কথা শুনি থকা বাপুকণৰ মাকে অসহ্য হৈ পাকঘৰৰ পৰা লৰি আহি মাত লগালে- কিনো অকলে অকলে পেক্পেকনিখন কৰি আছে। একো কাম-বন নাই যদি মনে মনে বহি থাকক। পেক্পেকনি কৰি থাকি মোৰ মূৰটো নষ্ট নকৰিব। আৰে কথা নাই, বতৰা নাই কোনোৱে একো কোৱা নাই কিনো পেক্পেকনিখন কৰি আছে।

বাপুকণৰ মাকৰ কথাত বক্ৰেশ্বৰ কাইৰ খং দুগুণহে চৰিল। তই মনে মনে থাক, বেছি কথা নক'বি। নহ'লে মূৰ ছিঙি দলিয়াই দিম। তোৰ কথা শুনিহে বাপুকণে টাউনীয়া ছোৱালী আনিছিল। তই দাংকাতিয়ে মোৰ কথা এবাৰো নুশুনিলি। মোৰ কথা শুনিলে আজি এইখন হ'ব পালেহেঁতেননে? বোলো বুঢ়াৰ কথা নুশুন ভেকা, টানত পৰি কিয় কেঁকা। এতিয়া তই এই বুঢ়াৰ কথা নুশুনি মজা পাইছনে? কি কথানো আপুনি তেতিয়াৰ পৰাই বকি আছে? মইনো কি মজা পালো হয়নে? আৰে আপুনি একো কথা নুবুজে নেকি? আজিকালিৰ বোৱাৰীয়ে অলপ ষ্টাইল কৰিবই দিয়কচোন। তাতনো আমাৰ কি হকা-বধা দিয়াৰ কথা আছে। চাদৰ মেখেলা নিপিন্ধিলেনো আমাৰ বোৱাৰী বেয়া হ'লনে? বোলো আমাৰ বোৱাৰী সহিলাখ এজনী লক্ষ্মীহে। আৰে ওচৰৰ লালমতী বাইদেউৰ বোৱাৰীজনীক দেখা নাইনে? তাই দেখোন চাদৰ মেখেলা পিন্ধি মূৰত ওৰণি লৈ এজনী লক্ষ্মীৰূপা তিৰোতাৰ দৰে থাকে কিন্তু তেনেকৈ থাকিলে কি হ'ব তাইতো আমাৰ বোৱাৰীৰ দৰে পূজা-পাতল নকৰেই পহৰ,

শাহেৰেককো নামানে। তেনেস্থলত আমাৰ বোৱাৰীয়েতো আমাক বহুতো মানে। তদুপৰি পূজা-পাতলো কৰে। চাদৰ-মেখেলা পিন্ধিছিলেনো তাইৰ স্বভাৱ কুলক্ষণীয়া হ'লনে? আমাৰ বোৱাৰীৰ কথা কিন্তু বেয়াকৈ নক'ব নহ'লে কথা বিষম হৈ যাব কৈ দিছোঁ।

পিৰিয়েক ঘৈণীয়েক হালৰ কাজিয়া শুনি থকা ওচৰৰে শিক্ষিত যুৱক দিগন্তই আহি বক্ৰেশ্বৰকাইক ক'লে - বক্ৰেশ্বৰকাই, কিনো কাজিয়াখন কৰি আছে। কাজিয়া কৰি গণ্ডগোল হৈ গ'লে মানুহে আপোনাক বেয়া বুলিহে ক'ব। আজিকালি শিক্ষাৰ যুগৰ কথা আপুনি নাজানে নেকি? এতিয়া আৰু আগৰ দৰে বোৱাৰীসকলে চাদৰ মেখেলা পিন্ধি মূৰত ওৰণি লৈ নাথাকে নহয়, শিক্ষাৰ বলত সকলো পৰিৱৰ্তন হৈ গৈছে বুজিছানে বক্ৰেশ্বৰ কাই?

দিগন্তৰ কথা শুনি বক্ৰেশ্বৰ কাইৰ খং লৈ মূৰৰ চুলি পালেগৈ। বক্ৰেশ্বৰ কাইয়ে খঙতে গৰজি উঠিল। তই উপদেশ দিব নাহিবিও বোপা। তইনো মোৰ মনৰ আঘাতৰ কথা কি বুজিবি। সৌসিদিনা মোলাখন লৈ মই বজাৰলৈ যাওঁতে বাটতে আগডেটি ধৰি ঠেলাৱালা হৰকান্তই মোক কৈছিল - 'কিহে বক্ৰেশ্বৰ তোৰ দেখোন বজাৰ কৰা, সা-সামগ্ৰী অনা সকলো বোৱাৰীয়ে কৰি দিয়ে। তোৰ বোৱাৰীয়ে মূৰত ওৰণি লৈ ঘৰতটো বহি নাথাকে। তেনেস্থলত তইনো আকৌ বজাৰ কৰিবলৈ যাব কিয়? তইয়ে কচোন বোপা মোৰ জানো মনত দুখ নালাগে। আকৌ সৌসিদিনা নামঘৰলৈ যাওঁতেও বাস্তাৰ লগতে নৱকান্ত, ভদ্ৰকান্তইতেও মোক ঠাট্টা কৰিছিল বোলো ভাল দে বক্ৰেশ্বৰৰ জীৱন। গছত উঠা বোৱাৰী আনি ভালেই কৰিছেদেই। এতিয়া আৰু বক্ৰেশ্বৰে ঘৰতে মূৰ-সাৰতি বহি থাকিলেই হ'ল। টকা উপাৰ্জন কৰাৰ উপৰি হাট-বজাৰলৈও বোৱাৰীয়ে গলত নামাবলি এখন লৈ, এহাত মান ওখ জোতা পিন্ধি যায় নহয়। বক্ৰেশ্বৰৰ সুখেই সুখ নেই; আমিহে এনেকুৱা বোৱাৰী নাপালো, আমাৰ ভাগ্যই বেয়া নেকি ? বক্ৰেশ্বৰৰ ভাগ্য কিন্তু ভালেই দেই।

তইয়ে কচোন বোপা আমাৰ এই গাঁৱখনত সকলোৰে মুখত এনেকুৱা কথা শুনি থাকিও মই মনে মনে থাকিব পাৰোনে। আৰে চাদৰ-মেখেলা পিন্ধি ওৰণি লৈ ঘৰত বহি থাকিলে তাইৰনো কি অভাৱ লাগে। সেই কাৰণে, মই তেতিয়াৰ পৰাই বাপুকণৰ মাকক কৈ আছোঁ, হয় সিহঁত হাল ইয়াৰ পৰা গুচি যাব লাগিব নহ'লে আমিয়েই ইয়াৰ পৰা গুচি যাম। তাইৰ ইমান কথা মই আৰু শুনি থাকিব নোৱাৰো, কৈ দিছোঁ কিন্তু মই।

বক্ৰেশ্বৰকাইৰ কথা শুনি শিক্ষিত যুৱক দিগন্তই মনে মনে হাঁহিলে আৰু কাইক বুজনি দিবলৈ ধৰিলে- বোলোকাই তুমিনো এতিয়াৰ শিক্ষাৰ যুগৰ কথা অলপো নাজানানে? এতিয়া আৰু আগৰ যুগ নাই। এতিয়াৰ ল'ৰা-ছোৱালীৰ একো চিন-চাব নাই। ল'ৰাই যি কৰিব পাৰে ছোৱালীয়েও সেয়ে কৰিব পাৰে। আনকি ল'ৰাৰ দৰে ছোৱালীয়েও উপাৰ্জন কৰি এখন ঘৰ চলাব পাৰে। তাত আৰু কোনেও বাধা দিব নোৱাৰে। নৱকান্ত কাই, ভদ্ৰকান্ত কাইহঁত তোমাৰ দৰে অশিক্ষিত লোক। সেই কাৰণেহে সিহঁতে তোমাক ঠাট্টা কৰিছে। আজিকালি শিক্ষাৰ ফলত সকলোৰে সমান হৈ পৰিছে। তুমিনো তোমাৰ বোৱাৰীজনীক দোষ দি কি লাভ? দিগন্তৰ কথা শুনি বক্ৰেশ্বৰ কায়ে কপালত হাত দুখন দি আচৰিত হৈ ক'লে- 'হয়নে এনে ।' ❐





# যাতনা

○ প্ৰাঞ্জল তাঁতী
স্নাতক দ্বিতীয় বৰ্ষ

জনবহুল বাছ আস্থান। একালে জনসমাগম আনফালে যান-বাহনৰ যাতায়াত। চৌপাশে এটি হুলস্থূলীয়া আৰু ব্যস্ততাপূৰ্ণ পৰিৱেশ। কোনোবাই ঘৰলৈ বুলি বাছৰ পিছে পিছে দৌৰিছে আৰু কোনোবাই ক্লান্ত দেহাৰে বাছৰ বাবে অপেক্ষা কৰি আছে।

ফৰেষ্ট গে'ট, ফৰেষ্ট গে'ট, আহক বাইদেউ, আহক দাদা, খীনকায় দুৰ্বল বিক্সাচালক এজনে মিঠামাতেৰে তাৰ বিক্সাখনলৈ মাতিছে। তাৰ গাৰ কাষেদি পাৰ হৈ যোৱা যাত্ৰবাহী বাছৰ বতাহজাকে তাৰ শৰীৰ চুই যায়। আনদিনাখনৰ দৰে আজিও সি পুৱাই ভোকাতুৰ পত্নী আৰু তিনিওটি সন্তানৰ মুখলৈ চাই বাছ আস্থানৰ পিনে বাওনা হৈছিল।

বাছ আস্থানৰ পৰা প্ৰায় চাৰি ফাৰ্লং মান দূৰত ছয়িদুলৰ ভঙা পঁজাটো। ৰোগাক্ৰান্ত পত্নী আৰু কণ কণ তিনিওটি সন্তানৰ অবিহনে সংসাৰত আপোন বুলিবলৈ তাৰ কোনো নাই। অভাৱ-অনাটনৰ মাজেৰে সি নিজৰ সংসাৰখন চলাই নিছে। ল'ৰা-ছোৱালী আৰু পত্নীৰ বাবে ভাল খোৱা বস্তু আৰু নতুন সাজ-পাৰ আনিবলৈ বুকুত আশা বান্ধি সি প্ৰতিদিনে বিক্সা লৈ ওলায়।

ন বাজি ত্ৰিশ মিনিট পাৰ হ'ল। স্কুল-কলেজ আৰু অফিচৰ সময়। ছয়িদুলে বিক্সাৰে ভাড়া মাৰা সিমানতে বন্ধ কৰি প্ৰীতম বৰুৱা ঠিকাদাৰৰ ঘৰলৈ বিক্সা চলাই গ'ল। বৰুৱা ছাৰক দৰমহা বঢ়াবলৈ অনুৰোধ কৰিম বুলি মনতে ভাবি ভাবি গৈ থাকিল। দিনে দিনে বস্তু বাহানিৰ জুই ছাই দাম হ'ব ধৰিছে।

টিলিং টিলিং.... বাইদেউ অ' বাইদেউ বাবাক সোণকালে পঠিয়াই দিয়ক। গাড়ীৰ ভিৰ হ'লে বাবাৰ স্কুললৈ পলম হ'ব পাৰে। বৰুৱাৰ ল'ৰাজনক আথেবেথে বিক্সাত বহুৱাই স্কুলৰ পিনে বেগেৰে বিক্সা চলাই গ'ল।

ওবে দিনটো ভাড়া মাৰি মাৰি ছয়িদুল ভাগৰি পৰিল। দুপৰীয়াৰ আহাৰৰ বাবে আধাকিলো চাউল, দুই টকাৰ চেনি আৰু পঞ্চাশ গ্ৰাম চাহপাত লৈ তাৰ পঁজাটোলৈ ঘূৰিল। সি দুপৰীয়াৰ আহাৰ খোৱাৰ পিচত ক্ষন্তেক জিৰণি লৈ বৰুৱাৰ ল'ৰাজনক স্কুলৰ পৰা অনা কামত ব্যস্ত হৈছিল। তাৰ পিচত পুনৰ নিশাৰ কামত ব্যস্ত হৈছিল। তাৰ পিচত পুনৰ নিশাৰ সাজৰ বাবে বিক্সাৰে জীৱন সংগ্ৰাম চলায়।

ছয়িদুলে পঁজাটোৰ ওচৰ পোৱাত ল'ৰা-ছোৱালীকেইটাৰ কান্দোন তাৰ কাণত পৰিল। বেগাবেগিকৈ বিক্সাৰ পৰা নামি পঁজাটোত সোমাল। তাৰ পত্নী ৰাজিয়াক অচেতন অৱস্থাত পৰি থকা দেখা পালে। হাত ভৰি স্পৰ্শ কৰি তাইৰ গাটোত জ্বৰৰ তাপ অনুভৱ কৰিলে। লগে লগে কাপোৰ এডোখৰ ঠাণ্ডা পানীত তিয়াই তাইৰ মূৰত বান্ধি দিলে। ল'ৰা-ছোৱালীকেইটাই বাপেকৰ উপস্থিতিত কান্দোন বন্ধ কৰিছিল। সাত বছৰীয়া ছোৱালীজনীয়ে কণ কণ ভায়েক দুটাক মাকৰ কাষত থৈ কান্দোনভৰা দৃষ্টিৰে বাপেকৰ মুখলৈ চাই প্ৰশ্ন কৰিলে- আব্বাজান, আব্বাজান আম্মীৰ কি হৈছে ? কিয় আম্মীয়ে কথা নাপাতে ? কিয় তেওঁ এনেকৈ শুই আছে।

ছয়িদুলে ছোৱালীজনীক সান্ত্বনা দি চকুলো মচি ক'লে- তোমাৰ আম্মাৰ জ্বৰ হৈছে। তাজমিনা খুৰীক আম্মাৰ কাষলৈ পঠিয়াই মই ডাক্তৰক মাতিবলৈ যাওঁ, তোমালোক আম্মাৰ কাষৰ পৰা ক'লৈকো নাযাবা।

ডেৰঘণ্টা মানৰ পিচত ডাক্তৰক লৈ ছয়িদুল পঁজাটোৰ ভিতৰলৈ সোমাল। ডাক্তৰে ৰাজিয়াক পৰীক্ষা কৰি বেজী এটা দি ক'লে- গধূলিলৈ চেতনা ঘূৰি আহিব। এওঁৰ 'যক্ষ্মা' (TB) ৰোগ হৈছে গতিকে শীঘ্ৰে চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰিবলৈ দিহা কৰা বুলি ডাক্তৰে ছয়িদুলক পৰামৰ্শ দি ডাক্তৰজন যাবলৈ ওলাল। ছয়িদুলে তেওঁক ফিজটো দি অলপ আগবঢ়াই দিলে।

ছয়িদুলে চিন্তা কৰি পাৰ নাপালে। চিকিৎসাৰ বাবে বহু টকাৰ আৱশ্যক হ'ব। ইমানখিনি টকা সি পাব ক'ত? ভাড়া মাৰি যিখিনি টকা আনিছিল ডাক্তৰৰ ফিজৰ বাবদ দিলে। ছয়িদুলে কথাবোৰ ভাবি নিজকে বৰ অসহায়বোধ কৰিলে।

তাৰ চকুত আজি টোপনি নাই, চিন্তাৰ মাজেদি সি কোনোমতে নিশাটো পাৰ কৰিলে। অন্য দিনাৰ দৰে আজিও সি পুৱাই চাৰি পাচ এৰি বিক্সাখন লৈ বাছ আস্থানৰ পিনে গ'ল। তাৰ মিঠামাতেৰে ইজন সিজনক মাতিলে। কিন্তু ছয়িদুলৰ যে বহু টকাৰ আৱশ্যক মৰমৰ ৰাজিয়াৰ চিকিৎসাৰ বাবে সেয়া কোনে উপলব্ধি কৰিব ? কোনে তাৰ অন্তৰৰ কোণত লুকাই থকা দুখৰ ভাগ ল'ব ? সেইদিনাখন দেওবাৰ আছিল আৰু আগৰ তুলনাত যাত্ৰীৰ সংখ্যাও বেছি আছিল বাবে সবহকৈ ভাড়া পাইছিল।

বাতিপুৱা ভাগৰ ভাড়া ইমানতে সামৰি সি তপন বৰুৱাৰ ঘৰৰ পিনে অগ্ৰসৰ হৈছিল কিছু আৰ্থিক সাহায্যৰ আশাত। কিন্তু বৰুৱাৰ ঘৰত বনকৰা ল'ৰাটোৰ বাহিৰে অন্য কোনো নাছিল। ল'ৰাটোৰ পৰা গম পালে যে তপন বৰুৱা পত্নীসহ যোৱাকালি ৰাতি নগাঁওলৈ বাওনা হৈছে। মটৰ মালিক সন্থাই দাবী পূৰণৰ বাবে সোমবাৰে ১২ ঘণ্টীয়া চকা বন্ধ কৰিছে। গতিকে বৰুৱা ছাৰে সোমবাৰে গধূলি পাহিলে আহিব, যদি কিবা অসুবিধা হয় মঙলবাৰে উভতিব। বনকৰা ল'ৰাটোৰ মুখেদি খবৰটো পাই তাৰ সকলো আশা মৰহি গ'ল।

অৱশেষত উপায়বিহীন হৈ ছয়িদুলে তাৰ জীৱন সাৰথি একমাত্ৰ বিক্ৰাখনকে বেচি জীৱন সংগিনীক চিকিৎসা কৰিবলৈ থিৰাং কৰিলে। বৰুৱাৰ ঘৰৰ পৰা নিৰাশাৰে ওলাই ছয়িদুলে তাৰ পঁজাটোৰ পিনে আগবাঢ়িল। চুবুৰীৰ তাজমিনাক তাৰ ল'ৰা-ছোৱালীকেইটাক চাবলৈ কৈ বাজিয়াক বিক্ৰাত তুলি লৈ চৰকাৰী হাস্পতালত ভৰ্তি কৰিবলৈ নিলে।

হাস্পতালত ৰোগীৰ প্ৰতি কৰা অৱহেলাৰ দৃশ্য কেইটামান তাৰ চকুত পৰিল। পিচে সি সেইবোৰ জানিও বা দেখিও আজি নিৰুপায়। অৰ্থ অভাৱে তাক নানান সমস্যাৰে পংগু কৰি পেলাইছে। নামভৰ্তি কৰা পাৰীত বহু সময় ৰখাৰ পিচত বাজিয়াৰ নামটো ফিমেল ৱাৰ্ডত পঞ্জীয়ন কৰিলে। তাৰ পিচত ডাক্তৰ এজনক তাইৰ পৰীক্ষাৰ বাবে সাক্ষাৎ কৰিলে। তেওঁ পৰীক্ষা-নিৰীক্ষা কৰি মহিলা বিভাগৰ বিছনা এখন দিলে। তেনেতে তাজমিনাৰ গিৰিয়েক ৰহমান আহি উপস্থিত হ'ল। দুয়ো লাহে লাহে ধৰি বাজিয়াক মহিলা বিভাগলৈ নিলে।

ডাক্তৰে ক্ৰমান্বয়ে ৰোগীবোৰৰ খা-খবৰ লৈ এখন 'বেড'ৰ পৰা আন এখন 'বেড'লৈ আহিবলৈ ধৰিলে। লাহে লাহে বাজিয়াৰ কাষ চাপিল। তেওঁ বাজিয়াৰ নাম সুধিলে। ছয়িদুলে উত্তৰ দিলে ছাৰ 'বাজিয়া'। ডাক্তৰে পৰীক্ষা কৰি চাই চেলাইন, বেজী আৰু টেবলেট আনিবলৈ এখন 'প্ৰেছক্ৰিপচন' লিখি দিলে। আৰু ইমান পলমকৈ কিয় ভৰ্তি কৰাইছা বুলি খং কৰি ক'লে।

ছয়িদুলে বেজাৰ মনেৰে ৰহমানক বাজিয়াৰ ওচৰত থাকিবলৈ কৈ ডাক্তৰে লিখি দিয়া দৰববোৰৰ জনাব ব্যৱস্থা কৰিবলৈ গ'ল।

হাস্পতালৰ কামতে থকা ফাৰ্মাচী এখনলৈ আগবাঢ়ি গৈ 'প্ৰেছক্ৰিপচন'খন আগবঢ়াই দি দৰববোৰৰ মূল্য কিমান হ'ব তাকে জানিব বিচাৰিলে। ফাৰ্মাচীত থকা 'ছেলছমেন'জনে এটা শকত পৰিমাণৰ টকাৰ হিচাপ দিলে। দৰবৰ দাম শুনি ছয়িদুল আচৰিত হ'ল। ইমান টকা সি ক'ৰ পৰা পাব, কোনে দিব ইমানবোৰ টকা ? সি তাৰ চৌদিশে অন্ধকাৰ দেখা পালে। শেষত উপায়বিহীন ছয়িদুলে ঠিৰাং কৰামতেই বিক্ৰাখন 'ডেকা চাইকেল ষ্টোৰ'ত দুহেজাৰ টকাত বিক্ৰী কৰিলে।

হাস্পতালৰ কাষতে থকা ফাৰ্মাচীখনলৈ গৈ প্ৰেছক্ৰিপচনখন আগবঢ়াই কেইটামান দৰবৰ সংখ্যা কমাই দিবলৈ ক'লে। ছয়িদুলৰ কথামতে দৰবৰ সংখ্যা কমাই ১৭৮৫ টকাৰ দৰব দিলে। টকা দি সি দৰববোৰ লৈ লৰালৰিকৈ হাস্পতাললৈ আগবাঢ়িল। দিনটো দৰবৰ চিন্তাত এটুপি চাহো খাবলৈ আহৰি নাপালে সি। ক্ৰমান্বয়ে নিশা নামি আহিল। লাহে লাহে চৌদিশে নিৰ্জনতাই আৱৰি ধৰিলে। দোকান-পোহাৰবোৰ এখন-দুখনকৈ বন্ধ হ'বলৈ ধৰিলে। তিনিটা সন্তান আৰু বাজিয়াৰ কথা ভাবি ভাবি সি ফিমেল ৱাৰ্ডৰ ফালে আগবাঢ়িল।

'ফিমেল ৱাৰ্ড'ৰ সন্মুখ পাই তাৰ বুকু দুক দুককৈ কঁপিবলৈ ধৰিলে। ৰহমানৰ নিৰাশা-হতাশাৰে ভৰা মুখখন দেখি সি সুধিলে- কি হ'ল ৰহমান ? সকলো ঠিকে আছেতো ? কিয় তই এনেকৈ আছ ? কেইবাবাৰো সোধাৰ পিচতহে ৰহমানে চকুলো টুকি টুকি দুখেৰে ক'লে-- ভাবিজান আৰু এই সংসাৰত নাই। কথাষাৰ যেন ছয়িদুলে বিশ্বাস কৰিবলৈ টান পালে। সি পুনৰ ৰহমানক সুধিলে কিন্তু কথাটো একেবাৰে সত্য, সি ঠিকেই শুনিছে। তাৰ মৰমৰ বাজিয়া তাৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল।

বাজিয়াৰ মৃত দেহটো বিছনাখনতে পৰি আছে। কাপোৰে ঢকা দেহটোৰ মাত্ৰ মুখখনহে ওলাই আছে। কিজানিবা তাইৰ চকু দুটাই বাৰে বাৰে ফিমেল ৱাৰ্ডৰ দুৱাৰলৈ চাই আছিল, ছয়িদুল কেতিয়া আহিব। ছয়িদুলে তাইৰ মুখখনলৈ চাই চাই কেঁকুৰি কেঁকুৰি কান্দিলে। আল্লাৰ প্ৰতি তাৰ বিশ্বাস ভক্তি সকলো হেৰাই গ'ল। সি কণমানি তিনিওটি ল'ৰা-ছোৱালীক লৈ কিদৰে সংসাৰ চলাব ? ৰহমান দুখ-বেজাৰত ভাগি পৰিল। ছয়িদুলক সি কেনেকৈ সান্ত্বনা দিব ভাবি নাপালে। সি নীৰৱে সকলো চাই থকাৰ বাহিৰে একো সিদ্ধান্ত কৰিব নোৱাৰিলে, চকুৰ পলকতে ছয়িদুলৰ সংসাৰখন ধূলিসাৎ হ'ল। ☐





# সন্ধি

○ দিগন্ত কুমাৰ দাস
স্নাতক প্ৰথম বৰ্ষ (বাণিজ্য)

'কাগজ বিক্ৰী কৰিবৰ আছে নেকি?'

চিঞৰটো মাৰিয়েই সোঁ কান্ধৰ ভাৰখন বাওঁকান্ধলৈ আনি মনোজে আহিনমহীয়া তীক্ষ্ণ ৰেলিটোলৈ চালে। ৰেলিটোৱে যেন নিজৰ শক্তিৰ কথা প্ৰকাশ কৰিবৰ বাবে প্ৰচণ্ড উত্তাপ দিছে। পাঁচোটা বুটামৰ দুটা ছিঙা চোলাটোৰ নিম্নাংশৰে সি মুখখন মচিলে। চোলাটোৰ আধা সেমেকা অংশটো ঘামেৰে পূৰ্ণভাৱে তিতি গ'ল।

চহৰৰ পিটছ দিয়া পথত খালী ভৰিৰে খোজ কঢ়াটো কেনে কঠিন তাক একমাত্ৰ ভুক্তভোগীয়েহে বুজে। সি খৰধৰকৈ কিছুদূৰত পথৰ কাষত থকা শাৰী শাৰী গছ আৰু ঘৰৰ চেগাচোৰোগা ছাঁলৈ বুলি খোজ পেলালে। কান্ধৰ ভাৰখনে তাৰ খোজৰ লয়ে লয়ে কেৰেক কেৰেক শব্দ কৰি থাকিল।

ব্যস্ত চহৰখন আজি যেন প্ৰয়োজনতকৈ বেছি ব্যস্ত হৈ পৰিছে। চ'ক, দোকান-পোহাৰ আদিত মানুহবোৰৰ কিবা অস্থিৰতা মনোভাবৰ পৰা তাৰ ঘপহ কৰে মনত পৰিল। আজি তাৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা হ'ব।

তাৰ মগজুত যেন বিজুলীৰ চিকমিকনিৰ সৃষ্টি হ'ল। তাৰ দুই ওঁঠ ফাঁক কৰি হাঁহি এটা ওলাই আহিল। সি পৰীক্ষা দিছে। জীৱন যুঁজত নিজৰ জীৱনৰ কথাচোন সি পাহৰিয়ে আছিল। সি ওচৰৰ জুম এটাত কিবা সুধিব বুলি ভাবি হয়তো খোজটো খৰকৈ দিলে। তাৰ গতিৰ ছন্দৰ পৰিবৰ্তনত পিচৰ পাচিটোৱে তাল হেৰুৱাই ভৰিত খুন্দা মাৰিলে। তাৰ গতিত যতি পৰিল। তাৰ মনটো বিতৃষ্ণাৰে ভৰি পৰিল।

মনোজৰ ঘৰ এখন সৰু গাঁৱত। ঘৰখনত মাক, বাপেক, সি আৰু তাৰ তলত এজন ভায়েক আৰু এজনী ভনীয়েক আছে। তাৰ ভায়েক পঞ্চমমান শ্ৰেণীত আৰু ভনীয়েক দ্বিতীয়মান শ্ৰেণীত। লক্ষ্মী বৰ্জিত পৰিয়ালটো বাপেকে পৰৰ ঘৰত কাম কৰি জোৰা টাপলি মাৰি চলাইছিল। তাৰ ভিতৰতে সি অষ্টম শ্ৰেণী পালে। পিচে বাপেকে আৰু চলাব নোৱাৰা হ'ল। অতিপাত কষ্ট কৰাৰ ফলত বাপেক অকালতে বৃদ্ধ হ'ল। তদুপৰি চিন্তাই যেন মানুহজনক একেবাৰে জঠৰ কৰি পেলালে। মনোজৰ ভায়েক আৰু ভনীয়েকহঁতো ডাঙৰ হৈ অভাৱ বাবে খৰচো বাঢ়িল। বাপেকে একপ্ৰকাৰ হাত দাঙিলে। এনেকৈয়ে ঘৰখনৰ দায়িত্বৰ ভাৰ পৰিল একমাত্ৰ তাৰ ওপৰতেই।

লক্ষ্মীৰ অৱহেলা দেখিয়ে নেকি বাৰু বাক্‌দেৱীয়ে তাক অলপ মৰমৰ চকুৰে চাইছিল। শ্ৰেণী পৰীক্ষাত প্ৰত্যেকবছৰে সি কিবা এটা বিভাগ ৰাখিছিল। পঢ়াৰ আগ্ৰহ আছিল তাৰ অপৰিসীম। সেই আগ্ৰহ আৰু ঘৰৰ দায়িত্ব ভাৰ তুলি লৈ মনোজ ওলাই আহিল চহৰলৈ, ওলাই আহিল এটি কাগজ বেপাৰী হৈ। তাৰ পিচত আৰম্ভ হ'ল তাৰ জীৱন সংগ্ৰাম। যোৱা তিনিটা বছৰ কঠোৰ পৰিশ্ৰম কৰি সি এইবাৰ মেট্ৰিক দিছে। আজি তাৰ ফলাফল ঘোষিত হ'ব।

ইমান মানুহৰ মাজতো মনোজে নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিলে। পাচিটোলৈ চাই তাৰ এটা অনামী খং উঠি গ'ল। এটা সময়ত খংবোৰ গুচি এটা অহেতুক অভিমানত পৰিণত হ'ল। জীৱনৰ কাঢ় বাস্তৱে তাৰ মনটোক ওলাই আহিব নোৱাৰাকৈ আৱৰি ৰাখিলে ঠিক বচিকেইডালে পাচিটোক বান্ধি ৰখাৰ দৰে। সি পুনৰ খোজ পেলালে।

ফলাফলটো চাব পৰাহেঁতেন- তাৰ মনত উৎকণ্ঠা জাগি উঠিল। উত্তীৰ্ণ হ'বনে সি ? নিজকে তাৰ প্ৰশ্ন হয়। উত্তীৰ্ণ হ'ব লাগে চোন। পৰীক্ষাটো ভালেই হৈছে। উত্তীৰ্ণ হ'লে সি কি কৰিব? মহাবিদ্যালয়ত পঢ়ি চিকিৎসক, অভিযন্তা হোৱাৰ সপোন তাৰবাবে অলীক সপোন। যাৰ খাবলৈ এমুঠি ভাতৰ চিন্তা সি কেনেকৈ মহাবিদ্যালয়ত ভৰ্তি হ'ব? উত্তীৰ্ণ নহ'লেই ভাল আছিল। এইদৰে চিন্তা কৰি সি হুমুনিয়াহ কাঢ়িলে। তথাপি তাৰ কৈশোৰ মনে কিছুমান কল্পনাৰ বালিঘৰ সাজি সাজি গঢ় দিব নোৱাৰি ভাঙি পেলালে। বাস্তৱ আৰু কল্পনাৰ সূতাডালত তাৰ মনটো দুলি থাকিল।

এখন ঘৰৰ বাৰাণ্ডাত বহুত মানুহ গোট খাই থকা দেখি সি মানুহৰ জুমটোৰ ওচৰ চাপি গ'ল। সি এজন মানুহৰ পৰা জানিব পাৰিলে যে তাত ফলাফল প্ৰচাৰ পত্ৰিকাখন আনিছে। তাকেই মানুহবোৰে বেৰি লৈ চাইছে নিজৰ প্ৰয়োজনীয় নম্বৰকেইটা। ভাৰখন কান্ধৰ পৰা নমাই থৈ তাতকৈয়ো ওজনৰ ভাৰ এখন মনত লৈ সি জুমটোৰ কাষত থিয় দিলে। মানুহবোৰে নম্বৰ চাই ফলাফল অনুসৰি ইজনে-সিজনৰ কথা ভাবি নানা মন্তব্য বা ৰং তামাচা কৰিছে। তাৰ নম্বৰটো এজনক চাব দিবলৈ তাৰ সংকোচবোধ হ'ল। পৰীক্ষাত ফলাফল নোৱাৰ আগতে হোৱা অহেতুক ভয়টোৱে তাৰ মনটো কঁপাই তুলিলে।

কিছু সময় পিচত মানুহবোৰ পাতলি গুচি আহিল। সি ওচৰত থিয় হৈ থকা এজন ল'ৰাক লাজ লাজকৈ তাৰ নম্বৰটো চাই দিবলৈ ক'লে। ল'ৰাজনে চাই আহি জনালে যে সি দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে।

খবৰটোৱে ভাৰখনৰ তুলনাত্মকৈও বেছি হৈ কান্ধত পৰিল, এনে ভাৱত সি বাবাওৰ চুক এটাত বহি পৰিল। খবৰটোৱে তাৰ মনত আনন্দ দিলে নে দুখ লগালে সি থিক ধৰিব নোৱাৰিলে। ইমান দিনৰ পঢ়া জীৱনৰ কষ্টৰ ফল আজি সি পাইছে। সি আজি কি কৰিব ? তাৰ মনে সিদ্ধান্তৰ ৰবণেৰাত অন্ধৰ দৰে খেপিয়াই ফুৰিব ধৰিলে। বেপাৰ নকৰিলে জানো চলিব ? এনেতে সি ভোক অনুভৱ কৰিলে। দিনটো সি একো খোৱা নাই। ঘৰত আকৌ ভায়েক-ভনীয়েকহঁতে কি খাইছে? মাক-দেউতাকে হয়তো আৰু পদূলিমুখত বাট চাই আছে- সদায় থকাৰ দৰে। সি চাউলখিনি নিলেহে চৌকাত জুই জ্বলিব।

হঠাৎ তাৰ মনত এটা প্ৰশ্ন জাগিল। আজি বাৰু তাৰ মাক-দেউতাকে কোনটো বাট চাইছে তাৰ পৰীক্ষাৰ ফলাফল নে চাউলখিনি। কোনটোত সিহঁতে বেছি আনন্দ পাব, তাৰ উন্নতিত নে চাউল মুঠিত। তাৰ প্ৰশ্নৰ উত্তৰ দিয়ে সৰু সৰু ভায়েক-ভনীয়েক হালৰ চিত্ৰই। পিতৃয়ে সদায় সত্য প্ৰকাশ কৰে। মাক-দেউতাকে আনন্দ নাপাওঁক কিয় সৰু হালে কিন্তু তাৰ ফলাফলতকৈ খাবলৈ পালেহে বেছি আনন্দ পায়। ক্ষুধাতুৰ পেটে কোনো আনন্দত ভাগীদাৰ হ'ব নোৱাৰে। ক্ষুধা নিবৃত্তিৰ তুলনাত পৃথিৱীৰ সকলো আনন্দ নগণ্য।

মনোজে যেন চৰম সত্য এটা উপলব্ধি কৰিলে। তেনেহ'লে ক্ষুধা নিবৃত্তি হ'লেহে মানুহে অন্য আনন্দত ভাগ ল'ব পাৰে। যদি সি ভায়েক-ভনীয়েকক পেটৰ কথা ভাবিবলৈ নিদি পঢ়াৰ যত্ন লয় তেন্তে সিহঁতে ভৱিষ্যতে উন্নতি কৰিব পাৰিব। নহ'লে তাৰ বৰ্তমানৰ দৰে অৱস্থা সিহঁতৰো নহ'বনে ?

সি বৰ অস্বস্তি অনুভৱ কৰিলে। নাই সি এনে হ'ব দিব নোৱাৰে। তাৰদৰে যাতে সিহঁতে আনন্দৰ পৰা বঞ্চিত নহয় তাৰবাবে সি ব্যৱস্থা কৰিব লাগিব। সি সিহঁতক পঢ়াৰ বাবে চেষ্টা কৰিব লাগিব। সি সিহঁতক মানুহ কৰিব। কিন্তু তাৰবাবে তাক লাগিব ত্যাগ। সি ত্যাগ স্বীকাৰ কৰিব লাগিব। সেই ত্যাগ সি নিজৰ অব্যক্ত আনন্দৰ বাবে সাঁচি ৰাখিব। এতিয়া নোপোৱা আনন্দকণ ভৱিষ্যতে পোৱাৰ আশাত সি নিজৰ জীৱনৰ লগত সন্ধি কৰিব। জীৱনৰ এটা ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰি তাৰ মনটো পাতল-পাতল লাগিল। তাক এতিয়া টকাৰ দৰকাৰ। অলপ পইচা জমা হ'লে সি এখন দোকান দিব। তাৰ ভায়েক-ভনীয়েক হালো ডাঙৰ হৈ আহিল। সিহঁতৰ পঢ়া-পাতি খোৱা-পিন্ধাৰ কাৰণে সি এতিয়াৰ পৰাই চিন্তা কৰিব লাগিব। তাক বহুত টকাৰ আৱশ্যক, হাতত সময়ো কম। এইদৰে সি চিন্তা কৰি বহু সময়েই পাৰ কৰিলে।

মনোজৰ দুই ওঁঠৰ মাজেৰে এটা সুহুৰি ওলাই আহিল। সি বাবাণ্ডাৰ পৰা নামি আহি চোকা ৰ'দটোলৈ চাই উপলুঙাৰ হাঁহি এটা মাৰিলে। তাৰ পিচত ভাৰখন লাহেকৈ সি কান্ধত তুলি ল'লে। সি কিছুদূৰ আগবাঢ়ি গ'ল আৰু এটা দুমহলীয়া ঘৰৰ সন্মুখত চিঞৰি উঠিল- 'কাগজ বিক্ৰী কৰিবৰ আছে নেকি ........ ?' □

"আপোনাসকলে সকলোত কৰি জানিব অসমীয়া ভাষাৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম ধাপ ॥ ০ ॥ হ'ব পাৰে আমাৰ মানুহৰ লেখ ডাকৰ, হ'ব পাৰে আমাৰ মানুহৰ অৱস্থা উমকিয়াল নহয়, কিন্তু সেই বুলিয়েই ভাৰতৰ আন প্ৰদেশৰ মানুহৰ সৈতে সমানে আগবাঢ়িব নোৱাৰাত মনক মিছা প্ৰবোধ দি ঘৰত দুৱাৰ মাৰি বহি থাকিমনে ? ॥ ০ ॥ তেনেহ'লে ভাৰতৰ জীৱনৰ এই নতুন যুগত আমাৰ আসন ক'ত ? ॥ ০ ॥ আজি যি এটা নতুন ভাৱৰ সোঁতে গোটেই ভাৰত জোৰাই পেলাইছে আৰু যি আমাৰ অসমকো এচুকেনি চুই গৈছে, সেই ভাৱৰ ঢৌৱে আমাৰ হৃদয়ত খলকনি লগাবনে ? ॥ ০ ॥ লেখত ডাকৰ বুলি জগতৰ এই জাগৰণৰ দিনতো আমি শুই থাকিব লাগিবনে ? ॥ ০ ॥ সেইটো হ'ব নোৱাৰে ॥ ০ ॥ আমি আমাৰ অসমৰ অসমীয়া নাম লোপ পাবলৈ দিব নোৱাৰোঁ ॥ ০ ॥ এই নৱ জাগৰণৰ যুগত ভাৰতৰ আন প্ৰদেশৰ লগত আমি সমানে আসন ল'ব লাগিব ।"

- ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা





# মাধুৰী নবৌ

○ দীপ্তি শৰ্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

নুনমাতি ষ্টেটবেংকৰ জেনেৰেল মেনেজাৰ মিঃ অজয় শৰ্মাৰ যেন বহুদিনীয়া অভাৱ পূৰণ হৈছে। বহুদিনৰে পৰাই গুৱাহাটীলৈ ট্ৰেন্সফাৰ লোৱা আশাটো পূৰণ হোৱাৰ উপৰিও প্ৰমোচন পাইছে জি এম পদলৈ। এই নতুন খবৰটোৰ বাবে ঘৰখনৰ পৰিৱেশ উছলমুখৰ হৈ উঠিছে, ৰঙৰ মেলা বহিছে। আনহাতে অজয় শৰ্মাৰ বিয়া হোৱা বেছি দিন হোৱা নাই। এমাহৰ ভিতৰতে দুটা নতুন খবৰে পৰিয়ালটোলৈ যথেষ্ট আনন্দ আনিছে। নৱবিবাহিতা পত্নীৰ সৌভাগ্যই যেন এই দুৱাৰ মেলি দিছে শৰ্মাৰ। সকলোৰে মুখত কেৱল এটাই শব্দ 'মাধুৰী নবৌ, লাখী দেই, লাখী নবৌ।' বিয়াৰ পিচদিনাই প্ৰমোচন লেটাৰখন শৰ্মাই পাইছে। মাকে অজয়ক বাৰে বাৰে কয়- 'বোপা তই মাধুৰীকো লৈ যাবি'। মাধুৰীয়ে ইমান মৰম পাইছে যে তাই ভাবিবই নোৱাৰে পৃথিৱীত ইমান মৰম আছে। 'মাধুৰী নবৌ, মাধুৰী নবৌ' বুলি বিয়াৰ দিনাৰ পৰাই ননদ দুজনী আৰু দেওৰ দুটাই লগতে ওচৰ-চুবুৰীয়াৰ ল'ৰা-ছোৱালীবোৰে তং দিয়া নাই। অজয়ে মাধুৰীৰ লগত এপলক কথাকে পাতিব পৰা নাই, কথা পাতিব ল'লেই 'মাধুৰী নবৌ' বুলি চিঞৰ আহেই। মাধুৰীও গুৱাহাটীলৈ যাব ওলোৱাৰ খবৰে ওচৰ-চুবুৰীয়াক হতাশ কৰিছে। মাধুৰীক যে কেনেকৈ গিৰিয়েকৰ লগত পঠিয়াব তাকে ভাবি আগ দুদিন ঘৰখন চিন্তামগ্ন হৈ পৰিছে। ইতিমধ্যে অজয়ে গুৱাহাটীলৈ আহি জইন কৰি সুসজ্জিত এটা কোৱাৰ্টাৰো ঠিক কৰিছে। কেৱল পৰিবাৰসহ আহিলেই হ'ব। মাধুৰীৰ সহজ-সৰল মৰমখিনিয়েই সকলোকে আকৰ্ষণ কৰিব পাৰিছে। ঘৰখনৰ ডাঙৰ বোৱাৰী হিচাপে তাই সকলোকে অতি সোনকালেই আপোন কৰি ল'ব পাৰিছে। 'এডুকেচনত' প্ৰথম বিভাগ পোৱা মাধুৰীয়ে অৱশ্যে চাকৰিৰ যত্ন কৰা নাই। এখন সম্ভ্ৰান্ত ঘৰৰ একমাত্ৰ জীয়ৰী মাধুৰীয়ে দুখ কি আজিলৈ চিনি পোৱা নাই। তাই স্বামীৰ লগত গুৱাহাটীলৈ অহাৰ দিনা বেদনাৰ ঢৌবিলাক কোনো দিনাই পাহৰিব নোৱাৰে। সকলোৱে কান্দি-কাটি তাইক বিদায় দিছে। অহা সময়ত তাইৰ শাহুৱেকে বাৰে বাৰে কৈছে- 'বোৱাৰী মাধুৰী, গৈয়েই তুমি কামাখ্যাত চাকি এগছ দিবা।' ননদকেইজনীয়ে কান্দি কান্দি কৈছে-- লাখী নবৌ যোৱা, দাদাক ভালকৈ চাবা। খুব আলাসৰ সি।' মাধুৰীয়েও ক'লে কান্দি কান্দি দুখ নকৰিবা, মই আছো নহয়, দাদাৰৰ একো নহয়। যেন মাধুৰীয়েও চিৰদিনলৈ এখন ঘৰ এৰি আকৌ নতুন বিবাহত সোমাইছে।

মাধুৰীয়ে গুৱাহাটীলৈ আগেও আহিছে, কিন্তু এইদৰে নহয়। মাধুৰীয়ে এইবাৰ এটা মধুৰ স্বপ্ন লৈ, এটা নতুন আকাংক্ষা লৈ তাই আহিছে। কাষত তাইৰ জীৱনৰ লগৰী অজয়, যাৰ বুকুৰ মাজত সোমাই তাই আহি থকা স্বপ্নবোৰ ভাবিছে। কাইলৈ তাই কামাখ্যালৈ যাব, তাই কেৱল এটাই কামাখ্যা দেৱীৰ পৰা আশীৰ্বাদ বিচাৰিব যে ঘৰখন যেন তাই সদায়েই পায়, সদায় যেন এই ঘৰখনৰ মৰম-স্নেহবোৰ অটুট থাকে, স্বামীৰো তাই দীৰ্ঘায়ু কামনা কৰিব, কপালত ৰঙা তিলকটো যেন অক্ষয় হৈ ৰয়। সঁচাকৈ মাধুৰীৰ ভাগ্য যেন সদায় এনেকৈ থাকিব। অজয়ৰ লগত কৰা সংসাৰখন অমৰ হৈ থাকিব।

ৰাতিপুৱাই ড্ৰেচিং টেবুলত বহি মূৰ আচুৰি থাকোঁতে পিচফালৰ পৰা গৰা মাৰি ধৰি অজয়ে মাধুৰীৰ শিৰৰ ৰঙা তিলকটোলৈ চাই ক'লে। 'তোমাক আজি ৰঙা ফোটটোৱে ইমান সুন্দৰ দেখাইছে। প্লিজ আজি তুমি তেজৰঙা শাৰীখন পিন্ধানা।' অজয়ৰ কথামতে মাধুৰীয়ে শাৰীখন পিন্ধিলে। নিজকে গাড়ী এতিয়াও লোৱা নাই যদিও অজয়ে বেংকৰ এম্বেছেডৰখনত উঠি কামাখ্যালৈ গ'ল। আগদিনাই মাধুৰীয়ে প্ৰসাদ, মাটিৰ চাকি, ঘিউ-শলিতা আদি গোটাই থৈছে। তেজ ৰঙা শাৰীখনে মাধুৰীক ইমান ধুনীয়া দেখাইছে যে অজয়ে যেন তাইলৈকে ৰ লাগি চাই থাকিব। এবাৰ তাই কৈয়েই পেলালে 'যোৱা ইমানকৈ চাই আছা, কাহানিও দেখা নাই নেকি ?'

ইতিমধ্যে তেওঁলোকে কামাখ্যালৈ গৈ আছে। মেইন গেটটো গাড়ী ৰখাইছে। মন্দিৰৰ পথত অসংখ্য মানুহ। যোৱা গৈছে, অহা আহিছে মন্দিৰৰ দৰ্শনৰ বাবে। অজয়ৰ পিচে পিচে মাধুৰীৰ হাতত পূজাৰ সামগ্ৰী। তাই একাগ্ৰচিত্তে মগ্ন কামাখ্যা দেৱীক প্ৰাৰ্থনা কৰিব তাইৰ শিৰৰ ৰঙা তিলকটো যেন সদায়ে থাকে। ইতিমধ্যে তেওঁলোকে মেইন গেটখন পাৰ হৈছে, হঠাতে কেইজনমান অচিনাকি যুৱকে এ কে ৪৭ ৰাইফলেৰে বৰষুণৰ দৰে গুলীবৰ্ষণ কৰিবলৈ ধৰিলে। হঠাতে হুলস্থূল লাগি পৰিল। হঠাতে অহা ধুমুহা জাকৰ পৰা ৰক্ষা পাবলৈ সকলোৱে দৌৰাদৌৰি কৰিছে। হঠাৎ হোৱা ঘটনাটোৱে কামাখ্যা দৰ্শনৰ মনোভাৱটোও নোহোৱা কৰি দিলে। অজয়ৰ বুকুৰ মাজেৰেও দুটা গুলী পাৰ

হৈ গ'ল। মাধুৰীয়ে এটা চিঞৰ মাৰি অজয়ৰ কাষতে চিং হৈ পৰিল। অজয়ৰ সমস্ত দেহত তেজৰ নৈ বৈছে। মাধুৰীৰ তেজৰঙা শাৰীখন অজয়ৰ তেজৰ লৈতে মিলি পৰিল। হাতত লৈ থকা মন্দিৰৰ সামগ্ৰীখিনি সিঁচৰতি হৈ গ'ল।

পিচদিনাখন মাধুৰীয়ে গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ত নিজক আৱিষ্কাৰ কৰিলে। কাষতে বেংকৰ কৰ্মচাৰীয়ে তাইলৈ অপেক্ষা কৰি আছে। টোপনিৰ পৰা সাৰ পাই তাই অজয় অজয় বুলি চিঞৰি উঠিল। তেওঁ ক'ত,অজয় ক'ত? বুলি মাধুৰীয়ে চিঞৰি উন্মাদিনী হৈ উঠিল। তাইৰ কাষতে থকা কৰ্মচাৰীকেইজনে অবাক হৈ চাই আছে। কিংকৰ্তব্যবিমূঢ় এজনে 'দৈনিক অসম'খন মাধুৰীলৈ আগবঢ়াই দিলে। প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে 'চিজিন ব্ৰেচত চিফ আৰ্মি কমাণ্ডাৰক কোনোবা উগ্ৰপন্থীয়ে কামাখ্যা দৰ্শনৰ পথত গুলীয়াই হত্যা কৰিলে।

তাৰ তলত আকৌ লিখা আছে 'নুনমাটি এছ বি আইৰ জেনেৰেল মেনেজাৰ অজয় শৰ্মায়ো সেই উগ্ৰপন্থীৰ হাতত মৃত্যুবৰণ কৰে।'

মাধুৰীয়ে আৰু পঢ়িব নোৱাৰিলে। ইতিমধ্যে চাগৈ গোটেই অসমে এই মৃত্যুৰ বাতৰি পাইছে আৰু সকলোৰে সেই অভাগী পৰিয়ালটোৰেও। তাই আৰু ভাবিব নোৱাৰিলে। গাত লিপিত খাই থকা তেজৰঙা শাৰীখন দেখি তাইৰ সৰ্বশৰীৰ কঁপি উঠিল। তাইৰ ভাব হ'ল কঁপালতো বাৰু তেজৰঙা ফোটটো আছে নে নাই। তাই বাৰু কথা দি অহা ঘৰখনলৈ ঘূৰি গৈ কেনেকৈ ক'ব- 'মই তোমালোকৰ কন্যাবোৰক ৰক্ষা কৰিব নোৱাৰিলো। আনকি ৰক্ষাৰ কৱচ পিন্ধা শ শ জীয়া কুকুৰেও নোৱাৰিলে। ❑

॥ জীৱনৰ চৈধ্যটা ভুল ॥

১। নিজৰ ধাৰণাৰ অনুযায়ী ন্যায় অন্যায়ৰ আদৰ্শ ঠিৰাং কৰি, সকলোৰেই সেই আহিঁৰ সমৰ্থন কৰিব এনে আশা কৰা।
২। নিজৰ আনন্দৰ মাত্ৰাৰ হিচাপেৰে আনৰ আনন্দৰ মাত্ৰাৰ হিচাপ কৰা।
৩। পৃথিৱীত সকলো একমত হ'ব এনে আশা কৰা।
৪। ল'ৰা আৰু ডেকাৰ মাজত বিচাৰ শক্তি আৰু অভিজ্ঞতাৰ আশা কৰা।
৫। সকলোৰে স্বাভাৱিক একেৰকম কৰি গঢ়িবৰ চেষ্টা কৰা।
৬। সামান্য বিষয়ত নিজৰ পৰাজয় স্বীকাৰ নকৰা।
৭। নিজৰ কাম একেবাৰে নিৰ্দোষ দেখিবৰ ইচ্ছা।
৮। যাৰ সংশোধনৰ উপায় নাই সেই বিষয় লৈ নিজক আৰু আনক বিৰক্ত নকৰা।
৯। দুখ বা অধঃপতন দেখিলে পৰপক্ষত দূৰ কৰিবৰ চেষ্টা কৰা।
১০। আনৰ দুৰ্বলতাক ক্ষমা কৰিবৰ শক্তি নথকা।
১১। নিজে যি কৰিব নোৱাৰোঁ তাক অসম্ভৱ বুলি অনুমান কৰা।
১২। আমাৰ সীমাবদ্ধ মনে যাক ধাৰণা কৰিব পাৰে, অকল তাকেই সচাঁ আৰু সত্ত্বৰপৰ বুলি বিশ্বাস কৰা।
১৩। এইদৰে জীৱন অতিবাহিত কৰা, যেন জীৱনৰ প্ৰতি মুহূৰ্ত দণ্ড আৰু দিন - অনন্তকাল স্থায়ী হ'ব।
১৪। গুপ্ত গুণক উপেক্ষণ কৰি বাহিৰৰ গুণৰ হিচাপে মানুহৰ মূল্য নিৰূপণ কৰা।

সংগ্ৰহক
শ্ৰী নীলোৎপল শৰ্মা
আলোচনী সম্পাদক





# অশ্ৰুলেখাৰ উচুপনি

○ নিলুৎফা বেগম
স্নাতক প্ৰথম বৰ্ষ

অবিনাশ চৌধুৰী অশ্ৰুলেখা বৰুৱাৰ প্ৰতিবেশী। অবিনাশ চৌধুৰী এজন অৱসৰপ্ৰাপ্ত চৰকাৰী চাকৰিয়াল। আগতে অবিনাশ চৌধুৰীহঁতৰ পৰিয়ালটো শিলঙত আছিল। কিন্তু এতিয়া চাকৰিৰ পৰা অৱসৰ লোৱাত গুৱাহাটীৰ ৰূপনগৰত নতুনকৈ ঘৰ সাজি থাকিবলৈ লয়। সেই নতুন ঘৰতে একমাত্ৰ পুতেক ৰূপম চৌধুৰীৰ জন্মদিন উপলক্ষে ওচৰৰ প্ৰতিবেশীক নিমন্ত্ৰণ জনাইছিল।

আবেলি হোৱাৰ লগে লগে নিমন্ত্ৰিত অতিথিৰে ঘৰ ভৰি পৰিছিল। অশ্ৰুলেখায়ো দেউতাকৰ লগত তেওঁলোকৰ ঘৰলৈ গৈছিল। গৈ পোৱা মাত্ৰকে অবিনাশ চৌধুৰীয়ে অশ্ৰুলেখা আৰু অশ্ৰুলেখাৰ দেউতাকক সম্ভাষণ জনালে লগতে ৰূপমকো মাতিলে তেওঁলোকৰ লগত পৰিচয় কৰি দিবৰ কাৰণে-

ৰূপম : দেউতা তুমি মোক মাতিছা?

অবিনাশ : মিঃ বৰুৱা, ৰূপম আমাৰ একমাত্ৰ সন্তান। বৰ্তমান ৰূপমে এম এ পঢ়ি আছে। মাজনী তুমি কোন ক্লাছত পঢ়া?

অশ্ৰুলেখা : বৰদেউতা মই ক্লাছ এইটত পঢ়ো।

ৰূপম : খুৰা আপুনি দেউতাৰ লগত কথা পাতক, ভিতৰত কেইজনমান মোৰ বন্ধু বহি আছে, মই অলপ তাৰ পৰা আহো।

মিঃ বৰুৱা : অ' যোৱা যোৱা।

ৰূপমহঁতৰ ঘৰৰ পৰা উভতি আহোতে অশ্ৰুলেখাহঁতৰ নিশা বহুত দেৰি হৈছিল। পিচদিনা আছিল সোমবাৰ। অশ্ৰুলেখাই স্কুললৈ যাবলৈ ওলাই আহি হঠাতে ৰূপমক বাটত ৰৈ থকা দেখিলে। তাই ৰূপমক দেখাৰ লগে লগে মিচিকিয়া হাঁহি মাৰি আঁতৰি গ'ল। ইয়াৰ পিচত ৰূপমে কেতিয়াবা বাটত নাইবা কেতিয়াবা ঘৰৰ চোতালত বহি তাইৰ ফালে চাই থকা প্ৰায়ে অশ্ৰুলেখাই দেখিছিল। কিন্তু তাইৰ মগজুৱে চুকি পোৱা নাছিল ৰূপমৰ আকুল চাৱনিৰ কথা।

প্ৰাকৃতিক নিয়ম অনুসৰি অশ্ৰুলেখাই এদিন পূৰ্ণ যৌৱনত ভৰি দিলে। তাইৰ দুচকু লাজুকী চাৱনিৰে ভৰি পৰিছিল। এই সময়তে কিশোৰীৰ বুকুত নতুন নতুন আশা জাগ্ৰত হৈ উঠে। ৰূপমক কেন্দ্ৰ কৰি তাইৰ মনত নতুন নতুন ভাবৰ জোঁৱাৰ উঠিবলৈ ধৰিছিল। ৰূপমৰ অবিহনে যেন তাইৰ জীৱনটোৱেই শূন্য, অসাৰ। ৰূপমেই তাইৰ জীৱনৰ আচল সম্বল, জীয়াই থকাৰ প্ৰেৰণা, বাকীবোৰ অন্তঃসাৰশূন্য সাহবিহীন শুকান শামুক সদৃশ।

এনেদৰে দিনৰ পিচত সপ্তাহ, সপ্তাহৰ পিচত মাহ আৰু মাহৰ পিচত কেইবাটাও বছৰ পাৰ হৈ গৈছিল। অশ্ৰুলেখায়ো মেট্ৰিক পাছ কৰি কলেজত নাম লগাইছিল। কলেজত বহুতো বন্ধু-বান্ধৱী লগ পালে যদিও মনালিছাৰ সমান কাকোৱে ইমান নিবিড়ভাৱে ল'ব নোৱাৰিলে। লাহে লাহে অশ্ৰুলেখায়ো মনালিছাক জীৱনৰ কিছুমান ঘটনা ক'লে, যিবোৰ ঘটনা কিছুমান পুঞ্জীভূত বেদনা হৈ তাইৰ হৃদয়ত তেতিয়াও আছিল। মনালিছাই তাইৰ মনৰ কথা ৰূপমক ক'ব খুজিছিল যদিও অশ্ৰুলেখাই মনালিছাক ক'বলৈ মানা কৰিছিল। কাৰণ আজিকালি তাইৰ ফালে আগৰ দৰে নাচায়, নাহাঁহে আৰু উপযাচি মাতিলেও সি বেলেগ কথাৰ চেলু উলিয়াই তাইৰ কাষৰ পৰা আঁতৰি যায়।

জন্মদিনৰ দিনা ৰূপমে অশ্ৰুলেখাক প্ৰথম দেখিছিল। সি অশ্ৰুলেখাৰ দেউতাকক নমস্কাৰ দিওঁতে তাই তাক বিমুগ্ধ নয়নেৰে চাই থকাও সি দেখিছিল। ৰূপমে ভাবিছিল জীৱনত কোনোবা এজনী ছোৱালীক আপোন কৰি ল'ব লাগিব আৰু ঠিক সময়তে পাইছিল অশ্ৰুলেখাক। কিন্তু দুয়োৰে মাজত বয়সৰ পাৰ্থক্যই বাধাৰ সৃষ্টি কৰে, কাৰণ অশ্ৰুলেখা যে ৰূপমতকৈ বহু সৰু। সেয়েহে ৰূপমে জীৱন যাত্ৰাৰ গতি সলনি কৰি দিছিল। সি তাৰ মনৰ মাজৰ পৰা অশ্ৰুলেখাক সম্পূৰ্ণ আঁতৰাই পেলাইছিল। এদিন ৰূপমে পঢ়া সাং কৰি প্ৰফেচৰ হয়। এতিয়া সি অশ্ৰুলেখাক নিবিচাৰে, বিচাৰে মাথোঁ ৰূপমৰ হৃদয়ে প্ৰীতিৰেখাক, যি ৰূপমৰ কলেজৰ সহপাঠী। কাৰণ অশ্ৰুলেখা তাৰ ভনীয়েকৰ নিচিনাহে। সেয়ে দুয়োৰে মাজত প্ৰেম হোৱাটো অসম্ভৱ।

এটা দুটাকৈ দিনবোৰ ক্ৰমান্বয়ে পাৰ হৈ গৈ থাকিল। অশ্ৰুলেখায়ো কলেজলৈ সদায় যাবলৈ ধৰিলে। কিন্তু কেইদিনমানৰ পৰা অশ্ৰুলেখাৰ মন একেবাৰে বেয়া; কাৰণ ৰূপমৰ বিয়া প্ৰীতিৰেখাৰ লগত। সেয়েহে তাই একেবাৰে ভাগি পৰিছিল। তাইৰ জীৱনৰ প্ৰথম নিস্বাৰ্থ প্ৰেম এইদৰে আধাফুলা কলিতে মৰহি গ'ল। কোৱা হয় প্ৰথম প্ৰেমৰ স্মৃতি চিৰস্থায়ী। ইয়াক পাহৰা সম্ভৱ নহয়। তাই আনে গম নোপোৱাকৈ হাঁহি-ধেমালি কৰিলেও অকলশৰীয়া হ'লেই তাইৰ দুচকু অশ্ৰুৱে আৱৰি পেলায়। অশ্ৰুলেখায়ো ভবা নাছিল যে তাইৰ নামৰ লগত জীৱনটোৰ এটা সাদৃশ্য আছে। ফলত তাইৰ হৃদয়ৰ উচুপনি ক্ৰমান্বয়ে বাঢ়ি গৈ থাকিল।

পূজাৰ বন্ধত কলেজলৈ যোৱাও বন্ধ। ঘৰত থকাৰ সময়ত অশ্ৰুলেখাৰ মনলৈ বহুতো প্ৰশ্ন জাগৃত হৈছিল। যিবিলাক প্ৰশ্নৰ উত্তৰ তাই বিচাৰি নাপায়। ইফালে বিয়ালৈ দুদিনো নাই। তাইৰ নিজকে শেষ কৰি দিবৰ মন গৈছিল। মনটো পাতলাবৰ কাৰণে গধূলি সময়ত ফুৰিবলৈ ওলায় যায়। ফুৰি আহি মাকক গাটো বেয়া লাগিছে বুলি কৈ বিছনাত শুই পৰিছিল। কিন্তু চকুত অলপো টোপনি নাই, বিয়াঘৰৰ হাই-উৰুমি সিহঁতৰ ঘৰৰ পৰা শুনা পায়। নিশাৰ নিজ্জতা ভেদ কৰি দুটা-এটা চৰাইৰ কোলাহলে পুৱাৰ আগজাননী দিছিল।

আবেলি সময়ত নিমন্ত্ৰিত অতিথিবে বিয়াঘৰ উপচি পৰিছিল। অশ্ৰুলেখাও মাক-দেউতাকৰ লগত বিয়া ঘৰলৈ আহিছিল। ৰূপমক দৰা সাজত দেখা মাত্ৰকে তাইৰ অন্তৰ কান্দি উঠে ৰূপমক হেৰুৱাবলগীয়া হোৱাত। অশ্ৰুলেখা বাহ্যিক দৃষ্টিত জীয়াই আছিল যদিও নিয়তিৰ পৰীক্ষাত তাইৰ অন্তৰ আত্মা সেইদিনাই মৃত্যু হৈছিল যিদিনা তাই ৰূপম আৰু প্ৰীতিৰেখাৰ বিয়াৰ চিঠিখন পাইছিল। সেয়েহে তাইৰ জীয়াই থকাৰ কোনো ইচ্ছা নাছিল। তাই জানে মানুহৰ জীৱনত পোৱা-নোপোৱা, আশা-আকাংক্ষা, হিংসা-প্ৰতিহিংসা আদি থাকে, তথাপি মানুহ আশাবাদী জীৱনৰ প্ৰতি মোহবদ্ধ হয়। কিন্তু কিছুমান কাম এনে থাকে যি জানি বুজি ভুল কৰা হয়। তাই জানে ৰূপম এতিয়া তাইৰ হৈ থকা নাই, তথাপি কিয় জানো তাইৰ হৃদয়ে ৰূপম আঁতৰি যোৱাৰ বেদনা নীৰৱে গ্ৰহণ কৰিব নোৱাৰিলে। তাইৰ মগজে কাম নকৰা হৈছিল। এনেদৰে মনলৈ নানাধৰণৰ স্মৃতিবোৰ আহিবলৈ ধৰিছিল। অশ্ৰুলেখাই ভাবিছিল সময়ে তাইৰ হৃদয়ৰ ঘাঁ শুকুৱাৰ আগতে আটাইতকৈ ভাল দৰৱ মৃত্যুৰ শীতল কোলাত আশ্ৰয় লোৱাহে। তাই আনি থোৱা আৰ্চেনিক বটলৰ পানীখিনি মুখত বাকি দিলে। অলপ সময়ৰ পিচতে অশ্ৰুলেখাইতৰ ঘৰ মানুহেৰে ভৰি পৰিছিল। তাৰ মাজেৰে ৰূপমে দৰা সাজেৰে দৌৰি আহি অশ্ৰুলেখাৰ মূৰটো কোলাত তুলি লয় আৰু দুগাল অশ্ৰুৰে বুৱাই পেলাইছিল। ইতিমধ্যে অশ্ৰুলেখাই সকলোকে বিদায় বুলি কৈ চিৰদিনৰ কাৰণে মৃত্যুৰ শীতল কোলাত আশ্ৰয় ল'লে। □





# এয়েতো জীৱন

○ অৰ্চনা বৰ্মন
স্নাতক প্ৰথম বৰ্ষ

এৰা, জীৱনটো চাগৈ এনেকুৱাই। কত ঘাত-প্ৰতিঘাত, ঠগ-প্ৰৱঞ্চনা আদিৰে পৰিপূৰ্ণ, ভাবিলেই কিবা লাগি যায়।

মানসীয়ে যে কত কল্পনা কৰিছিল বিকাশক লৈ, ভৱিষ্যতৰ কত সপোন দেখিছিল তাই। এদিন মানসীয়ে বিকাশক সুধিছিল-

ঃ বিকাশ,তুমি বাৰু আমাৰ সংসাৰখন কেনে হোৱাটো বিচৰা ?

ঃ মানে ?

ঃ ধৰা, আমাৰ প্ৰথম সন্তানটো ল'ৰা হ'ল, তুমি সি কি হোৱাটো বিচাৰিবা ?

বিকাশে বীৰদৰ্পে উত্তৰ দিলে- 'আমাৰ এই সমাজখনত থকা অৱহেলিত, নিষ্পেষিত আৰু আনৰ চকুত সমাজৰ অপদাৰ্থ বুলি ভবা বেমাৰীসকলক শুশ্ৰূষা কৰা এজন সুচিকিৎসক হোৱাটো।'

বিকাশৰ এই দীঘল বক্তৃতাটো শুনি মানসীয়ে হাঁহি হাঁহি ক'লে-

ঃ ইস, ডাক্তৰৰ বাপেকটো।

কিন্তু তেওঁলোকৰ এই সকলো কল্পনা-জল্পনা শেষ হৈ গ'ল যিদিনা ড° বৰ্মাই তেওঁৰ শেষ সিদ্ধান্তটো শুনালে যে তাই কেতিয়াও 'মা' হ'ব নোৱাৰে।

সহজ-সৰল আৰু সহিষ্ণু মনৰ অধিকাৰিনী মানসীয়ে এই নিষ্ঠুৰ সত্যটো সহজভাৱেই ল'লে যদিও তাইৰ বিকাশলৈ চাই এটা হুমুনিয়াহ আহিল।

মানসীয়ে কান্দি কান্দি বিকাশক ক'লে-

ঃ বিকাশ, তোমাক মই বৰ ভাল পাওঁ আৰু তোমাৰ পৰাও মই বিচৰা সকলোখিনি মৰম, ভালপোৱা পাইছোঁ। কিন্তু মই তোমাক; তোমাৰ ভালপোৱাৰ উচিত মূল্য দিব নোৱাৰিলো। সঁচাকৈয়ে বিকাশ মই বৰ দুৰ্ভগীয়া, মোৰ জীৱনটো অৰ্থহীন। যিজনী স্ত্ৰীয়ে তাইৰ পৰম আৰাধ্য, ভালপোৱা মানুহজনৰ মনৰ আশা-আকাংক্ষা, কল্পনা-জল্পনাক বাস্তৱত ৰূপায়িত কৰিব নোৱাৰে তাইৰ সমান দুৰ্ভগীয়া স্ত্ৰী এই পৃথিৱীত আৰু কোনো নাই। তাই মৰি যোৱাই শ্ৰেয়। বিকাশে মানসীক বাধা দি ক'লে-

ঃ ছিঃ মানসী, তোমাৰ পৰা মই এনে অমংগলীয়া কথা কেতিয়াও আশা কৰা নাছিলো আৰু ভৱিষ্যতেও নকৰো। তোমাক মই ভাল পাইছিলো কিবা পোৱাৰ আশাত নহয়; তোমাৰ ব্যক্তিত্ব, সহজ-সৰল মনোভাৱ আৰু মোক আকৰ্ষণ কৰিব পৰা সকলোখিনিয়ে তোমাৰ আছে কাৰণেহে। আৰু তুমি কৈছা তোমাৰ জীৱনটো অৰ্থহীন। মনত ৰাখিবা মানসী, যিজনে নিজৰ জীৱনটোক অৰ্থহীন জ্ঞান কৰে তেওঁ অকল দুৰ্ভগীয়াই নহয়, তেওঁ জীয়াই থকাৰ বাবে অনুপযুক্তও। কিন্তু মানসী, তুমি আন নহ'লেও অন্ততঃ মোৰ কাৰণে জীয়াই থাকিব লাগিব, তুমি অবিহনে মোৰ জীৱনটো বৃথা। মানসী, তোমাক মই পত্নীৰূপে আৰু প্ৰেমিকাৰূপে পাই অত্যন্ত সুখী।

ঃ বি-কা-শ ! মানসীয়ে নিজকে সংযত কৰিব নোৱাৰি চিঞৰি বিকাশক সাৱটি ধৰিলে- যেন পৃথিৱীখন তেওঁলোকৰহে। তাৰ পিচত নাহেকৈ ভৰিখন চুই ক'লে- সঁচাকৈয়ে মই বৰ ভাগ্যৱতী নাৰী, যিজনীয়ে তোমাক পতিৰূপে পাই জীৱনটোক ধন্য মানিছে।

এনেকৈয়ে বিকাশে মাক-দেউতাক আৰু মানসীক লৈ গতানুগতিকভাৱে চলি আছিল। কেতিয়াবা মানসীয়ে বহুতো কল্পনা কৰে যে তাইকো কোনোবাই এদিন 'মা' বুলি মাতিব, তাইৰ কল্পনাৰ সন্তানটোৰ নাম দিব 'দীপ'- যিয়ে বিকাশৰ বংশ উজলাই তুলিব , যিয়ে তাইৰ আৰু বিকাশৰ মৰহি যোৱা জীৱনত পুনৰ প্ৰাণৰ সঞ্চাৰ কৰিব। কিন্তু তাইৰ সেই কল্পনা কেৱল কল্পনাহে যি কেতিয়াও বাস্তৱ হ'ব নোৱাৰে।

বিকাশৰ মাক-দেউতাকে মানসীক বৰ মৰম কৰিছিল যদিও তেওঁলোকে পিচলৈ নিজৰ একমাত্ৰ পুত্ৰৰ ভৱিষ্যৎ ভাবি বিকাশক দ্বিতীয় বিবাহ কৰিবলৈ কৈছিল। কিন্তু বিকাশে মাক-দেউতাকৰ সকলো কথা অগ্ৰাহ্য কৰিছিল। তাৰ মানসপটত ভাঁহি উঠে কেৱল 'মানসী'। সি কেতিয়াও দ্বিতীয় বিবাহৰ কথা ভাবিব নোৱাৰে।

আনহাতে, মানসীক প্ৰায়ে উদ্বেগ আৰু হতাশাই আমনি কৰে। যিমানেই যি নহওক তাই তিৰোতাহে। তিৰোতাৰ চৰম আকাংক্ষিত বস্তুটো হ'ল মাতৃত্ব লাভ কৰাটো, যিটোৰ পৰা তাই সম্পূৰ্ণৰূপে বঞ্চিতা। এইফালে সমাজৰ মানুহৰ ঠাট্টা-প্ৰৱঞ্চনা, অমংগলীয়া বাজী তিৰোতা বুলি কটু-সমালোচনা, শাহ-শহুৰেকৰ তাইৰ প্ৰতি কঠোৰ মনোভাৱ আদিয়ে
মানসীৰ কুমলীয়া মনটোক বৰ আঘাত দিলে।

এদিন মানসীয়ে বিকাশক ক'লে

ঃ বিকাশ তুমিটো মোক বৰ ভাল পোৱা নহয়নে ?

ঃ অ, কিয় সুধিলা ?

ঃ বিকাশ তোমাক মই এটা বস্তু খুজিম দিবানে কোৱা ?

বিকাশে হাঁহি হাঁহি ক'লে-

ঃ মানসী, সেইটো আৰু সুধিব লগা কথা নেকি? এই সকলোবোৰতো তোমাৰেই।

ঃ বিকাশ, কথাটো এনেকৈ উৰুৱাই দিবলৈ চেষ্টা নকৰিবা; অলপ চিৰিয়াছলি ল'বলৈ যত্ন কৰাচোন- গিৰিয়েকৰ ওচৰত দাবী। 'মোৰ শপত খাই কোৱা দিবানে নিদিয়া।'

ঃ আচ্ছা, তোমাৰ শপত, মই তুমি বিচৰা, তুমি দাবী কৰা প্ৰতিটো বস্তুৰেই দিবলৈ প্ৰস্তুত। কোৱা কি বিচাৰিছা ?

ঃ বিকাশ, মোক তোমাৰ সন্তান লাগে। যাক লৈ আমি এদিন ৰঙীন কল্পনা কৰিছিলো ভৱিষ্যতৰ সপোন দেখিছিলো।

ঃ মানসী, এইবোৰ তুমি কি কৈছা ? এইটোতো তুমি অসম্ভৱ বুলি জানাই।

ঃ অসম্ভৱ ? কিয় অসম্ভৱ হ'ব ? এইটো মোৰ কাৰণে হ'লেও তোমাৰ কাৰণেটো অসম্ভৱ নহয়।

ঃ মানসী, তুমি এইবোৰ কি অবান্তৰ কথা কৈছো। কি ক'বলৈ বিচাৰিছা স্পষ্টকৈ নোকোৱা কিয় ?

ঃ বিকাশ, তুমি দ্বিতীয় বিবাহ কৰোৱা। অন্ততঃ মই তোমাৰ সন্তানৰ মুখত 'মা' মাতষাৰ শুনিবলৈ পাম।

ঃ মানসী, তুমি পাগলী হৈছা নেকি ? তোমাৰ বাহিৰে মই আন কাৰো কথা চিন্তা কৰিব নোৱাৰো সেইটো তুমি ভালদৰে জানাই।

ঃ বিকাশ পাগলী মই নহওঁ। পাগল হয়তো তুমি - মিয়ে এজনী বাজী তিৰোতাক লৈ এনেকুৱা নীৰস জীৱন-যাপন কৰিছা। জীৱনটোক এনেদৰে অথলে যাবলৈ দিয়াটোও উচিত নহয় বিকাশ, জীৱনটো সকলো ফালৰে পৰা হাঁহি-আনন্দৰে উপভোগ কৰিব পৰাটোৱেই প্ৰকৃত জীৱন। তদুপৰি যিখন ঘৰত স্বৰ্গীয় শিশুৰ মাত-কথা, হাঁহি-কান্দোন আদি নাথাকে সেইখন ঘৰ নহয়; মৰিশালিহে। সেই কাৰণে কৈছো বিকাশ, তুমি দ্বিতীয় বিবাহ কৰোৱা। তোমাৰ কাৰণে নহ'লেও মোৰ কোনোলৈ এবাৰ চাই... বিকাশ, তুমি নুবুজিবা মোৰ অন্তৰে সদায় এষাৰ 'মা' মাত শুনিবৰ কাৰণে হাহাকাৰ কৰি থাকে।

ঃ মানসী, তুমি জানো সমাজৰ ককৰ্থনা, সতিনীৰ ভৰ্ৎসনা আদি সহ্য কৰিব পাৰিবা?

ঃ বিকাশ, সমাজখনটো কেৱল মানুহৰ কাৰণেই, মানুহৰ দ্বাৰাই গঢ়া। তাত যেনিবা মানুহৰ মনৰ ধ্যান-ধাৰণা, আচাৰ-ব্যৱহাৰ আদি বেলেগ। তদুপৰি সমাজৰ ককৰ্থনা, সতিনীৰ ভৰ্ৎসনা আদিলৈ মোৰ ভ্ৰূক্ষেপ নাই, সমাজখনটো এবা-ধৰাৰ মাজেৰেই চলি থাকে। বৰ্তমান এই সমাজখনৰ লগত খাপ খাই, কাৰো অধিকাৰত হস্তক্ষেপ নকৰি, কাৰো অন্যায় চিন্তা নকৰি গতানুগতিকভাৱে চলি যাব পৰাটোৱেই প্ৰকৃত মানৱতাবোধ।

ঃ মানসী, তুমি সঁচাকৈয়ে নমস্য নাৰী । তোমাৰ দৰে মহীয়সী নাৰীক পত্নীৰূপে পাই মোৰ জীৱন ধন্য হৈছে। মই তোমাৰ কামনা পূৰণ কৰিবলৈ প্ৰাণে-পণে চেষ্টা কৰিম।

বিকাশে তেওঁৰ সিদ্ধান্তৰ বিষয়ে আৰু মানসীৰ মনোভাৱৰ বিষয়ে মাক-দেউতাকক জনালে। মাক-দেউতাকে বিকাশৰ সিদ্ধান্ত আৰু বোৱাৰীয়েকৰ মনোভাৱক লৈ সন্তুষ্ট হ'ল আৰু তেওঁলোকে পুতেকৰ কাৰণে এজনী মধ্যবিত্ত পৰিয়ালৰ ৰূপহী ছোৱালী ৰূপালীক পছন্দ কৰিলে। কেইদিনমানৰ ভিতৰতে তেওঁলোকৰ ক'উত বিয়া হৈ গ'ল।

ৰূপালীয়ে কিন্তু বিকাশক বিয়া কৰোৱা নাছিল, বিয়া কৰাইছিল কেৱল তেওঁৰ ধন-সম্পত্তিকহে। তদুপৰি তাই বৰ চঞ্চল মনৰ আছিল। বিকাশৰ লগত তাই প্ৰতিটো কথাতেই তৰ্ক কৰিছিল। মুঠতে ৰূপালী আছিল মানসীৰ সম্পূৰ্ণ বিপৰীত।

এনেকৈয়ে বিকাশৰ পৰিয়ালৰ সকলোৰে জীৱন দ্বন্দ্ব-খৰিয়াল, হা-হুমুনিয়াহ আদিৰ মাজেৰে চলি গৈছিল। মানসীয়েও নিজকে সকলো ফালৰে পৰা প্ৰস্তুত কৰি লৈছিল।

এদিনাখন তেওঁলোকৰ এই অশান্তিৰ মাজতো এটি ভাল খবৰে সকলোৰে মনত অলপ শান্তিৰ সঞ্চাৰ কৰিলে। ৰূপালী 'মা' হ'বলৈ ওলাইছে। বিশেষকৈ মানসীয়ে এইবাৰ বিকাশৰ সন্তানৰ মুখ দেখা পাব বুলি বৰ স্ফূৰ্তি কৰিছিল। তাই মনে মনে ঈশ্বৰক অশেষ ধন্যবাদ দিছিল।

বৰ আনন্দৰে মানসীয়ে ৰূপালীক শুশ্ৰূষা কৰে, নিয়মমতে খুৱাই, অলপ অসুখ হ'লেই ডাক্তৰ আনে। বিকাশ কিন্তু সকলো ফালৰ পৰাই নিৰ্বিকাৰ। কাৰণ তেওঁ ইতিমধ্যে প্ৰকৃত চৰিত্ৰৰ ৰহস্য উদ্ঘাটন কৰিছে। তথাপিও তেওঁ মানসীৰ আনন্দ চাই তাতেই অলপ সন্তুষ্টি লাভ কৰে। এনেকৈয়ে দিন বাগৰাৰ লগে লগে সেই শুভ ক্ষণটো আহিল। পুৰা ৯ মাহ বজাত বিকাশ বৰুৱাৰ শোৱনি কোঠাত শুনা গ'ল ওঁৱা-ওঁৱা-ওঁৱা ! সেই কোঠাত মানসীও আছিল। মানসী আৰু নাৰ্ছগৰাকীয়ে ৰূপালীক শুশ্ৰূষা কৰি ঘূৰি চাই দেখে সুস্থ, সুঠাম এটা ল'ৰা। মানসীয়ে চিঞৰি মাতিলে বিকাশ তোমাৰ পুত্ৰ। বিকাশে বেগেৰে সোমাই গৈ দেখে গোলাপ বৰণ শিশুটিয়ে যেন পিতৃক চাবলৈ বিচাৰিছে। মানসীয়ে এটা চুমা খাই বিকাশৰ হাতত তুলি দিলে নৱজাতকক। হাঁহি হাঁহি পৰম তৃপ্তিৰে বিকাশে অনুভৱ কৰিলে পিতৃত্বৰ গৌৰৱ আৰু আনন্দ। মানসীৰ আনন্দতে দুচকুৰে পানী বাগৰি আহিল। তাই মনে মনে ভাবিলে ৰূপালী সঁচাকৈয়ে বৰ ভাগ্যৱতী।

বিকাশ আৰু মানসী বাহিৰলৈ আহি নৱজাতকৰ নাম বিচৰাত ব্যস্ত হ'ল। মানসীয়ে বিকাশক ক'লে-

ঃ বিকাশ, মই আগতেই এটি নাম ভাবি থৈছিলো। তোমাৰ বা কেনে লাগে ?





ঃ কোৱাচোন ?

ঃ দীপ, দীপজ্যোতি বৰুৱা। এই নামটোৱেই হ'ব তোমাৰ মোৰ কল্পনাৰ সেই ভাস্বজল। যিজনক লৈ তুমি এদিন কল্পনা কৰিছিলা। যিয়ে সকলোৰে অন্তৰত প্ৰাণৰ সঞ্চাৰ কৰিব, যাৰ পোহৰেই আমাৰ এই সমাজত অৱহেলিত, নিষ্পেষিত আৰু অপদাৰ্থ বুলি গণ্য কৰা ৰোগীসকলৰ জীৱন উদ্ভাসিত কৰিব। বিকাশে হাঁহি মাৰি ক'লে-

ঃ ঠিক ভাল নাম বাছনি কৰিছা তুমি । নামটো মোৰ বৰ পছন্দ হৈছে।

বিকাশ আৰু মানসীৰ এই সকলোবোৰ কথা হিংসাকুৰীয়া স্বভাৱৰ ৰূপালীয়ে ভিতৰৰ পৰা শুনি আছিল। তাই মনে মনে ভাবিলে মানসী, তই মোক চিনি পোৱা নাই, কেইদিনমান ধৈৰ্যধৰ, তোৰ এই সকলো কল্পনা মই শেষ কৰি দিম।

দিনবোৰ যোৱাৰ লগে লগে দীপেও কলকলালে, 'মা' বুলি ক'ব পৰা হ'ল, চন্দ্ৰকলাৰ দৰে বাঢ়িবলৈ ধৰিলে। তাৰ এই মাতত মানসীয়ে ঘৰখনকেই স্বৰ্গ বুলি অনুভৱ কৰিলে। হিংসাকুৰীয়া, স্বাৰ্থপৰ ৰূপালীৰ কিন্তু মানসীৰ এই সুখ সহ্য নহ'ল। তাই সদায় বিকাশৰ আগত মানসীৰ কুৎসা ৰটনা কৰিবলৈ ধৰিলে। সকলো সময়তে তাই মানসীৰ দোষবোৰত চকু দিয়ে আৰু সুবিধা পালেই গালি পাৰে। মানসীয়ে কিন্তু সকলোবোৰ সহ্য কৰি গ'ল। এদিন বিকাশ নথকা সময়ত ৰূপালীয়ে মানসীক উদ্দেশ্য কৰি ভোৰ-ভোৰালে,- 'এই কুলক্ষণীয়া, বাজী, অংগলীয়া তিৰোতা ঘৰত থাকিলে কাৰোৱে শান্তি নহয়। আজি মোৰ পোনাটোক তাই খুৱাইছিল কাৰণে তাৰ আজি ইমান অসুখ হ'ল। মোৰ সোনটোৰ মূৰটো খাবলৈহে আশা কৰি আছে।'

ৰূপালীৰ এই কটু কথা শুনি দীপৰ কথা ভাবি মানসীয়ে বিকাশলৈ সকলো কথা জনাই খেন চিঠি লিখি তাই তাইৰ মাক-দেউতাকৰ ঘৰলৈ গ'ল। বিকাশে অফিচৰ পৰা আহি টেবুলত থকা চিঠিখন পঢ়িলে-

মৰমৰ বিকাশ,

মৰম ল'বা। সঁচাকৈয়ে মই বৰ অসহায়, দুৰ্ভগীয়া নাৰী। আজি মই দীপক বাতিপুৱা ভাতকেইটা নিজ হাতেৰে খুৱাই দিছিলোঁ। কিন্তু কি আচৰিত ! এক ঘণ্টামান পিচতে তাৰ বৰ জ্বৰ উঠিল। ৰূপালী আৰু মা-দেউতাই কৈছে যে মই হেনো কুলক্ষণীয়া তিৰোতা, সেয়েহে আজি দীপৰ অসুখ হ'ল। কিন্তু এয়া কিমান বিশ্বাসযোগ্য, মই একো কবিব পৰা নাই। বিকাশ, মই তোমাৰ আৰু দীপৰ কাৰণে সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত। সেয়েহে মই মোৰ জীৱনৰ আটাইতকৈ বেদনাদায়ক, কৰ্কশ সিদ্ধান্তটো ল'লো য'ত কোনো আক্ষেপ নাই, দুখ নাই। বিশ্বাস কৰা বিকাশ, তোমাক দুখ দিবলৈ মোৰ অলপো ইচ্ছা নাছিল। কিন্তু কি কৰিবা ? মোৰেই ভাগ্য বেয়া। মই সেইখন ঘৰত থাকিলে তোমালোকৰ অমংগল যদি হয়, সেইটোত মই কেতিয়াও সুখী হ'ব নোৱাৰো। তোমালোকৰ সুখেই মোৰ সুখ। তুমি কেৱল দীপক মানুহ কৰিবা। মোৰ কাৰণে তুমি অলপো চিন্তা নকৰিবা। তোমাৰ আৰু মোৰ যদি ভালপোৱা সঁচা হয় তেন্তে আমাৰ এদিন হ'লেও মিলন হ'বই। বি-দা-য়।

ইতি-

তোমাৰ মানসী

চিঠিখন পঢ়ি বিকাশৰ ৰূপালীলৈ ভীষণ খং উঠিল আৰু বৰকৈ তাইক গালি পাৰিলে। ৰূপালীয়েও বিকাশৰ লগত সমানে সমানে তৰ্ক কৰিবলৈ ধৰিলে। বিকাশে ৰূপালীৰ লগত তৰ্ক কৰা অনৰ্থক বুলি জানি দীপক লৈ ভাত-পানী নোখোৱাকৈ বেলেগ কোঠা এটাত শুই থাকিল।

সকলোৱে ৰূপালীৰ প্ৰকৃত চৰিত্ৰৰ সম্ভেদ পালে সেইদিনাই যিদিনা তাই দীপক এৰি বিকাশৰ সকলো টকা-পইচা, ধন-সোণ লৈ তাইৰ পুৰণা প্ৰেমিকৰ ওচৰলৈ পলাই গ'ল। বিকাশে কিন্তু মনে মনে ভালেই পালে। বিকাশৰ মাক-দেউতাকৰো তেতিয়াহে অনুশোচনা আহিল যে তেওঁলোকে মানসীৰ সৰল অন্তৰত আঘাত দি কিমান ভুল কৰিছে।

মানসীক ব্যস্ত ৰখাৰ কাৰণে দেউতাকে তাইক তাইৰ যোগ্যতা চাই 'গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ'ৰ ঘোষিকা হিচাপে নিয়োগ কৰালে। এতিয়া মানসীয়ে তাইৰ জীৱনত ঘটা প্ৰতিটো কথাকেই সহজভাৱে ল'বলৈ চেষ্টা কৰিছে।

দীপো লাহে লাহে ডাঙৰ হ'বলৈ ধৰিলে। বিকাশে তাক ওচৰৰে 'ভনবন্ধ' স্কুলত নামভৰ্তি কৰি দিলে। পঢ়া-শুনাত চোকা দীপে সদায় শ্ৰেণীত প্ৰথম হৈ উত্তীৰ্ণ হয়। সি কেতিয়াবা দেউতাকক মাকৰ কথা সোধে। বিকাশে দীপক কয় যে তাৰ মাকে বহু দূৰত চাকৰি কৰে। বিকাশে দীপক টিভিত বাতৰি কোৱা মানসীক তাৰ মাক বুলি চিনাকি দিয়ে। তেতিয়া দীপে বৰ ফূৰ্তি পায় দেউতাকক কয়- 'দেউতা মোৰ মা ইমান ধুনীয়া, ইমান ভাল। দেউতা মাক তুমি কিয় লৈ নাহা ?'

পুতেকৰ কথা শুনি বিকাশে মানসীক ঘৰলৈ অনাৰ উদ্দেশ্যে আৰু ঘৰত ঘটি যোৱা সকলো কথা জনাই এখন চিঠি দিলে।

চিঠিখন পাই মানসী আৰু মাক-দেউতাক বিশেষকৈ ভায়েকে বৰ ফূৰ্তি পালে। চিঠিখন মেলি লৈ মানসীয়ে সন্তুষ্টিৰে হাঁহিলে যেন চিঠি নহয় বিকাশ মানুহটোকহে পাইছে।

ঃ মা, দেউতা, চিঠিখন হাতত লৈ যেন মই দীপটোক সাৱটি

লৈছো। মই যাম মা। মই যাম। মই যামেই। -মানসী উচুপি উঠিল। মানসীৰ দেউতাকে উলাহেৰে ক'লে-

ঃ চা, মানসী, মই তোক কৈছিলোৱেই নহয়, দুখৰ দিন সদায় নাথাকে। তদুপৰি তইতো কাৰো অন্যায় কৰা নাই; তোকলৈতো মই বেছ গৌৰৱ অনুভৱ কৰিছোঁ। কাৰণ এজনী বিবাহিতা নাৰীৰ বাবে সেইটোৱেই আটাইতকৈ মনোগ্ৰাহী কথা। যদি তেওঁৰ স্বামী পৰনাৰীৰ প্ৰতি আগ্ৰহী নহয়। কিন্তু মানসী, তইতো সকলোৱে স্বাৰ্থৰ কাৰণে সেই মহান ত্যাগটোও হাঁহিমুখে স্বীকাৰ কৰিছ। নিজৰ নহ'লেও আনৰ সন্তানৰ মুখত 'মা' মাতষাৰ শুনিবৰ কাৰণে সঁচাকৈয়ে মই বৰ ভাগ্যবান পিতৃ।

মানসীয়ে মাক-দেউতাকৰ আশীৰ্বাদ শিৰত লৈ আৰু ভায়েকৰ গাত হাত বুলাই বিকাশৰ ঘৰলৈ আহিল।

মানসীয়ে ঘৰলৈ আহিয়েই বিকাশক সেৰা কৰি সুধিলে মোৰ সোণটো ক'ত? বিকাশে দীপক ক'লে- 'সোণ, তোৰ মা।' মানসীয়ে দীপক সাবটি ধৰি চুমা খালে।

ঃ মা, তুমি ইমান দিন ক'ত আছিলা ? মই দেউতাক সদায় তোমাক লৈ অনাৰ কথা কওঁ। মা, দেউতাই মই ডাক্তৰ হোৱাটো বিচাৰে। তুমিও হেনো সেইটোৱেই বিচৰা। মা, মই ডাক্তৰ হমেই। তেতিয়া আৰু মোক তুমি এৰি যাব নোৱাৰা।

ঃ সোণ মই আৰু তোক কেতিয়াও এৰি নাযাওঁ, সদায় তোৰ লগতে থাকিম।

মাক, পুতেকৰ এই মহামিলনৰ দৃশ্য দেখি বিকাশৰ আনন্দৰ চকুলো ওলাল। তেওঁৰ মানসপটত জিলিকি উঠিল- এফে তেজ মঙহেৰে গঢ়া দুগৰাকী মাতৃৰ প্ৰতিচ্ছবি। এগৰাকী, যিগৰাকীয়ে নিজে জন্ম দিয়া সন্তান আৰু নিজৰ গিৰিয়েকক এৰি তেওঁৰ সকলো ধন-সোণ লুট কৰি আন এজন গিৰিয়েক লৈছে। আৰু আনহাতে, আন এগৰাকী সেই সবলমনা ত্যাগী মহীয়সী নাৰী, যিগৰাকীয়ে সমাজৰ কটু কথা, সতিনীৰ পৰা পোৱা বেয়া ব্যৱহাৰ আদি সকলোবোৰ আঁকোৱালি লৈছে। কি বিচিত্ৰ মানুহৰ মন, বিচিত্ৰ জীৱন ! ❒





# কবিতা



## মনে মোক সকীয়াই

● দীপশিখা মিশ্র
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ (কলা)

যিদিনা দেখিছিলো তোমাক মই
চাইছিলো সপনাই
কেতিয়াবা মন দাপোনত, কেতিয়াবা প্ৰাণত
আৰু কেতিয়াবা অভিলাসত ॥
কিন্তু তোমাৰ কোনো আক্ষেপ নাই
এপলক মৰমৰ বাবে নতুবা জীৱনৰ বাবে ।
প্ৰেম যেনো তোমাৰ বাবে
এখন শুকান তটিনী
যাৰ নাই বহল উপত্যকা॥
এতিয়া মোৰ প্ৰেম তোমাৰ বাবে অদ্ভুত নীৰৱতা।
মোৰ ব্যাকুলতাই তোমাক আৰু আমনি নকৰে
তোমাৰ হৃদয়ৰ প্ৰতি এতিয়া
বিদ্ৰোহ কৰো এমুঠি শব্দৰে।
প্ৰেমৰ যন্ত্ৰণা মই বুজো,
এয়াও জানো, প্ৰেম যে হ'ব পাৰে
উজাগৰি নিশাৰ দৰে নতুবা জোনৰ শীতল পোহৰৰ দৰে
তুমি জানানে প্ৰেমৰ আকুলতা কিম্বা আহ্বান?
মই হ'লে স্বীকাৰ কৰিছো...
ভগৱানে আমাক দিয়া এই অপূৰ্ব উপহাৰৰ সংজ্ঞা
বৰ কঠিন অথচ বহল পৰিসৰৰ।
সেয়ে হমুনিয়াহবোৰে মোক সকীয়াই দিলে
আক্ষেপ নকৰিবা,
মৰমে সদায় মৰম বিচাৰে
তুমিও তেনে মৰমৰ গৰাকী হ'বা
যদিহে প্ৰথম শব্দৰ প্ৰেমত পৰা
জীৱনৰ বাবে নতুবা কল্পনাৰ বাবে॥





## সত্তা

● ব্ৰজেন শৰ্মা

মোৰ ভৰিৰ তলত
এটি করুণ কাহিনী
গছকি থৈ
আহিছো শান্তিৰ পথলৈ
গংগাৰ স্নান বিচাৰি।

জীয়াই থাকোতে
মোৰ দেহৰ প্ৰতিটো অংগ
দুখীয়া মগনীয়াক বিলাই দিম
সিহঁতে যেন, সিহঁতৰ বুকুত
গঢ়িব পাৰে
পবিত্ৰ কামাখ্যা, মহামায়াৰ মন্দিৰ।
জীয়াই থাকোতে, বিধবা আইক
বগা আঁচলখন মেৰিয়াই দিম
মই চিঞৰি ক'ম
আই....
তুমি নাচাবা
বিংশ শতাব্দীৰ কেঁচা ৰক্ত
বন্দুকৰ নলীতে আছে
সিহঁতৰ 'সত্য পৰম ধৰ্ম'?







## উল্টা-পুল্টা

● প্ৰফুল্ল দত্ত
কলা শাখা

জুইশলা কাঠি মাৰি
টৰ্চটো জ্বলালো,
পূৰ্ণিমা নে অমাৱস্যা
টৰ্চ মাৰি চালো।

জাপ মাৰি পাৰ হ'লো
এবেগতীয়া খাল,
গোৰ মাৰি ভাঙি দিলো
মকৰাৰ জাল।

হাত দাঙি দাঙি ৰখাই দিলো
ভাঙৰ ভাঙৰ গাড়ী
টোপনিটো ভাঙি দিলো
এক খোচা মাৰি।

কিং কং দাৰাসিঙলৈ
ভয় নকৰো মই
পাতি হাঁহে খেদি আহিলে
লৰ মাৰো মই।

## মোৰ কবিতা


● জয়ন্ত কুমাৰ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (কলা)

মোৰ কবিতা এদিন অমৰ হ'ব,
সেই আশাত বন্দী হৈ নাথাকো মই।
মোৰ কবিতাৰ উৎস নহয় কোনো প্ৰেম বা বেদনা,
মোৰ কবিতাৰ উৎস হ'ল জীৱনৰ জটিলতা।
মোৰ কবিতাৰ উৎস হ'ল মানৱৰ মানসিকতা।

কোনো সপোনক প্ৰশ্ৰয় নিদি মই,
কবিতাৰ কৰিছো বাস্তৱক জয়।
প্ৰেম মোৰ কাম্য নহয়, বেদনা মোৰ কাম্য নহয়,
মোৰ কাম্য এটি সুখী জীৱনৰ মধুৰতা।

এই জীৱনক উৎস কৰিয়েই মই
সৃজিম অসংখ্য সুমধুৰ কবিতা।
আৰু এই কবিতাৰে কৰিম মই যুদ্ধ জয়
কিন্তু এই যুদ্ধ হ'ব জীৱন যুদ্ধ।
কোনো সামৰিক যুদ্ধ নহয়॥


আৰু এই যুদ্ধত মোৰ প্ৰধান অস্ত্ৰ হ'ব
এটা কলম, এটুকুৰা উকা কাগজ, সততা আৰু বাস্তৱ।



## শ্ৰদ্ধাঞ্জলি

● নিপামণি দাস
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ (কলা)

হে মোৰ দেশৰ বাবে
প্ৰাণ আহুতি দিয়া
বীৰ জোৱানসকল
তোমালোকক জনাওঁ
শতবাৰ নমস্কাৰ।
প্ৰতিজ্ঞা কৰিছিলা এদিন
এটি দিনত যিদিনা তোমালোকে
সকলোৱে ভগৱানৰ পৰা
বিজয়ৰ পতাকা ল'ই হাঁহি হাঁহি আহিবা,
কিন্তু তাৰ বিপৰীতে নিষ্ঠুৰ
কালৰ গ্ৰাসত পৰি তোমালোকে
দিলা হাঁহি হাঁহি দেশৰ
কাৰণে প্ৰাণ বিসৰ্জন।
হে মোৰ বীৰ জোৱান পুত্ৰসকল
তোমালোকে মৃত্যুবৰণ কৰি যোৱা
সেই অজান দেশখনত আছে নেকি
যুদ্ধ, বিদ্বেষ, হিংসা, কপটতা।
মই আশা কৰো তোমালোকৰ
সেই দেশখনত থাকিব
শান্তি আৰু, নাথাকিব
অকণো দুখ-বিষাদ।
কিয়নো তুমি জান শাঁত আগত থাকক
শিখ যদু কি জোৱানহঁত এজান শত্ৰুৱে
দেশখনক ঠাই দান কৰি দি খুচি কৰা
যুদ্ধই নিলে হাজাৰ হাজাৰ বীৰৰ প্ৰাণ।
তেওঁলোক হয়তু কাৰোবাৰ পুত্ৰ, কাৰোবাৰ
ভাতৃ আৰু হয়তো কাৰোবাৰ নয়নৰ স্বামী
হে ঈশ্বৰ তুমি ক'ত, কৈ দি'লা
বীৰ ভাতৃ সকলক।
বিদায়ৰ মূহুৰ্তৰ বিভীষিকাময় মুহূৰ্তৰ
শান্তিহীন মৃত্যু কৰা বিদায়
হৃদয়ৰ নিভৃত কোণত লুকাই থকা
স্মৃতিয়ে মোৰ হৃদয় কঁপাই তোলে।
বীৰ জোৱান সকল তোমালোক
আহিবা আহিবা তোমালোকৰ
জন্মভূমিৰ চকুৰ ওচৰত
দুয়াৰ তোমালোকৰ উজ্জল মুখনি।



## এটি প্ৰাণৰ পখী

● ধীৰেন দাস
স্নাতক প্ৰথম বৰ্ষ (কলা)

পাভ মাছৰ দৰে মিহি
তুলাৰ দৰে কোমল
গোলাপ কলিৰ দৰে সুবাস
পূব আকাশত সুৰুযটিয়ে নাচিছিল
সোঁ ৰঙী দেউকা কোবাই
এটি পখী উৰিছিল
যাৰ দৃষ্টি ভৱনভূৰি
ফুল আৰু আলোক বনৰ সোঁ
মোৰ ভয় লাগিছিল, কিজানি (ভুলতে)
জলদগম্ভীৰ মেঘৰ বুকুত
অবুজন সুৰুযটিয়ে চিৰকাললৈ আঁতৰি যায়
আৰু ভয় লাগিছিল; কিজানিবা
মায়া উতলুৱা মেঘৰ বুকুত
নীলৰঙী মায়া হৈ সুৰুযটি হেৰাই যায়
আহা! কণ্ঠত মাদকতা
আৰু ভৰিৰ জুনুকাত সুৰৰ মূৰ্ছনা তুলি
জ্বলি থকা চিৰকাল
মোৰ হৃদয় আকাশভুৰি
উদিত সুৰুযৰ প্ৰতিশ্ৰু তিৰে॥

## প্ৰতীক্ষা

● অপূৰ্ব কুমাৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ (দিবা শাখা)

সোণোৱালী সৈৰ
ৰূপোৱালী বালিচৰৰ
তনুৱা পাতিত বহি
সাজিছো আপোন বালিঘৰটি।

উত্তাল তৰংগমালাৰ
শীতল মলয়াচাতিয়ে
পুলক ভৰা হিয়াত
তুলিছে ঝলমলাই
এটি মৃদু শিহৰণ।
অস্তগামী সুৰুযৰ
সেঁউলী বৰন সানি
প্ৰকৃতি কুমাৰী মেলিছে ধাগলি
যাৰো প্ৰিয়তমৰ দুবাহলৈ বুলি।

আপোন বালিচন্দা মুঠি
বৈ আছো দুহাতে সাবটি
তমসাবৃত হিয়াখনিত
দিবা জানো এচাটি
মনমৰ নিমজ লহৰ চালি।





## তিনিৰ মহিমা

● অনামিকা নেওগ
উচ্চতৰ মাধ্যমিক
দ্বিতীয় বৰ্ষ (কলা)

তিনিওজন উপকাৰীৰ উপকাৰ পৰিশোধ কৰা টান ঃ
পিতা-মাতা, অভিভাৱক আৰু গুৰুজন
তিনিজনৰ সংগ এৰা ঃ
জুৱাৰী, মদাহী আৰু ব্যভিচাৰী
তিনিটা বস্তু মনৰ পৰা মচি পেলোৱা ঃ
লোভ, মোহ আৰু খং
তিনিজনক বাধা নিদিবা ঃ
ধৰ্মপ্ৰচাৰক, দানদিওতা আৰু শুশ্ৰূষাকাৰীক
তিনিটা সদায় নিজৰ কৰি লোৱা
সত্য ধৰ্ম আৰু সদাচাৰ
তিনিটা গুণ আয়ত্ত কৰা
নম্ৰতা, ভদ্ৰতা আৰু সৰলতা
তিনিটা বস্তু নাচাবা
নিজৰ গুণ, আনৰ দোষ আৰু দুষ্টৰ মহত্ত্ব
তিনিজনেই মহান
যি ধন পাই গৌৰৱ নকৰে
যি ধন হেৰাই দুখ নকৰে
যি আনৰ ধনক লোভ নকৰে
তিনিটা কথা নাপাহৰিবা
প্ৰতিজ্ঞা কৰি পূৰণ কৰিবলৈ
ধাৰ লৈ পৰিশোধ কৰিবলৈ
আশা দি কাম কৰিবলৈ
তিনিজন অন্ত হৈ পৰে
লোভী, ক্ৰোধী আৰু কামুক
তিনিটা কাৰো বাবে নহয়
সময়, মৃত্যু আৰু গ্ৰাহক
তিনিজনহে কামত আহে
বিপদৰ বন্ধু, প্ৰয়োজনৰ ভাই আৰু যুদ্ধক্ষেত্ৰত বীৰ।





## সপোনৰ উক্তি


● পাৰ্থজিৎ খনিকৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)

অ' তুমি যে এদিন সুধিছিলা মোৰ মৃত্যুৰ কথা
মৃত্যু এনেদৰেই আহে, নীৰৱে... নিঃশব্দে।
মোৰ মৃত্যু হৈছিল সেইদিনা...
সিহঁতে
জোণ্ডা শিলনিৰ ৰাস্তাটোত
মোক টোঁচৰাই নিছিল।
মোৰ গাৰ পৰা এৰাই যোৱা
মঙহবোৰ খাবলৈ
কুকুৰবোৰে কাজিয়া কৰিছিল।
... আৰু ভালদৰে মনত আছে
সিহঁতে
প্ৰাণ খুলি হাঁহিছিল।
বিকট চিঞৰত মোৰ ভগ্ন হৃদয়ে
আৰ্তনাদ কৰিছিল
তেতিয়া...!
তোমালৈ মোৰ বৰ মনত পৰিছিল
তুমি যে আছিলা চাই
শিলপৰা কপৌৰ দৰে।
কাৰোবাৰ হাতৰ স্পৰ্শত মই এদিন
প্ৰাণ পালো
তেজ হৈ বৈ যোৱা চকুপানীবোৰ
তেতিয়া মোৰ গালত লাগি আছিল।
তোমাৰ দাঁতৰ চিক্মিকনিয়ে
মোৰ চকু চাট মাৰি ধৰিছিল
তুমি তাকে হাঁহিছা নেকি...?

## অভিধান

● জাহিৰ আহমেদ

অভিধানখনৰ শব্দবোৰ, জিলিকি আছে,
ক'লা চিয়াহীৰ মৰমলগা পৰশত।
বিচাৰিছো মই অভিধানখনত
শব্দৰ ৰূপান্তৰ মাথো।
শব্দবোৰৰ সমষ্টিয়ে হ'ল
এখন সুবৃহৎ অভিধান
য'ত ৰূপায়ন কৰা হৈছে
সাহিত্যৰ অমূল্য শব্দৰ ভাবাৰ্থ
মই বিচাৰিছো হেজাৰ শব্দৰ
মাজত মাথো এটা
যিটো গুৰুত্ব মোৰ বাবে
অতি আপুৰুগীয়া
কিন্তু নাই, বিচাৰি পাবলৈ নাই
সেই হেজাৰ শব্দৰ মাজত
মোৰ শব্দটোৰ শব্দাৰ্থ।
হয়তো নৱ সহস্ৰাব্দত মোৰ প্ৰয়োজন
হ'ব এটি লেম্পৰ,
অকল মাথো এই শব্দটো বিচাৰিবৰ বাবে
যিটো শব্দ মই বিচাৰি পোৱা নাই
সমাজৰ সুবৃহৎ অভিধানখনত
'জীৱন' শব্দৰ অৰ্থৰ কাৰণে
আজি হয়তো প্ৰয়োজন হ'ব পাৰে
এক নতুন অভিধানৰ
নৱ সহস্ৰাব্দত।



## মিঠাইৰ সপোন

● দিগন্ত দাস
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ এজনী ভনী আছে
নাম তাইৰ পল্লী,
মিঠাই খাব নাপালে
কান্দে উচুপি উচুপি।
গধূলি হ'লেই তাই
মিঠাইৰ সপোন দেখে
মায়ে ভাবে তাই বহি
কিতাপ পঢ়ি আছে।
ভাত খোৱাৰ সময়তো
তাইক মিঠাইহে লাগে।
বিয়াই সভাই তাই
পেট ভৰাই খায়
বাইজ উঠি যায়--
কিন্তু তাই গমকে নাপায়।
এদিন মায়ে মিঠাইত
জলা সানি দিলে,
সেইদিনাৰ পৰাই পল্লীয়ে
মিঠাই খোৱা এৰিলে।

## কিয়

● অৰবিন্দ কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

কিয় ? আজি সমগ্ৰ পৃথিৱী
হিংসা বিদ্বেষেৰে জৰ্জৰিত ?
কিয় ? আজি মুমূৰ্ষু বৃক্ষৰ পৰা
নৱজাতকলৈ
সকলো আতংকগ্ৰস্ত।
কিয় ? আজি অবাল বৃদ্ধ বণিতা
ধ্বংসযজ্ঞৰ প্ৰতি জিজ্ঞাসু,
কিয় ? আজি জীৱ শ্ৰেষ্ঠ
মানৱ ৰক্ত পিপাসু।
কিয় ? আজি বিজ্ঞানে দিলে দান
পাৰমাণৱিক অস্ত্ৰ
সন্মুখত যাৰ
সমগ্ৰ মানৱ জাতীয়ে বিবস্ত্ৰ।
কিয় ? মানৱে চকুলোৰে আদৰিলে
একবিংশ শতাব্দী
মৰণ মুখলৈ আগবাঢ়িলে
সমগ্ৰ মানৱ জাতি।






## দুধাৰি চকুলো

● বিৰাজ কুমাৰ বহাং
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ৰৌদ্ৰ যৌৱৰ খটখটনিত
নিস্তব্ধ কালিমাৰ ৰাতি
হঠাৎ সাৰ পাই উঠো,
দেখো মোৰ চকুৰে
বৈছে দুধাৰি চকুলো
দেশমাতৃৰ দুৰৱস্থা দেখি
হৃদয় গৈছে মোৰ ভাঙি।
আজি দেশ মাতৃৰ বুকু
উজানিবলৈ সকলোকে লাগে
মাথো শাসনৰ ভাৰ,
আজি প্ৰলোভন, দুৰ্নীতি
হৈছে দেশৰ মূল মন্ত্ৰ
গান্ধীৰ অহিংসা নীতিৰ ঠাইত
হিংসাই পাইছে উচ্চ পৰ্যায়।
ইতিহাসলৈ চালে জানিবা
কত যে শ্বহিদে মুক্তিৰ
হকে দিলে বলিদান
এবাৰ মাথো ভাবি চোৱা
হে মহান দেশৰ সন্তান,
যদিহে পাৰা কৰা নিৰাময়
দেশৰ সকলো ভ্ৰষ্টাচাৰ
কিন্তু নালিবা আদৰি
সমূলি দেশৰ দুৰ্নাম
গান্ধী, নেহৰু, বীৰ শিৱাজীৰ
যদিহে ৰাখা মান।



## জীৱন

● ধৰিত্ৰী ডেকা
স্নাতক দ্বিতীয় বৰ্ষ
(প্ৰাক্তণশাখা)

জীৱন হ'ল এক মধুময় বৃন্দ,
জীৱনৰ তালে তালে নাচে মধুমুত ছন্দ।
জীৱন সাগৰত আছে কত যে ৰসদাৰ,
জীৱনটো উপলব্ধি কৰিব পাৰিলে হয় পৰম সুখৰ।
জীৱনক লৈ সেয়েহে মানৱে কৰে
কত যে আয়োজন,
জীৱন অবিহনে মানৱৰ নাই যে
একেবাৰে প্ৰয়োজন।
জীৱনৰ কত খেলা, প্ৰেম-প্ৰীতি-ভালপোৱা,
জীৱনৰ মধুৰ কোলাত তুমি সকলোৱে জানি থোৱা
জীৱনৰ ৰঙীন কল্পনাক লৈ তুমি
কবিতা লিখি থোৱা
জীৱন নহয় শেষ
তাকে জানি থোৱা।

## জীৱনৰ বাটত

● মিতালী দেৱী
উচ্চতৰ প্ৰথম বৰ্ষ
(কলা শাখা)

আশাৰ বাটত বাধাৰ প্ৰাচীৰ
কি যে এন্ধাৰ বাট।
গভীৰ নিশা নিজান জান
নুগুনো কাৰোবে মাত।
আপোন ভাবত ঘূৰিছে ধৰা
জ্বলিছে আকাশৰ তৰা
নেপায় বিচাৰি কাৰোবে সঁহাৰি
হৈছো আধামৰা ।
মনৰ দুখত নিজান পথত
জ্বলিছে জুই তাত
জ্বলিব জানো মন আকাশত
পূৰ্ণিমা ৰাতিৰ জোন।
সেই পোহৰে কেতিয়ানো বাৰু
ৰাঙলী কৰিব মন ?

## মেচ ফিক্সিং

● ধ্ৰুৱজ্যোতি কলিতা
স্নাতক প্ৰথম বৰ্ষ
(কলা শাখা)

ফিক্সিং, ফিক্সিং, ফিক্সিং
আন্তৰ্জাতিক ফিক্সিং
খেলুৱৈ বিলাকেও কৰিব প্ৰমাণ
ক্ৰিকেটত মেচ ফিক্সিং।
মানোজ প্ৰভাকৰক খেলিব নিদিয়াত
দিলে মুখ মেলি,
লাগ লাগ সকলো বিলাকে
দিলে আলত ভৰি ।
প্ৰথমতে স্বীকাৰ কৰিলে
হান্সি ক্ৰ'নিয়েই
আন কাৰোবাৰ স্বীকাৰ কৰিবলৈ
সাহস আৰু নাই ।
ক্ৰ'নিয়ে ভাবিলে অকলে
কিয় ভুগিম মই
সকলো বিলাকৰ নাম
দিলে তেওঁ কৈ।
নিজ দেশৰ দুজন খেলুৱৈৰ
নাম তেওঁ কৈ দিলে,
তেওঁলোক দুজন হ'ল
হাৰ্চেল গিবছ আৰু নিকি বয়।
আজহাৰউদ্দিন, নৱজোৎ সিং সিদ্ধু
অজয় জাডেজাক ল'লে,
আৰু যে কিমান আছে
সকলো নাজানো মই
বহুত দেশৰ বহুত খেলুৱৈৰ
ইয়াত নাম আছে,
সকলো বিলাকক ছি ছি আয়
খেদিছে পিছে পিছে ।
নামী-দামী বহুত ক্ৰিকেটাৰ
এই জালত পৰিল
ঘুটমুটীয়া অন্ধকাৰ
সকলোৰে পথ মাৰিলে ।



## যাব কোনো নাই

● চন্দন গোস্বামী
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ (কলা শাখা)

আপোন বুলিবলৈ কোনো নাই যাৰ;
দুখ আৰু নিৰাশাৰে পৰিপূৰ্ণ জীৱন তাৰ।
গোটেই দিনটো কেৱল বিচাৰি ফুৰে;
পায় নেকি ক'ৰবাত এমুঠি আহাৰ।
বাটে-ঘাটে ঘূৰি ফুৰিছে নাঙঠা দেহ লৈ
সময় নাই কাৰো সিহঁতৰ প্ৰতি এবাৰ ভাবিবলৈ।
সিহঁতৰ অৱস্থা দেখিলে লাগে, মনত বৰ দুখ
কিন্তু, কেনেকৈনো দিম সিহঁতক অকণমান সুখ।
আজিৰ সমাজত তেনে মানুহ বহুতো আছে,
বাটে-ঘাটে দেখা পাওঁ আহি থকা পাছে পাছে ।
ঘৰ-দুৱাৰ নাই সিহঁতৰ ফুটপাথেই ঘৰ;
আপোন বুলিবলৈ কোনো নাই, সকলোৱেই পৰ।
সিহঁতে হয়তো এতিয়া জীৱনৰ মোহ ত্যাগ কৰিছে;
মৃত্যুক যেন সিহঁতবোৰে বিচাৰিবলৈ ধৰিছে ।
মৃত্যু হয়তো সিহঁতৰ সহজতে নহয়;
সিহঁতে আৰু ভুগিব লাগিব দুখ-কষ্টৰ অনেক প্ৰলয়।
আজিৰ সমাজত সিহঁতে ভালো বাচি থাকিব পাৰিব ?
পেটৰ আহাৰ সিহঁতে সদায় ক'ত বিচাৰি পাব ?
সিহঁত বোলোতে প্ৰশ্ন হয় সিহঁত বা কোন ?
আমাৰ দেশৰে সিহঁতৰ কেৱল অঘৰী জীৱন॥

## কিজানিবা তোমাক লগ পাওঁ

● দীপ্তি ডেকা
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ

কেৱল নিসংগতাক সংগী কৰি
জীয়াই থকাৰ মোহত
মই ক্লান্ত যাযাবৰী !
জীৱনৰ সত্তা উজাৰি উঠা
প্ৰেম ভাল পোৱাৰ নিসংগতাত
সঁচাই জানো কিবে আশ্বাস
জীৱনৰ আশা নিষ্ক্ৰান্ত
যৌৱনৰ ভাষা উদভ্ৰান্ত
তথাপি দুৰ্বাৰ প্ৰয়াস
চিনাকি স্মৃতিত খোজ দিবলৈ
কিজানি তোমাক লগ পাওঁ,
আচলতে,
মই তোমাক পাহৰা নাই
মোৰ নিসংগতাত, বুকুৰ ভিতৰে-বাহিৰে
কেৱল তোমাৰ স্মৃতিয়ে লৈ যায়
এনেদৰে, আজিৰ বাবে, অনাগত দিনৰ বাবে
হয়তো অকলে অকলে ॥





## মোৰ হৃদয় অন্বেষণ

● চামচুল আলী
স্নাতক তৃতীয় বৰ্ষ
(কলা শাখা)

হৃদয়-
তোমাৰ আৰু মোৰ
মৰমৰ সঁজা,
ভাবৰ আদান-প্ৰদানৰ বেহা
তোমাৰ সতে চিনাকি হোৱাৰে পৰা,
দিনবোৰ পুৰণি হৈ যোৱা আৰু
আমাৰ মাজত হৃদয়তা গঢ়ি উঠা,
সকলোবোৰ যেন এক সোণালী সপোন!
তোমাৰ আগমনে জোকাৰি দিছিল,
মোৰ হৃদয় মোৰ সত্তাক,
অনুভূত হৈছিল এক আধ্যাত্মিক ভাবৰ।
তুমিও কৈছিলা কেতিয়াবা
তোমাৰ মোৰ ভাবৰ মিল থকা,
যেন অনেক মিল।
প্ৰতিটো মুহূৰ্ততে কাষ চাপিছিলো
দুয়ো দুয়োৰে
এক অজান দুৰ্বলতাত
সৃষ্টি হৈছিল আবেগৰ....
আজি সকলো স্মৃতি ধ্বংসস্তূপ,
স্মৃতি হৈ যোৱা আবেগবোৰ
কবিতা হ'ল,
ব্যৱধানত আহিল হৃদয়ত
এখন দুখৰ প্ৰাচীৰ....

## বিৰাট চাহাৰা এই ক'ত মৰুদ্যান ?

● অংকুৰ বৰদলৈ
স্নাতক দ্বিতীয় বৰ্ষ
(কলা শাখা)

কৈশোৰ আৰু যৌৱনৰ মধুসন্ধিক্ষণত
মোৰ কাণে কাণে
ৰূপ ৰস ভৰা সুৰবীয়ে
কৈছিল মৃদু গুঞ্জনেৰে,
ভাল ভাল সকলোৱে ভাল
শতাব্দীৰ ধূলিকণা
কেৱল প্ৰেম, কেৱল প্ৰীতি, কেৱল ভালপোৱা
এয়ে মানুহৰ আশা।
পূৰ্ণতাৰ বাটত গান গাই ফুৰে
স্বপ্নভৰা, মধুময় গীতিকাব্যসমূহ,
পাৰ হ'ল কত ঋতু কত বৰ্ষ কত মাহ
মেঘে মেঘে ঢকা থাকিল মনৰ আকাশ
চকুত আছিল যি মোহৰ অঞ্জন
হৃদয়ত আছিল যি কল্পনাৰ ৰং
হতাশাৰ কালিমাই মচি দিলে
কঠিন বাস্তৱ।
ক্ষমাহীন, স্নেহহীন, বিদ্বেষৰ বিষ বাষ্প
বিৰাট চাহাৰা এই ক'ত মৰুদ্যান ?

## বেদনা

● মৃণাল জ্যোতি লস্কৰ
স্নাতক প্ৰথম বৰ্ষ
(কলা শাখা)

ইমান বেদনা
মোক আৰু নিদিবা
বহুত কান্দিলো
মোক আৰু নকন্দুৱাবা।
ভাবিছিলো তোমাৰ লগত
প্ৰেমৰ গীত গাম,
গোটেই জীৱন
তোমাৰ মৰম পাম।
সংগী হোৱাৰ কথাদি
আঁতৰি গ'লা,
মইনো কি কৰিছিলো
এবাৰটো কোৱা ?
কিবা যদি কৰিছো ভুল
শুধৰাই দিয়া,
কিন্তু মোক এনেকৈ
এৰি নাযাবা।
নোৱাৰো মই থাকিব
তোমাৰ অবিহনে,
অপেক্ষা কৰিম মই
তুমি অহাৰ বাবে।
আছে মোৰ বিশ্বাস
তুমি এদিন আহিবা,
মোৰ অন্তৰৰ বেদনা
তুমি আঁতৰাবা ।



# কল্পন্যা

● ইমানুৱেল কুমাৰ
স্নাতক দ্বিতীয় বৰ্ষ

বিচাৰো মই তাইৰ প্ৰেমিক হ'বলৈ
আকাশ বতাহ নদী সাগৰ
সকলোৱে নাম বাখিছে তাইৰ
প্ৰিয়তমা।
নীৰৱে বৈ যোৱা প্ৰেমৰ এক সৰুজ নদী
তাই জানো বুজিব পাৰে হৃদয়ৰ কথা
নুবুজিলেওতো তাই বুজিব নিবিচাৰে।
ভাবিছো মই এবাৰ দুবাৰ বহবাৰ
ক'ত থাক সীমা স্থিতিস্থাপকতাৰ
তুমি যতেই নথকা কিয়াই নিয়া
আৱেগ প্লাৱিত মন।
কিমান যে হেপাহেৰে বাট চাওঁ মই
মৰম সনা তাইৰ এবাৰ মাতলৈ
প্ৰিয়তমা এবাৰ মাত্ৰ মাথো এবাৰ।
মনে মনে কৈছিলো মই তোমাৰ তুমি মোৰ
এৰা প্ৰিয়তমাই মোৰ আৱেগ মোৰ অনুভূতি
নহ'ব পাৰে তাই তেজ মঙহৰ
কিন্তু তাই মোৰ, একমাত্ৰ মোৰ
জানো মই বকুল তলত পথুলিৰ পোহৰত
সাত আঠখন তাইৰ মন
তথাপি তাইক খুউব ভাল পাওঁ
প্ৰাণ ভৰি ভাল পাওঁ॥

# প্ৰিয়তমা প্ৰকৃতি

● কামনা শইকীয়া
স্নাতক তৃতীয় বৰ্ষ

মোৰ প্ৰিয়তমা প্ৰকৃতি
তোমাৰ কপত মুগ্ধ
মই কৰিব ল'বালি,
যৌৱন আৰু আজিকোপতি;
শিমলুৰ লঠঙা ডালত
কেতেকীৰ সুৰীয়া মাত
সোনাৰুৰ ওলমা ওঠি
নৃত্যৰতা সখীয়তী।
বাকৰিৰ আঁহতৰ কুমলীয়া ওঠি খোৱা
সেউজ হইঠাৰ ডালত
মুগ্ধ মোৰ যৌৱনৰ
মতলীয়া দিন,
প্ৰকৃতিৰ কোমলতা ভৰা
শীতলী কোলাত;
বতাহত সৰলৰ পাতৰ দৰে
জীৱন মাতাল কৰি মই।
হৰিণৰ জাক, বন কুকুৰাৰ মাত
বিৰিখৰ ডালে ডালে,
ভুবিষ্টিৰ পাৰে পাৰে লুকা-ভাকু খেলা
মনুৰৰ দৰে তুমি;
তোমাৰ কপত মুগ্ধ
মই কৰিব ল'বালি,
যৌৱন আৰু আজিকোপতি
মই তোমাৰেই পূজাৰী॥

# ছয় ঋতু

● মুনীন্দ্ৰ বৰা
স্নাতক প্ৰথম বৰ্ষ
(কলা)

গ্ৰীষ্মৰ শেষত আহিল বৰ্ষা
আহিল আকাশ ওলোলাই
বাৰিষা কালত বাৰীৰ খালত
ভেকুলীয়ে বৈ বৈ টোৰটোৰাই।
ওলাল কৃষক টঙালী বান্ধি
কান্ধত লৈ নাঙল-জাপি,
কিষানৰ হাল ধৰণী ফাল
উঠিল বসুমতি কঁপি।
কিমানে চহালে বৰষুণ আহিলে
হৈ উঠিল ধৰণী জীপাল।
ন শস্যৰ কোমল কঠীয়া
মেদিনী ভৰাই পিপাল।
বৰ্ষা বাগৰি আহিল শৰৎ
কঙাল পৰিল ভুৰ,
শৰতৰ জোনাকত হেঙুলী আকাশত
ভাহি আহিল বাঁহীৰ সুৰ।
ঋতু আহে আৰু যায়
প্ৰকৃতিৰ বুকু জুৰায়,
হেমন্ত ঋতু আহি কৃষকক
নিজ কৰ্তব্য সোঁৱৰায়।
ঋতু শেষত বসন্ত আহে
গছে বনে পাত সলায়,
গছৰ ডালত কুলি, কেতেকী
বৈ বৈ বিনায়।
ছ'তৰ শেষত আহে বসন্ত
প্ৰকৃতিৰ মন নচুৱাই,
ভেল পেঁপা বাঁহী, গগনাৰে
গাভৰুৰ হিয়া নুতুৱাই।





# জীৱন্ত সভ্যতাৰ সাৰ

● বজিতা পাঠক
স্নাতক তৃতীয় বৰ্ষ (কলা)

দেশ ভালপাওঁ বুলি ক'লে
প্ৰশ্ন নুঠে,
আহুতি দিম নে প্ৰাণক
মোৰ দেশৰ বাবে॥
ই মাথো জাগৰণ, দেশৰক্ষা এক মহান নিদৰ্শন॥
ভালপাওঁ মোৰ দেশক
বুকুৰ ভিতৰে-বাহিৰে
অংগীভংগী-স্পৰ্শৰে,
মনৰ পথাৰত যদিওবা সিঁচিলো
এধান শান্তিৰ বীজ,
কাব্যিক প্ৰাণে, কবিতাৰ ছন্দেৰে আজুৰি আনে
এসাগৰ শান্তি অনায়াসে
মাগোঁ মোৰ দেশৰ বাবে
এতিয়া সকলো প্ৰাণ একোটা জাগ্ৰত কবিতা,
সম্প্ৰীতিৰ দলিচাত দোলন দি, দূৰ কৰে নিষিদ্ধ ঘোষিত অৰাজকতা।
সমন্বয় সমাজ গঢ়িবলৈ এদিন মনে-প্ৰাণে
পাহাৰে-ভৈয়ামে, পিয়াপি দিলো
দেশক স্বাধীনতাৰ কৱচ দিবলৈ
সময়ক কলমৰ মায়াত বন্দী কৰিলো,
এতিয়া, কলমটোৱে মোৰ দেশৰ বাবে
অমোঘ অস্ত্ৰ নতুবা প্ৰধান কাণ্ডাৰী॥
আজি মোৰ দেশক ভ্ৰষ্টাচাৰে কুৰুকি
ভোবালেও, দেশে মোৰ প্ৰাণ ভৰি হাঁহে
এক আজন্ম শক্তিত, দাম্ভিকভাৱে।
মোৰ দেশতে সৃষ্টি হৈছিল
অহিংসা চেতনা
বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ
প্ৰবাহিত হৈছিল, মহান একতাৰ মহাত্মা,
সেয়ে; কলমৰ সুষমাত সমস্ত পৃথিৱীক
আজি দিব পাৰো, সু-হৃদয়;
স্বদেশৰ প্ৰেমাস্পদত নিৰ্বাক চেতনাই চৌপাশ ভ্ৰমিব
শব্দৰ দুৰন্ত গতিত॥
তথাপি মোৰ দেশ বিস্তীৰ্ণ সেউজীয়া পথাৰ
বা! মোৰ দেশৰ মাটিৰ পলস
এক জলন্ত আৰু জীৱন্ত সভ্যতাৰ সাৰ॥

# এখন আকাশ বিচাৰি

● নীলোৎপল শৰ্মা
আলোচনী সম্পাদক


সি এইখিনিলৈহে আহিছে,
ফটা চেণ্ডেল আৰু মলিয়ন
চোলাটোৰে সৈতে,
নিশব্দে আৰু নিষ্প্ৰভভাৱে।


দৃষ্টি তাৰ আকাশখনৰ পিনে
হয়তো সি জুখিব বিচাৰিছে
আকাশৰ বিশালতাক,
তাৰ সৰু হৃদয়েৰে,
মিটাৰ, কিলোমিটাৰ মাইলৰ
দেখ-জোখ নোহোৱাকৈ
তাৰ গভীৰতাক।
সি কোনোদিনেই
প্ৰতিফল বিচৰা নাই।
তাৰ মাথো এটাই আশা,
এখন জোনাকী মুক্ত আকাশ
য'ত সিঁচৰতি হয়
তাৰ কল্পনাবোৰ।
য'ত সি নিশ্চিন্ত মনে
উশাহ ল'ব পাৰে,
আৰু বন্দনা কৰিব পাৰে
তাৰ কবিতাৰ পাণ্ডুলিপি।
য'ত যান্ত্ৰিকতাৰ মাজত
হেৰাই নাযায়,
তাৰ হৃদয়ৰ মাত।
সি মাথো বিচাৰিছে
এখন জোনাকী মুক্ত আকাশ।



# English Section









# TOURISM IN ASSAM

O DR. REETA SHARMA
Economics Department.

Tourism is not a new phenomena. People from time immemorial have been taking interest in travelling. In ancient age people have been travelling on pilgrimage, in quest of new lands, new ideas or trade. Much of the knowledge about our early days is based on records left by visitors like Hieun-Tsang, Fahien Colombus etc.

Tourism in its modern sense of term has developed due to economic prosperity in many parts of the world in the postwar years. It is considered as an engine of economic development. It has emerged as one of the world's largest and fastest growing industries. Apart from being a major foreign exchange earner, it helps better human understanding and cultural exchanges.

Tourism can play an important role in the economic development. States like, Goa, Jammu and Kashmir, Sikkim, Rajasthan, Tamilnadu earn a good amount of foreign exchange every year from tourism. It is an invisible trade.

ASSAM SCENARIO

Assam the gateway to the North-East, with a geographical area of 78,438 sq km accounts for about 2.4 percent of India's total land area. Data available from the forest department shows, that the total area under forest is Assam is 20.24 lakh hectare at the end of March, 1999. The reserve forest constituted about 22.21 percent of the total geographical area of Assam. The importance of forestry lies not only in its productivity, but it also provides shelter for colourful wild life. Preservation of forest will help to grow tourism in Assam.

Assam is a land of tourist paradise. A land, that wakes up with the first touch of morning sun. The sun sets into the bosom of mighty Brahmaputra, presenting a heavenly sight which had once inspired the poet in Gandhiji. Assam has many attractions to offer to tourists of varying tastes and temperament, because of the happy blending of the past and the present, places of extraordinary natural beauty, flora and fauna of all kinds famous historical monuments, enchanting mausoleums of ancient towns and cities still retaining a great deal of their age old splendour and mystique colourful festivals.

Assam is full of wild wonders. It is surrounded by six other states with their unique natural beauty. There are Four National parks, viz: Kaziranga, Manas, Nameri and Dibru Saikhowa. Kaziranga is the oldest national park. Partly is Golaghat and Nowgong district with an area of 430 sq km, it is famous for varieties of animals and the one horned Rhino. A large number of migratory binds can be seen during winter. Manas is the only Tiger Reserve at the base of foothills of the Himalayas and it lies along the Indo-Bhutan border. It is well known as one of the world heritage sites having its unique combination of scenic beauty and rare wealth of wild life. It is 176 km from Guwahati : Nameri, with an area of 200 sq K.M. is 35 K.M. from Tezpur . Dibru Saikhowa, the fourth National park is 13 K.M. from Tinsukia. It covers an area of 340 sq K.M. This is famous for semi wild horses and other animals like Asiatic Buffalo, clouded Leopard,

Hoolock Gibbon and more than 250 varieties of birds.

There are at least four wild life sanctuaries- They are Pobitara, 60 K.M. from Guwahati on the border of Nowgong and Kamrup district. Orang Rajib Gandhi wild life sanctuary, covering an area of 72 sq K.M. It is on the north bank of Brahmaputra and 32 K.M. from Tezpur. Animals found are one horned Rhino and the varieties of wild animals, waters birds, green pigeon, Florida goose etc. are also found. It is full of scenic beauty a miniature Kaziranga. Laokhowa wild life sanctuary, is situated in Nowgong district, covering an area of 60 sq K.M. It is only 15 K.M. from Nowgong. There are wild life species and birds of different varieties. At the Himalayan foothills there is Sonai Rupai wild life sanctuary, 175 K.M. in area. This wild life sanctuary is situated in Sonitpur district. Besides, there are some more wild life sanctuaries and forest reserve which offers magnificent view of both scenic beauty and wild species.

Jatinga which is 9 K.M. from Haflong is famous for mysterious birds death. Dipor Beel has also been declared as a bird sanctuary. Beautiful singing birds come from other hill states during winter and spring to Assam.

Some people call Assam a magic land and some call it a green paradise. The beautiful landscape nurtured by bountiful monsoon coupled with a humid tropical climate is full of diverse flora. There are one hundred eighty mammals, one hundred ninty five species of reptiles and more than eight hundred species of birds found in Assam. Assam has unique beauty in her. Each place has something celestial and amazing to offer. Beautiful tea gardens, Industrial town, Picnic spots, Cottage industries of Sualkuchi. 'Satras' Gorompani hot water tank, historic remnants including those of Tezpur, Guwahati, Goalpara, Hajo, Kamrup, Sibsagar and other places bear the memory of the glorious past. With such vast resources tourism in Assam has a bright potentiality to grow.

The Department of Tourism had been created in 1958. The state Govt.. had adopted an integrated and coordinate policy for the development of tourism. At present, The Directorate of Tourism under the state government manage commercial activities and look after tourist lodges of Guwahati, Nowgong, Kaziranga (not all lodges), Tezpur, and Sibsagar. Diphu and Haflong Tourist lodges are managed by the District Council. Some lodges constructed are now near completion. Forest department has a also a good number of lodges and Inspection Bunglows under them, provides accommodation for the tourist. There are private tourist lodges like "Wild Grass" at Kaziranga and "Echo Camp" at Potasali, Nameri.

The Government has been trying to develop infrastructural facilities in the state including a number of tourism development schemes such as construction of more tourist lodges with tourist information centre in and out side the state, opening up of wayside amenities, beautification of Guwahati, Tea tourism festival etc. to attract more domestic as well as foreign tourists.

Data available from the Directorate of Tourism Assam and Ministry of Tourism and civil aviation Government of India shows, that the arrival of foreign tourist in Assam in 1989 was 319 as against 2320 in 1979. The trend of domestic tourist arrival was also fluctuating. The figure shows, that there was rise in 1982 and then from 1985 onward. But the rise was not upto the expectation. The



arrival of foreign tourist in Assam was also uncertain and not encouraging. The table : I represents the volume of tourist traffic and magnitude of revenue earning from in the state over the past few years. The inflow of tourist to the state is however not encouraging since 1990-91 to 1998-99. The insurgency problem in the state is one of the primary reasons for this discouraging trend over the recent few years. Apart from this, owing to the restrictions imposed by the Central Government, the inflow of foreign tourist to Assam have gone down. The restricted area permit system has been removed since May 1995, which is expected to boost tourist traffic in the state in the coming years.

**Table I**

**Tourist Traffic and Revenue Earning in Assam**


| Year | No. of Tourist | | | Revenue earning |
|---|---|---|---|---|
| | Indian | Foreign | Total | Rs. in lakhs |
| 1990 - 91 | 14373 | 404 | 14777 | 2041 |
| 1993 - 94 | 20154 | 404 | 20558 | 2191 |
| 1994 - 95 | 16487 | 312 | 16799 | 2795 |
| 1995 - 96 | 16168 | 830 | 16998 | 3172 |
| 1996 - 97 | 14029 | 841 | 14870 | 3333 |
| 1997 - 98 | 14353 | 745 | 15098 | 3472 |
| 1998 - 99 | 13631 | 566 | 14197 | 3589 (P) |

(P : Provisional)

N.B. - The figures on number of tourist pertain to those only who stayed at tourist Lodges of the State Tourism Department.

Source : Directorate of Tourism, Assam.

**LINE GRAPH**



Tourism during the fifth five year plan was recognised as the largest and rapidly growing industry. The Government of India has undertaken various projects and schemes during the seventh and the eighth five year plan for the development of tourism industry. But tourism will grow only when schemes are implemented in time.

A proper development of the tourism sectors can turn the state into an unique place of tourist attraction. There is a vast scope of resource mobilisation in this sector. Tourism has emerged as an important instrument for sustainable human development including poverty alienation, employment generation, conservation of heritage and the improvement of the quality of life.

The main constraint has been the lack of awareness of the potential of tourism among the local people. The district authorities can take special interest to develop tourist spot available in particular district, organize awareness camps and encourage local youth to adopt this trade keeping in view without harming ecology. It will help local craftsmen, weavers and artists to develop their trade and market their products in the tourist spot and utilise benefits of tourism.

Private conducted tours should be encouraged. Beauty and the grandeur of the state can attract tourists through out the year if productive steps are adopted.

The Government should have a clear incentive policy. Natural calamities, mainly flood create havoc in wild life sanctuaries. Many animals die or move to other places, outside the park and are killed by encroachers. The protection of these wild species is very important. The active role of the Government and co-opertation of the local inhabitants and awareness is also very important to preserve the colourful wild life of Assam.

Tourism in Assam cannot be developed without the involvement of the people. It involves less finance. Tourism can provide source of living to vast manpower resources if proper training is imparted and fruitful steps are taken. Besides, power, water, health care, parks, roads, restaurants and hotels should be promoted. Programmes like Eco tourism, tea tourism, adventure tourism, water sports involve less finance but will attract more tourists, both foreign and domestic and earn revenue to the state.

Tourism in Assam definitely has big role to play. The proper development of tourism with sincere effort will no doubt give a boost to the backward economic condition of Assam. ❑



# Economically Active Population

❍ Manisha Bhattacharyya.
Department of Economics

The study of economically active population or labour force occupies an important position in the field of population studies and at present there is increasing interest in study of the various aspects of the labour force of any nation. The economic and social development of a nation depends on the number of persons who are economically active, the quality of their work and the regularity of their employment. According to United Nations, economically active population has been defined as follows : "An economically active population comprise all persons of either sex, who furnish the supply of labour available for the production of the economic goods and services during the time reference period chosen for the investigation. It includes both persons in the civilian labour force and those serving in the armed forces." Economically active population again has been classified as

(a) Employed, (b) Unemployed. The population other than economically active comprises the following four groups : (a) Home makers, (b) Students, (c) Income recipients (d) Others.

The amount of labour available for the production of economic goods and services in a society is determined by various demographic, economic and social factors, the most important of which are those associated with size and structure of the population. Long terms trend in fertility, mortality and migration movements determines the size of the population and its composition with respect to age and sex, and establish the maximum limit of the number of persons who can participate in economic activity.

The size of economically active population which is the main determinate of labour supply, depends to a large extent on the size of the total population. Where the population is growing at a rapid rate, this growth is the most important factor affecting change in the supply of labour. The age and sex structure of the population also has an important influence on the size of the economically active population. There are considerable variation in proportion of males and females at different ages who take part in economic activities. It is known for example that among men (ages 20-65 years) the proportions who are economically active are uniformly high and there is no variation from country to country. Among younger and older males, however, there are significant variation from one country to another in the proportion of economically active. The proportion of women who are economically active shows more variation from county to country, but it is consistently below that for men, owing to the traditional role of women as housewife and mother. More attention has been given to changes in the age structure of the population as a factor affecting labour supply than to changes in the sex composition of the population, owing perhaps to the fact that with the exception of the long scale dislocation caused by wars on migration, changes in the sex ratio are likely to be small.

It seems probable, however, that the imbalance in the sex ratio in some population, resulting from wars, might, in itself be sufficient to bring about a decline in the ratio of active persons to the total population.

Urbanisation can influence the trend of employment among women, the age at which young people begin work and age at retirement. In agricultural communities where farming is done in family enterprises, women and children commonly share, at least to some extent, with men the work of producing goods for home consumption or for the market. This participation of family members(in the work of bread earner) is also characteristic, in a lesser degree, of communities where handicraft and small scale manufacture are carried on within or near the home. In highly urbanised communities where production is centred in large scale establishment, the focus of economic activities is usually outside the home. Gainful employment for city women, therefore tends to conflict with their long established role as home-makers and mothers. Where emphasis is placed on the fulfilment of this traditional role, few women, and particularly few married women in the cities may be found in economically active population. Thus, urbanisation may, under some conditions, tend to reduce the female labour force. It appears likely that it did so in many western countries during the 19th century, and that it may still be having that effect at present in some parts of the world where women contribute a large share of the labour supply in agriculture but a relatively small share in urban occupation. On the other hand, urbanisation may have the opposite effect in countries where the idea of women leaving the home to work is widely accepted and where there is an increasing demand for services in a broad occupational field.

Another demographic factor which has an influence on the extent to which women participate in economic activities is the level of fertility. The responsibilities for the care of children tends to interfere with gainful employment for city women. It has been pointed out that, competition between the role of motherhood and gainful employment is most acquired for women during the child bearing years of 20-39, which are also the years where women can make their greatest contribution to the labour supply. The decline in berth rate has been closely associated with the process of urbanisation and industrialisation and with increasing employment of women outside the home.

The relationship between the size of economically active proportion and the size of the total population is determined by many variables in the social and economic setting in addition to demographic variables. Some of them are --------

a) Standards of behaviour which are accepted by the community, with reference to the status of women as home maker or potential bread earner, the age at which young people leave school and go to work and the age at which a worker should retire.

b The level of income and employment

c) The health of the population, in so far as it affects the proportion of persons who are physically able to work at various ages.

d) The technology and structure of the economy, in so far as they affect the relative demand for the types of labour which can be supplied by children and by men and women of various ages and so on. □





## TOURISM IN INDIA : WILD LIFE TOURISM AND ITS PROMOTION

O SRI ANGSHUMAN DUTTA
T.D.C. 2nd Year. Arts (Day shift)

People living in highly industrialized countries often get bored in the concrete jungles of cities. These people seek to visit wild provinces of the country during their holidays. That is why the concept of green tourism is gaining ground and thus more focus has been given to National Parks. The tourist from the cities have a natural desire to experience peace and tranquillity and see the creations of God in its true and natural settings. Wild life tourism is expected to provide scope for feeling the worth of nature, the varieties of creatures, landscapes and even cultures of surrounding areas.

A tourist accustomed to modern urban life style, wants as a tourist, something very different. He wants peace and quiet environment, something new to see, some adventure, safely and security, detailed information of the area and freedom to do things according to his own sweet will. It is therefore very essential to identity the dark areas of wild life tourism so that a tourist can be satisfied with suitable alternative means in the event of confusion and conflict.

The problem in wild life tourism :

### 1.Timing :

In India we pursue a unique concept of timing. Morning and evening indicate that we offer the tourist the wild life tours as an entertainment show. This restriction of timing is in fact, very irrelevant because there are things happenings all the time in nature. Tourist with limited demand may want to see the animals and return as per fixed programme. But there are others who would like to a see birds and catch the mood of animals and birds in photography. Wild life photography is a job that demands lot of patience and time. Some tourist with definite purpose and interest may like to visit ecological zones while some others may want to observe the days activity of nature from a suitable spot. Some tourist may like to study the life of insects and butterflies. A fixed timing of morning and evening may annoy a large number of tourists.

### 2.Transportation :

It is common for all tourists that they would prefer a comfortable vehicle to travel on . Moreover they would like to feel the environment, to see the jungle and landscape, animals and birds. Under such circumstances an open jeep will be preferable.

Riding an elephant on a visit in the national park is a very exciting experience Elephant excursion is a slow ride through the forest to have a close look at all the charming aspects of the forest. Elephant ride provides accessibility to areas where vehicle do not reach.

### 3. Accommodation :

The common expectation of the tourist in a wild life visit with regard to accommodations are(a) Ideal environment in a natural setting. away from noise (b) Neat and

clean accommodation (c) Efficient management (d) friendly and co-operative staff. It is imperative that the tourist is provided with acceptable standards of comfort and cleanliness. The accommodations should be in the vicinity or at a short distances from the park. Accommodation is a key fector which determines the reputation of a park.

4. Photographs :

Every person now a days likes to carry back the sweet memories of his or her wild life visits in the from of documents through photographs. Very often people hold special parties in the houses and exhibit the videos to their friends and relatives.These visuals sometimes encourage others to take up similar visits. This indirectly boosts flow of tourist trafic and acts as a marketing effort for the national park. Similarly in the days wide spread satellite net work, T.V. Documentaries and films on wild life tourism provides tremendous influence on seeing of the destinations. These visuals help the otherwise reluctant customers in understanding and appreciating services in wild life tourism. It is therefore very important that we or the tour organisers remain alert to the needs of the tourist. The tour operators may expect to earn a lot of good will and appreciation from a photography enthusiast if the tour operator helps him with a timely arrangement of a film roll or transparencies and the like.

The wild life tourism preserve or national parks are resources which are never destroyed by tourism activities. On the contrary these areas help the country to meet a balanced economy. So the Government as well as the professionals should take certain decisions which will help promoting this sector. The professional in this regard should be well aware of the necessity and needs of the tourist. In many wild life preserve and national parks facilities to some extent has been given, such as cars and jeeps. But carrying capacity cannot be judged from these reserve facilities only. In fact it can be increased by using elephants. It will be more interesting tour for foreign tourist than the domestic one, who get this opportunity once in life. A part from that putting up of hides and water towers at water holes and where possible the boats helps diversifying the activity. □

JOKE

A customer came to the special Assistant of a bank(who had a poor knowledge of Hindi) in connection with the payment of a fixed deposit of his deceased father. He said in Hindi
Customer," Mere pitaji gujjar gayen hein. Mein yeh fixed deposit ka payment lene chahata hun. (my father has died. I want the fixed deposit to be encashed)". Special Assistant "unka signature to chahiya (his signature is required)"
Customer, "Woh to gujjar gauen hein(he is already dead)
Special Assistant : Gujjar gayen to kya hua? Kabhi to wapas ayenge (He has gone to Gujjar, some day or other he will be back)"
Customer , "Woh to mar gayen hein. Kaise ayenge? (He is already dead. How will he come?)"
Special Assistant, "Mar gayen hein to pahale se kyon nahin batayen? (Why didn't you say at first that he had died?)"
Customer, "Waiter! I asked for Alu Paratha but, I find no potatoes in it."
Waiter, " What's in a name sir ! If you asked for kashmiri pulow will you expect to find kashmir in it."



# ONE BILLION INDIANS

Compiled By :
O SANJIB HAZARIKA
T.D.C. 2nd year (Commerce)

With the birth of Astha, the officially recognised one billionth baby at 5.05 am on May 11,2000 in Safdarjung Hospital, New Delhi, India achieved the dubious distinction of joining the "Demographic Billionaire Club", till then the exclusive preserve of China. Thus, if not on the economic front, on population proliferation at least, we have raced to deprive china of its unique status. China's per capita income ($ 750) is almost double of India's ($ 380) and its geographical area (7%) is three times of India's geographical area (2.4%). As per the projections of UN Fund for population Activities (UNFPA) at the present rate of our demographic progress when we are adding 17 million, i.e. about one Australia to our burgeoning population, we are poised to overtake China within the next four decades to become the most populous country on the globe. Thus the crossing of one billion mark is not a matter of pride or rejoicing as was made out by scores of cameramen jostling to click Aastha in the lap of Union Minister of State for Women and Child Development, Ms Sumitra Mahajan and a donation of Rs.. 2 Lakh by CII and PNB as educational fund for the new born. Infact the event called for introspection and responsibility. Can we, even after 53 years of independence, provide enough safe drinking water, food, housing, primary helth care, education to our children and jobs to our youth? (Presently 125 million Indians are chronically affected by drought). These soul searching questions should be asked by every Indian for the well-being of the present generation as also for our progeny. `However, no governmental effort, especially under a democratic setup, can succeed in population stabilisation without the voluntary participation of people as a national duty. We cannot adopt coercive methods like China which has succeeded in achieving a one -child norm.The mass compulsory vasectomy / sterilisation programme initiated by late Sanjay Gandhi during emergency (1975-77) no doubt responded to the call of times, but the element of compulsion and force therein, was one of the main reason in bringing down the Congress (I) Government in 1977. However, the government does have the power to use some degree of compulsion in respect of its employees right from recruitment to retirement. Let candidates who have only one brother or one sister at the time of appearing in any competitive examination be given 20 bonus mark each in the written examination and the interview. During service, apart from an existing incentive of one increment for those undergoing sterilisation let there be a bar on promotion for those who fail to adhere to two- child norm. Even penalties such as demotion to a lower grade in case of third child and dismissal from service in case of fourth child could be enforced after arriving at a national conscious with all the political parties. Let the CGHS facilities be restricted only to the parents and their two kids. On the other hand ,there should be conspicuous incentives (social and economic) for those (both Govt.. Servants and others) who remain celi-

bate throug-out life, or stick to one-child norm or marry late-say after 45 years; there by helping in checking population growth. Special identity cards should be issued to such persons entitling them to priority medical care, subsidised air and rail journey, subsidised interest rate for loans, priority in allotment of government accommodation and and flats built by various Urban Development Authorities, L.P.G. connection, Car accelerated promotions, cash awards, exemption from house tax, relief in income tax, etc.

The national population policy 2000 document released on February 15,2000 no doubt outlines a series of promotional and motivational measures to secure the small family objective. These include provision of health insurance scheme for couple below the poverty line who undergo sterilisation with not more than two living children, a special reward for those marrying after the legal age of marriage, register their marraige, have the first child after the mother reaches the age of 21, accept the small family norm and adopt a terminal method after second child birth. Eligible couple apart, even Panchayats and Zila parishads are entitled to rewards if they do well in universalisation the small family norm, slash down infant mortality rate, promote literacy, help children complete primary schooling, provide crechers and child care centre in rural areas, and promote participation of women in paid employment.

It is an established fact that it is the poor, illiterate and conservative masses below poverty line constituting nearly (35%) of population (350 million) who unwillingly contributing to rapid population growth. The government has recently announced that such people could be provided 20 kgs of foodgrain (double the present quota) at 50 percent subsidised rates. But can't the government adopt a discriminatory policy by denying this facility to those who violate the two child norm in future. Those having more than two children should be asked to go in for compulsory sterilisation to be eligible for this facility. Further every beneficiary must undertake to send their children to government schools which provide free book and tuition, midday meals. Special green card may be issued to those who adhere to two child norm to avail preferential health care at hospital. Lastly, why not ask finance commissions to link central grant and sharing of taxes to states on their performance in checking population growth . The biggest defaulting states should be peralised for their apathy to population growth and states like Kerala, Tamil nadu and Himachal Pradesh should be rewarded for checking population growth.

The most important step would be to evolve a national consensus on this vital issue which is eating away all over development efforts. The inclusion of leaders of opposition parties besides all Chief Ministers in the national commission on population, would ensure national participation and consensus. Let our elected representatives set an example by reconsidering their stand to debar those violating the 2-child norm from contesting election to legislatures.

Let's hope "Aastha" infuses a new faith in us to tackle this menacing problem on a war-footing as a sacred duty to ourselves, our family, society and for our own living nation. ❑



# PREVENTING INDUSTRIAL HAZARDS

❍ Jaheer Abbas
B. Com (III year)

Industrial mishaps pose a major threat to planned economic development. In a economy where mobilisation of resources is a serious constraint, industry is unable to afford the luxury of accidents, especially the ones which could have been prevented.

In India, industry has played an important role in the economic planning. As a result, post-independence India has witnessed industrial activity at an accelerated pace, characterised by the emergence of capital incentive and high technology systems. Modern technology involves sophisticated and large scale operations which carry heavy risks, as also high loss potential in terms of fires and accidents and their resultant chain reactions. While there has been transfer of technology from the west on a big scale, the priorities assigned to safety norms in the advanced countries do not seem to have been transplanted in the indigenous industrial system.

The concept of industrial risk management represents a pragmatic method of protecting an enterprise against financial loss due to accidents, to the best extent possible. In fact, the risk management process can be applied to cover all risks, including fire. Suitable weightage can be allotted to each, depending upon their relative importance in each process. It concentrates on identifying and evaluating the specific risk situation in any one enterprise. A rational investigation into all measures connected with the risk posed, will reveal the relative emphasis to be placed on the different aspect of the fire risk, namely :

(a) Risk avoidance (Prevention)
(b) Risk reduction (Protection)
(c) Risk transfer (Insurance)

The degree of risk will vary in each enterprise, depending primarily upon the nature and scale of its operations. To begin with, a risk catalogue should be prepared which will determine and analyse the hazards that can threaten an enterprise, the loss possibilities from a single accident and fire loss experience in the past. Once the risk has been identified and classified, the control system should be designed.

Risk avoidance, in the literal sense, may not always be possible, at least in some types of industries. Risk avoidance could involves changes in production methods or stopping the manufacture of a dangerous product. Often, management needs to strike a golden mean between risk avoidance and risk reduction. Thus, for example while efforts are geared to prevent fires, appropriate steps needs to be taken to reduce the profitability of a fire or an explosion or restrict and contain the impact of a loss once it has occurred. Risk reduction can be best attained by a suitable mix of organisational steps and loss prevention measures. The former refers to such items as pre-planning of loss reducing measures during a fire, case studies of fires and training of staff. Fire protection measures include evaluation of structural factors, extinguishing and detection systems, etc.

Losses can also be reduced by transferring the risk through insurance. While risk transfer is an important aspect, the selection of insurance covers should be made judiciously, as a part of an integrated plan for minimising losses. The conventional approach to accidents has been complacent because of the misconceived notion that damage can always be protected by insurance, at least in monetary terms. While the transfer of losses does not eliminate the actual loss, any loss prevented accrues to everyone's benefit. Moreover, many consequential losses are normally not measurable. Thus, the motto should be "prevention as far as it is possible, insurance as far as it is necessary". In this respect, insurers with their vast experience have a special role to play. They can help industries in determining maximum possible loss areas, developing good loss prevention concepts so that risks can be accepted without feeling burned.

However, there can also be a positive fallout of the growing number of collaboration and tie-ups with over seas companies. Some of this companies besides laying emphasis on world-class companies and technologies and products, also gives top priority to safety and loss prevention practices. It should be our endeavour to cash on that opportunity and ensure that international safety standard are adhered to when these multinationals set up shop in India. There is much likelihood of safety and pollution control measure being flouted, if local regulation and enforcement are portrayed as wastes or if it is considered as an avoidable expenditure eating into the company's bottom line.

At the other extreme, there is also the danger of transactional coporations using third world countries for the "export of hazards" A report by a distinguished group of legal policy, experts, published in the form of a book titled. "The export of Hazard", documents the growing trade in hazardous industries and toxic products. According to the authors, hazard exports threatens the health and environment of workers and ordinary citizens world over. "It is carried out by transnational corporations, in order to locate their most dangerous industrial activities in countries where regulatory controls may be less strict," they opine. □



# HARD WORK BRINGS SUCCESS

○ Jyotish Kr. Sarma.
2nd year (H.S.)

Once upon a time, there lived a little girl with her parents. Her name was Rani. She was a very beautiful and innocent girl. Her mother died when she was nine years old. Her father married again. Her step mother did not love her. So, she was very sad and wept for her own mother. But her father loved her very much. She was a student of class three. Her step mother made her do all the house work. She hardly got time to study. So, she quickly finished her work and then resumed her studies. She was clever and intelligent. In course of time her step mother gave birth to two daughters. Now, Rani had to work even more. She had to cook, clean the house and she had to look after her step sisters. She never protested. Now she hardly got time to study. Whenever, she got time, she studied. She wanted to be a teacher. In the meantime her final examination was over. She stood first in the exam. Her friend liked her and congratulated her for her result. She went home running and told her step mother about her result. But, her mother did not say anything. She was hurt at her mother's behaviour. In this way the days went by. Her step sisters also started going to school. But they were not good in their studies.

Meanwhile, Rani did her M.Sc. in Mathemetics. She passed out with excellent result. But her step sisters could not get through their H.S.L.C. Examination. Rani became a teacher in a college in her own village. Her dream came true. Now, her step mother like her very much as she started to earn for the family. This was how Rani made her step mother love her. Now she did not find any difference between her mother and step mother. Rani's hard work and sincerity make her successful. So, everyone must try to be like Rani.

The above story teaches us to work hard, to be polite and sincere. □

*"The, intellectuals need not take an active part in politics or in the actual affairs of administration. It is their primary function to serve society with intellectual integrity. They must erect the social consciousness and sense of responsibility which transcend the limits of political community. These who serve society in this way have a duty not to engage in politics. For every society there will be a few for whom participation in political activity would be a pervasion of genius, a disloyalty to themselves. By staying where there are, they remain true to their genius, they help to re-move a little of society's ignorance of itself. To be free from the world is the condition of their contribution. They must serve the social and spiritual values."*

*- Radhakrishnan.*

## Time

● Sri Golap Roy
T.D.C. 2nd year
(Arts Stream)

Days, months and years
Pass by so quickly
It seems only yesterday
When I was born and lay
Warm in my mother's arms
For me they were then
The whole wide world
Soon I was a three-year old
And I learnt to walk slowly
When I was three
More things happened to me
I went to a nursery school
A big change from home
The days turned to months
And months to years
From a child I have become
An adult of eighteen





## MOTHER INDIA

● Sri Golap Roy
T.D.C. 2nd year
(Arts Stream)

Oh! She is my dear mother,
Alw. ys foremost in my thoughts,
Being proud to be an Indian,
I am always proud of her,
She is a land of different religions,
Full of mighty rivers she is,
She has produced great leaders,
A mother to boast about she is.
Being a secular state,
Makes it feel great.
She is of immense beauty.
To protect her, is our duty.







মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল

বহি (বাওঁফালৰ পৰা) - শ্ৰীমতী সুমিত্ৰা চৌধুৰী, ড°(শ্ৰীমতী)নমিতা ডেকা, শ্ৰীমতী জয়জ্যোতি গোস্বামী, ড° নবেশ্বৰ শৰ্মা (অধ্যক্ষ), শ্ৰীমতী অনুৰাধা শইকীয়া বৰুৱা, শ্ৰীযুত খগেন বড়ো।
ড°(শ্ৰীমতী) ৰীতা শৰ্মা, ড°(শ্ৰীমতী) নন্দিনী শৰ্মা বৰুৱা, শ্ৰীমতী ধৰিত্ৰী ঠকুৰীয়া, ড°(শ্ৰীমতী) সুনীতা আগৰৱালা,
থিয় হৈ (বাওঁফালৰ পৰা) -শ্ৰীমতী গীতিলেখা দেৱী, নাজনিন ৰহমান, শ্ৰীবিবেন নাথ, শ্ৰীযুত অজয় মিত্ৰ, শ্ৰীযুত মাথুৰ বৰ্মন।
মিচ্ পৱিনীতা বৰা, শ্ৰীমতী বীণা চৌধুৰী,
(ভালে কেই'ৰাকী শিক্ষক-শিক্ষয়িত্ৰী ফটোত অনুপস্থিত)



"অৰুণ"ৰ সম্পাদনা সমিতি ঃ

বাওঁফালৰ পৰা বহি ক্ৰমে- ড° নমিতা ডেকা (তত্বাৱধায়িকা), ড° নন্দিনী শৰ্মা বৰুৱা (অধ্যাপিকা সদস্য),
ড° নবেশ্বৰ শৰ্মা (সভাপতি), বীণা চৌধুৰী (অধ্যাপিকা সদস্য)।
থিয় হৈ ক্ৰমে ঃ অৰূপ জ্যোতি কলিতা(ছাত্ৰ সদস্য), নীলোৎপল শৰ্মা (সম্পাদক), জাহিৰ আহমেদ(ছাত্ৰ সদস্য)।



মহাবিদ্যালয়ৰ পুথিভড়াল-সমিতি ঃ

বাওঁফালৰ পৰা বহি ক্ৰমে ঃ ড° নন্দিনী শৰ্মা বৰুৱা, মিনু দেৱী, ড° নবেশ্বৰ শৰ্মা,(অধ্যক্ষ) আৰু ড° নমিতা ডেকা ।
থিয় হৈ ক্ৰমে ঃ অৰুণ জ্যোতি কলিতা (সাঃ সম্পাদক) আৰু অজিত মালাকৰ।
ফটোত অনুপস্থিত ঃ বিনীতা বাভা ।



মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ঃ

বহি ক্ৰমে ঃ সুমিত্ৰা চৌধুৰী (তঃ সাংস্কৃতিক ), ড° নমিতা ডেকা(তঃ আলোচনী), ড° নবেশ্বৰ শৰ্মা (অধ্যক্ষ), ড° ৰীতা শৰ্মা (তঃ ছাত্ৰী জিৰণি কোঠা), খগেন বড়ো (তঃ ছাত্ৰ জিৰণি কোঠা), মাধুৰ বৰ্মন (তঃ গুৰু ক্ৰীড়া) আৰু অৰুণ জ্যোতি কলিতা (সাঃ সম্পাদক) ।
থিয় হৈ ক্ৰমে ঃ ভাস্কৰ শৰ্মা (সমাজ সেৱা সম্পাদক), দিগন্ত কুমাৰ ডেকা (সহঃ সাধাৰণ সম্পাদক), নীলোৎপল শৰ্মা (আলোচনী সম্পাদক) দিগন্ত কুমাৰ দাস (সাংস্কৃতিক সম্পাদক) আৰু জাহিৰ আহমেদ (ছাত্ৰ জিৰণি কোঠা সম্পাদক)।



মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল ঃ

বহি ক্ৰমে ঃ সৰ্বশ্ৰী মানিক ডেকা, ড° ৰীতা শৰ্মা (অধ্যাপিকা), ড° নবেশ্বৰ শৰ্মা ( অধ্যক্ষ ) আৰু ৰীবেন শৰ্মা ।
থিয় হৈ ক্ৰমে ঃ সৰ্বশ্ৰী গিৰিশ শইকীয়া, ৰমেশ বৈশ্য, ফলেশ্বৰী ডেকা, ইন্দিৰা গগৈ, আনোৱাৰা বেগম আৰু ব্ৰজেন শৰ্মা ।
ফটোত অনুপস্থিত ঃ সৰ্বশ্ৰী ৰুক্মিনী দাস, খৰ্গেশ্বৰ শইকীয়া, হীৰেন বৌৰৰ আৰু প্ৰশান্ত বৰদলৈ ।







সদৌ অসম আন্তঃ মহাবিদ্যালয়ৰ ২০০০-২০০১ ভলীবল প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত দলৰ প্ৰতিযোগীসকল

বাওঁফালৰ পৰা ক্ৰমে -(থিয় হৈ) ঃ জাহিৰ আহমেদ ( ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ), বুবুল বৰা, কাজল দে, ৰানেচ চন্দ্ৰ নাজেৰী (কেপ্তেইন), বিজয় কুমাৰ দুবে, ৰঞ্জিত পাঞ্জী, দিগন্ত দাস,(সাংস্কৃতিক সম্পাদক), বিপ্লৱ দে, দিতুল বৰা, নবীন দে, জাহিৰ আব্বাছ (লঘু ক্ৰীড়া সম্পাদক ), দিগন্ত ডেকা (সহকাৰী সাঃ সম্পাদক)
সোঁ-ফালৰ পৰা ক্ৰমে-(বহি থকা) ঃ ড° নবেশ্বৰ শৰ্মা (অধ্যক্ষ), খগেন বড়ো (তত্ত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা)
প্ৰশিক্ষক ঃ জাহিৰ আব্বাচ



বিশ্ববিখ্যাত তাজমহলৰ সন্মুখত শিক্ষামূলক ভ্ৰমণলৈ যোৱা ছাত্ৰসকল



পুথিভঁৰালত ছাত্ৰ-ছাত্ৰীসকল



বঁটা বিতৰণী সভাত ভাষণৰত অৱস্থাত ঁ লক্ষ্যধৰ চৌধুৰী



নৱাগত আদৰণি সভাত ভাষণৰত অৱস্থাত ড° নিৰ্মল কুমাৰ চৌধুৰী



দিশপুৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ একাংশ



অৰুণ

# প্ৰতিবেদন



ৰূপহী অসমীৰ বিজয় মন্দিৰত দেহৰ শোণিত ঢালি আশাৰ দ্বীপক জ্বলাই যোৱা জাত-অজাত সমূহ বীৰ শ্বহীদলৈ মোৰ প্ৰতিবেদনৰ আৰম্ভণীতে শ্ৰদ্ধাৰে সোঁৱৰিছোঁ । যি সকলে চিৰকণ্ম চিৰসুধ জীৱন আকোৱালি ল'লে সেইসকলৰ মহান ত্যাগ আৰু আদৰ্শলৈ শ্ৰদ্ধাসিক্ত অভিনন্দন যাচিছোঁ ।

**কাৰ্য্যভাৰ গ্ৰহণ** ঃ- বিগত ১৯৯৯ চনৰ অক্টোবৰ মাহৰ ৯ তাৰিখে হৈ যোৱা মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাত সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত হওঁ । ১৩ নৱেম্বৰ'৯৯ তাৰিখে প্ৰাক্তন সাধাৰণ সম্পাদকৰ পৰা কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ ।

শ্বহীদ বেদী উন্মোচন ঃ- দিশপুৰ মহাবিদ্যালয় চৌহদত এটি স্থায়ী শ্বহীদ বেদী নিৰ্মাণেৰে মই মোৰ কাৰ্য্যকাল ছোৱাৰ পাতনি মেলো । অসম আন্দোলনৰ ৮০০ শ্বহীদৰ স্মৃতিত নিৰ্মিত এই শ্বহীদ বেদীৰ নিৰ্মাণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বহু পুৰণি এটি আকাংক্ষিত সপোন বাস্তৱত পৰিণত কৰিলো । মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণিৰ দিনা (২৪ জানুৱাৰী'২০০০) এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত নৱ নিৰ্মিত শ্বহীদ বেদী উদ্‌মাজ কৰে সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উপদেষ্টা দীপক কুমাৰ পাটোৱাৰী দেৱে । বহুবছৰীয়া আকাংক্ষিত শ্বহীদ বেদীতো মহাবিদ্যালয় চৌহদত নিৰ্মাণৰ অনুমতি প্ৰদান কৰা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° চৰণ কৌৰ বাহিদেউলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ । শ্বহীদ বেদী নিৰ্মাণৰ ক্ষেত্ৰত গঠনমূলক পৰামৰ্শ লগতে আৰ্থিক সহযোগিতা আগবঢ়োৱা বাবে সদৌ অসম ছাত্ৰ সন্থাৰ বাজিক কাৰ্য্যনিৰ্বাহক বিপুল বাড়া সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি নিৰ্মল বৈশ্য মুখ্য সাংগঠনিক সম্পাদক নুৰুল হ'কলৈ মই এই প্ৰতিবেদনৰ যোগেৰে অনাবিল কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ ।

মহাবিদ্যালয় সপ্তাহ ঃ- যোৱাটো বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ২৪ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ উলহ মালহেৰে অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্য্যসূচী মৰ্মে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° চৰণ কৌৰ বাহিদেৱে । সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পনেৰে ক্ৰীড়া প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ অন্তিম ২৭ জানুৱাৰী তাৰিখে বঁটা বিতৰণী সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্যধৰ চৌধুৰী দেৱৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ যোগাইছিল। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষাৰ পৌৰহিত্যত বহা সভাখনত প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰা হয়।

পৃথিৱীৰ সকলো মানুহে স্বীকাৰ কৰিছে যে এটা জাতি বা এখন দেশৰ শিক্ষা ব্যৱস্থাই যেনেকৈ এখন দেশৰ গৌৰৱ কঢ়িয়াই আনে ঠিক তেনেদৰে খেল ধেমালীয়েও এখন দেশৰ বা এখন বিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিব পাৰে । ক্ৰীড়াৰ ক্ষেত্ৰত দিশপুৰ মহাবিদ্যালয়লৈ সুনাম অৰ্জন কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰী সকললৈ এই প্ৰতিবেদনৰ যোগেদি কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।

**নৱনিৰ্বাচিত অধ্যক্ষ** ঃ- দিশপুৰ মহাবিদ্যালয়লৈ বহু বিৰতিৰ পিছত এজন স্থায়ী অধ্যক্ষৰ নিযুক্তি আমি উৎসাহিত। নৱ নিৰ্বাচিত অধ্যক্ষ হিচাবে এই মহাবিদ্যালয়ত যোগদান কৰা ড° নৱেশ্বৰ শৰ্মা দেৱলৈ এই প্ৰতিবেদনৰ যোগেৰে আদৰণী জনাইছোঁ।

সৰস্বতী পূজা ঃ- বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰী শ্ৰী সৰস্বতীপূজা যোৱাটো বৰ্ষৰ ১০ ফেব্ৰুৱাৰী দিনাখন অধিক উলহ মালহেৰে অনুষ্ঠিত কৰা হয়। সৰস্বতী পূজা সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মোক সহযোগিতা লগতে পৰামৰ্শ আগবঢ়োৱা বাবে পূজা কমিটিৰ তত্বাৱধায়ক মাধুৰ বৰ্মন আৰু ভূপেন শৰ্মাৰ লগতে প্ৰবক্তা খগেন চন্দ্ৰ বড়ো ছাৰক আন্তৰিক কৃতজ্ঞতাৰ লগতে ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

**নৱাগত আদৰণি সভা** ঃ- প্ৰকৃতিৰ নিয়ম নতুনক আকোৱালি পুৰণিক বিদায় দিয়া । ঠিক তেনেদৰে মহাবিদ্যালয়লৈ এই বৰ্ষত নাম ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে নৱাগত আদৰণি সভাখন ২৪ আগষ্ট ২০০০ চনত অনুষ্ঠিত কৰা হৈছিল। নৱাগত আদৰণি সভাৰ দিনাখন প্ৰথম কাৰ্য্যসূচীমৰ্মে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে নৱনিযুক্ত অধ্যক্ষ ড° নৱেশ্বৰ শৰ্মা দেৱে । আছুৰ পতাকা

উত্তোলন কৰে দিশপুৰ ছাত্ৰ সন্থাৰ উপদেষ্টা বিপুল তালুকদাৰে লগতে শ্বহীদ বেদীত মাল্যাৰ্পন কৰে দিশপুৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হেমন্ত বৰুৱাই। ইয়াৰ পিছতে নৱাগত সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে সাংস্কৃতিক অনুষ্ঠানত বাবে বৰণীয়া গীত মাতৰ লগতে স্থানীয় হাই-হুকু কৌতুক গোষ্ঠীৰ দ্বাৰা কৌতুক পৰিৱেশনত সমূহ শিক্ষাগুৰুৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত দেখা যায়। আদৰণি সভাৰ অতিথি মুকলি সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবেশ্বৰ শৰ্মাৰ পৌৰহিত্যত বহা সভাখনত পৌৰ প্ৰশাসন মন্ত্ৰী বিৰাজ কুমাৰ শৰ্মা, প্ৰাক্তন উপাচাৰ্য্য ড° নিৰ্মল কুমাৰ চৌধুৰী, কথাছবি অভিনেত্ৰী চেতনা দাসৰ লগতে দিশপুৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডাঃ ভাস্কৰ ফুকনৰ উপস্থিতিয়ে নৱাগত আদৰণি সভাৰ সৌষ্ঠৱ বঢ়ায়।

**স্মাৰক পত্ৰ প্ৰদান** ঃ- দিশপুৰ মহাবিদ্যালয় অসমৰ ৰাজধানী দিশপুৰৰ সমীপত যদিও বহু সমস্যাই বৰ্তমান মহাবিদ্যালয় খনত বিৰাজমান। এই সমস্যাৰ কেইটামান গুৰুত্বপূৰ্ণ সমস্যা আমি এখন স্মাৰক পত্ৰৰ যোগেদি এমাহৰ ভিতৰত সমাধান কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষক অৰ্পন কৰিছিলোঁ।

সমস্যা কেইটা ঃ- (১) মহাবিদ্যালয়ত খোৱা পানীৰ অভাৱ।
(২) মহাবিদ্যালয়ত ছাত্ৰ জিৱনি কোঠা আৰু ছাত্ৰ একতা সভাৰ কাৰ্যালয়টো উপযোগি কৰি তোলা।
(৩) মহাবিদ্যালয়ত ছাত্ৰ অনুপাতে প্ৰস্ৰাৱগাৰৰ আৰু অধিক উন্নতি কৰা।
(৪) মহাবিদ্যালয়ৰ মুখ্য দুৱাৰত এখন স্থায়ীভাৱে তোৰণ স্থাপন কৰা।
(৫) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা, কাৰ্যালয়ৰ লগতে মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত এজন ৪ৰ্থ বৰ্গৰ সহায়কক নিয়মিয়াকৈ নিযুক্তি দিয়া।
(৬) ছাত্ৰী জিৱনি কোঠা আৰু অধিক উপযোগি কৰি তোলা।

বছৰটোত আমাৰ সাফল্য ঃ-

(১) দিশপুৰ মহাবিদ্যালয়ত ২২ বছৰৰ বিৰতিত খোৱাপানীৰ যোগানে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষা গুৰু সকলে পোৱা অসুবিধা আঁতৰ কৰে।
(২) ছাত্ৰ জিৱনি কোঠা বহু বছৰ পৰিত্যক্ত হৈ থকাৰ পিছত যোৱাটো বৰ্ষৰ ২৫ চেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ বাবে মুকলি কৰি দিয়াৰ লগতে কেইপদ মান আৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰা হয়।
(৩) ছাত্ৰী জিৱনি কোঠাত আৰু অধিক পৰ্যামানে সামগ্ৰী ক্ৰয় কৰা হৈছে।
(৪) দিশপুৰ মহাবিদ্যালয়ৰ পৰা সুদীৰ্ঘ ৬ বছৰৰ বিৰতিত ২৯ জনীয়া এটি ছাত্ৰৰ দলে প্ৰবক্তা খগেন চন্দ্ৰ বড়োৰ লগতে ছাত্ৰ একতা সভাৰ তত্বাৱধানত সুদুৰ দিল্লী, চণ্ডিগড়, আগ্ৰা আৰু ছিমলালৈ শিক্ষামূলক ভ্ৰমনলৈ গৈ অহাটো আমাৰ বাবে এক সাফল্য।
(৫) মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (**NCC**) ৰ এটা নিয়মীয়া শিবিৰ অনাৰ ক্ষেত্ৰত ইতিমধ্যে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহন কৰা হৈছে।
অনাগত ছাত্ৰ একতা সভাই এই ক্ষেত্ৰত সহযোগিতা আগবঢ়ালে কিছু মাহ পিছতে মহাবিদ্যালয়ত **NCC** ৰ শিবিৰ স্থাপন কৰিব পৰা যাব।
(৬) যোৱাটো বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ জিৱনি কোঠাত **BAUCH & LOMB EYECARE INDIA PVT LTD.** ৰ সৌজন্যত আৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত এটা বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়।
(৭) ইয়াৰ উপৰিও মহাবিদ্যালয়ত যোৱা ২৬ ডিচেম্বৰ, ২৭ ডিচেম্বৰ তাৰিখে দিশপুৰ মহাবিদ্যালয় আছু গোটৰ বাৰ্ষিক অধিৱেশনখন দুদিনিয়া কাৰ্যসূচীৰে জাকজমকতাৰে অনুষ্ঠিত কৰা হয়। এই উপলক্ষে ২৬ ডিচেম্বৰ তাৰিখে দিশপুৰ ছাত্ৰ সন্থাৰ উদ্যোগত শ্ৰমদান কৰা হয়। ২৭ ডিচেম্বৰ ৰাতিপুৱা 'আছু'ৰ পতাকা উত্তোলনৰ লগতে শ্বহীদ তৰ্পণেৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হয়। বিয়লি মহাবিদ্যালয় 'আছু' গোটৰ উদ্যোগত নিৰ্মিত জাননী ফলক উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবেশ্বৰ শৰ্মাদেৱে। অধিৱেশনৰ প্ৰতিনিধি সভাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে প্ৰবক্তা খগেন চন্দ্ৰ বড়ো ছাৰক আনুষ্ঠানিক ভাবে সম্বৰ্ধনা জনোৱা হয়। বিষয় বাছনী সভাত সদৌ গুৱাহাটী





ছাত্ৰ সন্থাৰ নেতৃবৃন্দই ২০০০-২০০১ বৰ্ষৰ বাবে ৫৫ জনীয়া এখন পূৰ্ণাংগ কমিটি গঠন কৰে।
(৮) মহাবিদ্যালয়ৰ মুখ্য দুৱাৰৰ তোৰণখনৰ প্ৰাৰম্ভিক কাম সমূহ ইতিমধ্যে আগবাঢ়িছে। আগন্তুক বৰ্ষত নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাই এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিলে তোৰণখন অনতি পলমে নিৰ্মিত হব।

**যাক আমি হেৰুৱালো** ঃ- মৃত্যুই চিৰন্তন সত্য। ই এক ধৰাবন্ধা নীতি। সৃষ্টিৰ পাতনিৰ পৰাই চলি আহিছে একেদৰে। ইয়াৰ কোনো বিকল্প নাই। এই সত্যকে প্ৰতিপন্ন কৰি আমি যোৱাটো কাৰ্যকালচোৰাত বহুতো জ্ঞাত অজ্ঞাত ব্যক্তিক হেৰুৱাইছো। তেখেত সকলৰ স্মৃতিয়ে আমাক সদায়ে সোঁৱৰিব। এই মহাবিদ্যালয়ৰ ছাত্ৰী ভুনুমনি দাস, ছাত্ৰ ৰাকেশ দাস, মহাবিদ্যালয় পৰিচালনা কমিটিৰ প্ৰাক্তন সভাপতি ক্ষিতিশ চন্দ্ৰ মেধী। মহাবিদ্যালয় নৱাগত আদৰণী সভাত উপস্থিত থকা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্যধৰ চৌধুৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চৈয়দ আব্দুল মালিকৰ বিয়োগত আমি মৰ্মাহত। তেখেত সকলৰ স্মৃতিত একোখনকৈ শোকসভা অনুষ্ঠিত কৰি মৃতকৰ আত্মালৈ শ্ৰদ্ধাৰে সোঁৱৰিছো।


**ব্যক্তিগত মতামত** ঃ- দেশমাতৃৰ সংকটাৱস্থাত অধ্যয়নৰ ফালে পিঠি দি হলেও দেশৰ কিনাল শাৰ্থত আত্মোৎসৰ্গ কৰি কিমৰ বুকুত অসমক প্ৰতিষ্ঠা কৰি আমাৰ ছাত্ৰ সমাজে প্ৰশংসাৰ পাত্ৰ হৈ পৰিছে। জাতিৰ প্ৰতি আৰু দেশৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ ফালে পিঠি কেৱল আত্মস্বাৰ্থৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে এজন আত্মকেন্দ্ৰীক ডাক্তৰ, ইঞ্জিনিয়াৰ, বৈজ্ঞানিক, শিল্পী বা প্ৰকাশক আদি হোৱাৰ সপোন দেখাটো এক সামাজিক অপৰাধ। অধ্যয়নৰ পৰা অৰ্জা সুফলখিনিক জাতীয় স্বাৰ্থৰ অনুকুলে নিঃস্বাৰ্থ ভাৱে প্ৰয়োগ কৰি দেশপ্ৰেম, কৰ্তব্যনিষ্ঠৰ পৰিচয় দিয়া ছাত্ৰ-ছাত্ৰীৰহে আজি জাতিটোৰ একান্ত প্ৰয়োজন। বৰ্তমানে দেশৰ শিক্ষানীতি ৰাজনৈতিক ভ্ৰষ্টাচাৰ, অৰ্থনৈতিক ভাৰসাম্যহীনতা অসুস্থ সামাজিক বাতাবৰণ সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশৰ সুস্থ পৰিবেশহীনতা আদি এই এবুৰি সমস্যাক একান্তভাৱে উপলব্ধি কৰি সিবিলাক সুপৰিকল্পিতভাবে সমাধানৰ বাবে ছাত্ৰ সমাজে পাৰ্যমানে চেষ্টা কৰা উচিত।

**বিশেষ কৃতজ্ঞতা** ঃ- দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৩ নং সাধাৰন সম্পাদক হিচাবে যোৱাটো বৰ্ষত জয়ী কৰোৱা বাবে সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিকভাৱে কৃতজ্ঞতা প্ৰকাশ কৰিলো। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° চাৰন কৌৰ, মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দলৈ মোক সু-পৰামৰ্শৰে সহযোগিতা কৰা বাবে এই প্ৰতিবেদনৰ যোগেদি আগবঢ়াইছো আন্তৰিক শ্ৰদ্ধাভৰা কৃতজ্ঞতা। মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অতি কম সময়ৰ ভিতৰতে বহুতো সমস্যা সমাধান কৰাৰ লগতে মোক ব্যক্তিগতভাৱে সুপৰামৰ্শ দি সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ নব নিযুক্ত অধ্যক্ষ ড০ নবেশ্বৰ শৰ্মা দেৱলৈ অনাবিল শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। কাৰ্যকালচোৰাত নিৰ্বাচনৰ পূৰ্বৰ পৰা এতিয়ালৈ সু-পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা বাবে ব্যক্তিগত ভাবে মোক বিগত কাৰ্যকালচোৰাত নিৰ্বাচনৰ পূৰ্বৰ পৰা এতিয়ালৈ সু-পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা বাবে ৰাইজউদ্দিন আহমেদলৈ ধন্যবাদ জ্ঞাপন কৰিলো। কাৰ্যকালচোৰাৰ দিশপুৰ ছাত্ৰ সন্থাৰ ভাতৃপ্ৰতিম বিপুল তালুকদাৰ, হেমচন্দ্ৰ বৰুৱা, ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববিয়াসকললৈ লগতে বন্ধু প্ৰতিটো কাৰ্যসূচী সফলভাবে ৰূপায়িত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা বাবে সম্পাদক সমন্বিতে অন্যান্য বিভাগীয় বান্ধৱী সকলৈ এই প্ৰতিবেদনৰ যোগেৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**কাৰ্যভাৰ অৰ্পণ** ঃ- যোৱা ২ জানুৱাৰী'২০০১ বৰ্ষত নব নিৰ্বাচিত ছাত্ৰ একতা সভাৰ সাধাৰন সম্পাদক সকলক কাৰ্যভাৰ অৰ্পন কৰিয়ে মই মোৰ ১৩ মহীয়া কাৰ্যকালছোৱা সমাপ্ত কৰিছোঁ। বিগত দিনবোৰত বহুতো ক্ষেত্ৰতে হয়তো জ্ঞাতে-অজ্ঞাতে ভুল-ভ্ৰান্তি হৈছে। তাৰ বাবে কোনোৰে সংকোচ ভাব নাৰাখি ক্ষমা মাৰ্জনা কৰিব বুলি আশা ৰাখিলো। শেষত প্ৰীতি আৰু শ্ৰদ্ধাৰে মোৰ এবছৰীয়া প্ৰতিবেদনৰ ইতি কৰিছোঁ।

জয়তু
দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
(অৰূপ জ্যোতি কলিতা)
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা দিশপুৰ মহাবিদ্যালয় - ১৯৯৯-২০০০

# প্ৰতিবেদন



পোনতে মই সেই সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো যি সকলে এই মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাত সুযোগ দিছিল। ১৯৯৯-
২০০০ চনৰ বৰ্ষটোত এই মহান অনুষ্ঠানটোৰ হকে যিবোৰ কাম কৰিছিলোঁ, তাত যদি ক্ৰুটি বৈ গ'ল তেন্তে তাৰ বাবেও মই ক্ষমা
বিচাৰিছোঁ।

লগতে মোৰ মাতৃভূমিৰ হৈ যি সকল সেনা তথা ব্যক্তিয়ে নিজৰ প্ৰাণ আহুতি দি মাতৃভূমিৰ অস্তিত্ব ৰক্ষা কৰিছে সেই সকল
ব্যক্তিৰ, এমুঠি শব্দৰ মাজেৰে মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। তেওঁলোকৰ সমাধি হওঁক আমাৰ জাতীয় জীৱনৰ কীৰ্তি স্তম্ভ।

১৯৯৯-২০০০ বৰ্ষৰ বাবে মই দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগ
মৰ্মে সহকাৰী সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হৈছিলোঁ। সেয়েহে এই পদত থাকি দিশপুৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক নেতৃত্ব দিয়াত
মই কিমান কৃতকাৰ্য্য সেয়া সমূহ ছাত্ৰ-ছাত্ৰীৰ বিবেচনাৰ দিশতে এৰিলোঁ। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পোনতে আৰম্ভ হয় মহাবিদ্যালয়ৰ বাৰ্ষিক
সপ্তাহ। এই বছৰৰ বাৰ্ষিক সপ্তাহ আৰম্ভ হয় ২৪ জানুৱাৰী তাৰিখে। মহাবিদ্যালয়ৰ এই বাৰ্ষিক সপ্তাহত প্ৰায়বোৰ ল'ৰা ছোৱালীয়ে অংশ গ্ৰহণ
কৰা দেখা যায়। মহাবিদ্যালয়ৰ সপ্তাহৰ শেষৰ দিনাখন বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। এই সভাত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ
ড° চৰণ কৌৰ মহাশয়াই আৰু মুখ্য অতিথি হিচাপে আসন গ্ৰহণ কৰিছিল" লক্ষ্যধৰ চৌধুৰীয়ে।

মহাবিদ্যালয়ৰ সপ্তাহৰ পিছতে আহি পৰে সৰস্বতী পূজা। অন্য বছৰৰ দৰে এই বছৰতো সৰস্বতী পূজা পতা হয়। অন্য
বছৰতকৈ এই বছৰ সৰস্বতী পূজা বহু ভাল হোৱা বুলি কব পাৰি।

ইয়াৰ পিছতে আহি পৰে আমাৰ নৱাগত আদৰণি সভা। এই বছৰৰ নৱাগত আদৰণি সভাখন আগষ্ট মাহৰ ২৮ তাৰিখে
অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে অধ্যক্ষ মহোদয় ড° নবেশ্বৰ শৰ্মা দেৱে। বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ জনোৱা হয় পৌৰ প্ৰশাসন
মন্ত্ৰী বিৰাজ কুমাৰ শৰ্মা দেৱক। মুখ্য বক্তা হিচাপে থাকে প্ৰাক্তন উপাচাৰ্য্য ড° নিৰ্মল চৌ[illegible]ৰী ডাঙৰীয়া। আমন্ত্ৰিত অতিথি হিচাপে নিমন্ত্ৰণ
কৰা হয় চেতনা দাসক লগতে মহাবিদ্যালয়ৰ পৰিচালনা কমিটিৰ সভাপতি শ্ৰীযুত ভাস্কৰ মুকুল ডাঙৰীয়াক।

এই নৱাগত আদৰণি সভাখনত ছাত্ৰ-ছাত্ৰীৰ মনোৰঞ্জনৰ কাৰণে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় আৰু লগতে এটি
কৌতুক গোষ্ঠীৰো আয়োজন কৰা হয়।

এইখিনিতে স্বীকাৰ কৰোঁ যে শৈক্ষিক পৰিৱেশ অক্ষুন্ন ৰখাৰ লগতে এই মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ মহোদয় ড° নবেশ্বৰ শৰ্মা
দেৱ আৰু লগতে অধ্যাপক তথা অধ্যাপিকাই মোক বিভিন্ন দিশত সহায় পৰামৰ্শৰে সজাগ কৰিছিল, তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা
আগবঢ়ালোঁ। লগতে দিশপুৰ ছাত্ৰ সন্থাৰ আৰু দিশপুৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে মোৰ কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্য্যকালত গঠনমূলক ভাবে উপদেশ দিয়া বন্ধু বান্ধৱী সকল আছিল বিনোদ, ৰঞ্জন, পঙ্কজ, বিজন, জয়ন্ত, হেমেন,
চিন্ময়, হীৰেণ, কমল, আবুল, চিনু, বিমল, সুৰুজ, জবেন, কৃষ্ণা, নিলুফা, ৰঞ্জিতা, মিনাক্ষী, উষা, সংগীতা, বাণী, প্ৰীতি আদি।

এই সকলোকে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ, লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
সদৌ শেষত পুনৰবাৰ মই অনিচ্ছাকৃত ভুলৰ বাবে দিশপুৰ মহাবিদ্যালয়ৰ সমূহৰে ওচৰত বাৰ্ষিক প্ৰতিবেদনৰ দ্বাৰা সৰ্বক্ষমা
বিচাৰিছো।

লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

উচ্চ শিক্ষাৰ মানদণ্ডৰে জিলিকি উঠক দিশপুৰ মহাবিদ্যালয়,
জয় হওঁক ছাত্ৰ একতা সভা
জ্ঞানৰ সৌৰভ ভৰি পৰক
মানস কুঞ্জত।

ধন্যবাদ সহকাৰে
শ্ৰী দিগন্ত কুমাৰ ডেকা
সহকাৰী সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা দিশপুৰ মহাবিদ্যালয় - ১৯৯৯-২০০০





# প্ৰতিবেদন



" কৰ্তব্যজ্ঞানে কৰ্মলৈ উৎসাহ আৰু প্ৰতিজ্ঞা জন্মায় মনৰ একাগ্ৰতা বঢ়ায় নৈতিকতাক সাহস জন্মায়।"

অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকল জাতীয়বীৰ শ্বহীদৰ কেঁচা তেজেৰে অসম মাতৃৰ চৰণ ৰঞ্জিত হ'ল সেই
শ্বহীদ সকলৰ পবিত্ৰ স্মৃতি সুঁৱৰি মোৰ প্ৰতিবেদন আৰম্ভ কৰিবলৈ লৈছোঁ। ১৯৯৯-২০০০বৰ্ষৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ
জিৰণি কোঠা তথা ভাৰপ্ৰাপ্ত তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদক হিচাবে যি পাৰদৰ্শিতা আৰু নিয়মানুবৰ্তিতাৰ পৰিচয় দিব
লাগিছিল সেয়া সম্পূৰ্ণৰূপে দিব নোৱাৰিলেও মই যত্ন আৰু প্ৰচেষ্টাৰ ক্ৰুটি কৰা নাছিলোঁ। এবছৰীয়া কাৰ্য্যকাল হলেও উক্ত বিভাগ
দুটাৰ বাবে এই ছোৱা সময় যথেষ্ট নহয়। তথাপিও মই মোৰ চেষ্টা আৰু তত্বাৱধায়ক খগেন বড়ো ছাৰ আৰু তত্বাৱধায়িকা বাণী মুদিয়াৰ
ডেকা বাইদেউৰ সফল সহযোগিতাৰ ফলত বহখিনি কৰিবলৈ সক্ষম হোৱা বুলি ভাবোঁ। তাৰ কাৰণে ছাৰ আৰু বাইদেউৰ ওচৰত
চিৰকৃতজ্ঞ।

মোৰ কাৰ্য্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহ উদযাপন কৰা হয়। ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ নেৰানেপেৰা
চেষ্টাৰ ফলত মহাবিদ্যালয় সপ্তাহ যথেষ্ট উলহ মালহেৰে অনুষ্ঠিত হল। ইয়াত মই পাতিব লগা খেলসমূহ আছিল পাঞ্জা,চিত্ৰাঙ্কন,
লুডু,লগতে কুইজ, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদি। এই খেল সমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰোঁ। উক্ত প্ৰতিযোগিতাত যথেষ্ট
সংখ্যক ছাত্ৰ-ছাত্ৰীৰ যোগদানে মোক উৎসাহিত কৰিছিল। ইয়াৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতে অসমৰ ভিন ভিন মহাবিদ্যালয়
তথা প্ৰতিষ্ঠান সমূহে আয়োজন কৰা তৰ্ক আৰু প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ সুনাম
কঢ়িয়াই আনিবলৈ সক্ষম হোৱা দুয়োজন ছাত্ৰকে মই আন্তৰিক ধন্যবাদ যাচিছোঁ। ইয়াৰ উপৰিও মই এই বছৰেৰে চেপ্তেম্বৰ মাহত ছাত্ৰ-
ছাত্ৰীৰ উন্নতিৰ হকে এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। কিন্তু অতি দুখৰ বিষয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ
সংখ্যা আছিল নিচেই তাকৰ। মই ভাবোঁ এই লক্ষণ সমূহ এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শোভনীয় নহয়। মহাবিদ্যালয়ৰ অতিকৈ
প্ৰয়োজনীয় ছাত্ৰ জিৰণি কোঠা বিগত বছৰ ধৰি বন্ধ হৈ আছিল। দায়িত্ব গ্ৰহণৰ পিছতে ছাত্ৰ জিৰণি কোঠা ছাত্ৰ সকলৰ উপযোগিতাৰ
বাবে মুকলি কৰি দিয়াটো ডাঙৰ প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰো। সেই ছাত্ৰ জিৰণি কোঠাটো মোৰ চেষ্টা তথা তত্বাৱধায়ক আৰু ছাত্ৰ
একতা সভাৰ সমূহ সদস্যৰ সহযোগিতাৰ ফলত ছাত্ৰ সকলৰ উপযোগিতাৰ বাবে মুকলি কৰি দিবলৈ সক্ষম হওঁ। লগতে জিৰণি কোঠাৰ
বাবে প্ৰয়োজনীয় আচবাব সমূহ যোগান ধৰা হয়।

এইখিনিতে মই খগেন বড়ো চাৰ, বাণী মুদিয়াৰ ডেকা বাইদেউলৈ আৰু অধ্যাপক, অধ্যাপিকাসকললৈ তেওঁলোকে
আগবঢ়োৱা সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে দিশপুৰ মহাবিদ্যালয়ৰ সমূহ মহাশয়, মহাশয়ালৈ মোৰ আন্তৰিক শ্ৰদ্ধা
জনোৱাৰ লগতে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক এটাৰ দৰে
গুৰুত্বপূৰ্ণ পদবী এটালৈ প্ৰতিদ্বন্দিতাবে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয় সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন
কৰিছোঁ।

দিন যায় মাহ আহে, মাহ যায় বছৰ আহে চাওঁতে চাওঁতে এটা বছৰ পাৰ হৈ গ'ল। মোৰ কাৰ্য্যকালো শেষ। মোৰ
জ্ঞাতে-অজ্ঞাতে হোৱা ভুলৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

পৰিশেষত দিশপুৰ মহাবিদ্যালয় আৰু 'অৰুণ'ৰ সৰ্বাংগীন উন্নতি তথা সোণালী ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ
ইতিৰেখা টানিলোঁ।

ধন্যবাদেৰে
জাহিৰ আহমেদ
ছাত্ৰ জিৰণি কোঠা তথা ভাৰপ্ৰাপ্ত তৰ্ক আৰু আলোচনা চক্ৰ
সম্পাদক

## প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা প্ৰবক্তা সকলৈলে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু হিয়া ভৰা শুভেচ্ছা জনালোঁ। তদুপৰি যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক এই বছৰৰ সাংস্কৃতিক সম্পাদকৰ পদত নিৰ্বাচিত কৰি, কাৰ্য্যভাৰ গ্ৰহণ কৰাত সুবিধাকণ দিলে তেওঁলোকলৈ কৃতজ্ঞতা আৰু ধন্যবাদৰ শৰাই আগবঢ়ালোঁ।

১৯৯৯-২০০০ বৰ্ষৰ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত নিৰ্বাচিত হৈয়ে পোন প্ৰথমে কাৰ্য্য কৰিছিলো 'মহাবিদ্যালয় সপ্তাহত'। এই 'মহাবিদ্যালয় সপ্তাহৰ' সংগীতৰ দিশৰ প্ৰতিযোগিতা সমূহ পতাৰ দায়িত্ব মোৰ হাতত পৰিছিল। যেনে ঃ বৰগীত, লোকগীত, জ্যোতি সংগীত, বিয়ানাম, সমবেত সংগীত, আধুনিক গীত আদি। সংগীত প্ৰতিযোগিতাত শ্ৰেষ্ঠ গায়িকা হিচাপে নিৰ্বাচিত হয় শ্ৰীমিতালী বৰকটকী। তেওঁলৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ। সংগীত প্ৰতিযোগিতাত বিচাৰক হিচাপে নিমন্ত্ৰণ কৰিছিলো ড° পল্লৱী দেৱী, ড° মইদুল ইছলাম বৰা আৰু অসমীয়া বিভাগৰ অধ্যাপিকা জয়জ্যোতি গোস্বামী বাইদেউক। তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। 'মহাবিদ্যালয় সপ্তাহৰ' পুৰস্কাৰ বিতৰণ কৰাৰ আগমুহূৰ্তত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে সুন্দৰ গীত পৰিৱেশন কৰে। তেওঁলোকলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ পিছত মই দ্বিতীয় কাৰ্য্য কৰিছিলোঁ নৱাগত আদৰণি সভাত। এই সভাত নিমন্ত্ৰিত গায়িকা হিচাপে গীত পৰিৱেশন কৰিছিল ড° পল্লৱী দেৱী আৰু গায়ক হিচাপে বিষ্ণু শৰ্মাই। মহাবিদ্যালয়ৰ বহতো ছাত্ৰ-ছাত্ৰীয়েও আনন্দ মনেৰে এই অনুষ্ঠানত গীত পৰিবেশন কৰিছিল।

সাংস্কৃতিক সম্পাদক পদৰ তত্বাৱধায়িকা আছিল তৰ্ক আৰু দৰ্শন বিভাগৰ অধ্যাপিকা সুমিত্ৰা চৌধুৰী বাইদেউ। সুমিত্ৰা বাইদেউয়ে মোৰ প্ৰতিটো কাৰ্যত দিহা পৰামৰ্শ দি সহায় কৰিছিল। তাৰ বাবে বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। মোৰ প্ৰতিটো ক্ষণতে লাগি থকা জাহিৰ, নীলোৎপল আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যক মই কৃতজ্ঞতা জনালোঁ। মোৰ কৰ্তব্য পালন কৰি যোৱাৰ সময়ত যদি কোনো ভুল-ভ্ৰান্তি হৈছে তাৰ বাবে মই ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
শ্ৰী দিগন্ত দাস
সাংস্কৃতিক সম্পাদক
ছাত্ৰ একতা সভা দিশপুৰ মহাবিদ্যালয় - ১৯৯৯-২০০০





## প্ৰতিবেদন

জয় জয়তে যি সকল ৰনাঙ্গবীৰে অতি সাহসেৰে তেওঁলোকৰ অতি মূল্যবান জীৱনকো তুচ্ছ জ্ঞান কৰি ভাৰতবাসীৰ মঙ্গলাৰ্থে জীৱন আহুতি দি মাতৃভূমিক কেৰ্চা তেজেৰে ধুৱাই গ'ল সেই সকল বীৰ শ্বহীদলৈ মোৰ অশ্ৰু ভৰা অঞ্জলি জ্ঞাপন কৰিলোঁ।

দ্বিতীয়তে আমাৰ পৰম পূজনীয় দেশপ্ৰেমী আদৰ্শবান ব্যক্তি তথা প্ৰখ্যাত সাহিত্যিক লক্ষ্যধৰ চৌধুৰী দেৱৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ আত্মা স্বৰ্গবাসী হোৱা কামনা কৰি ভগৱানৰ ওচৰত ভক্তি ভৰা প্ৰাৰ্থনা জনালো।

মোৰ অতি প্ৰিয় বন্ধু-বান্ধৱী, দাদা, বাইদেউ, আটায়ে মোৰ বাবে অশেষ কষ্ট ত্যাগ কৰি দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক পদত জয়যুক্ত কৰিলে তেওঁলোকৰ ওচৰত মই চিৰঋণী হৈ থাকিম। লগতে সমূহ দিশপুৰীয়া ছাত্ৰ-ছাত্ৰীলৈ মোৰ হৃদয় ভৰা শ্ৰদ্ধা তথা নতুন বছৰৰ শুভেচ্ছা যাচিলোঁ।

মোৰ প্ৰতিটো খোজতে সু-পৰামৰ্শ দি প্ৰতিটো কাম সুকলমে সম্পাদন কৰাত তত্বাৱধায়ক হিচাপে থাকি ইন্দ্ৰাণী মহন্ত বাইদেৱে যি সহানুভূতিৰে কাম কৰি গ'ল তাৰ বাবে মই বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ। লগতে দিশপুৰ মহাবিদ্যালয়ৰ যি সকলে মোৰ লগত যি ভাৱে সহযোগ কৰিলে তাৰ বাবে তেওঁলোকক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বৰ্তমান আমাৰ সকলোৰে মাজত সমাজ সচেতনতাৰ অভাৱ। যাৰ ফলত আমাৰ দেশ কৰাল গৰ্ভত ডুব গৈ আছে। আমি প্ৰত্যেকজন লোক সমাজৰ প্ৰতি সচেতন হ'ব লাগিব। পৰস্পৰে পৰস্পৰক সহানুভূতি জনাব লাগিব। তেতিয়া আমাৰ দেশ অনগ্ৰসৰতাৰ পৰা মুক্ত হৈ শান্তিৰ জখলাত বগাব পাৰিব।

অৱশ্যে এই বিষয়ত মই কিমান অভ্যস্ত সেই বিষয়ে মই নাজানো। আপোনাসৱৰ বিচাৰেৰে মই কৃতজ্ঞ।

বিগত জানুৱাৰী মাহৰ ২৪ তাৰিখৰ পৰা ২৯ তাৰিখলৈ মহাবিদ্যালয়ৰ সপ্তাহ হৈ যায় তাৰ পিছতে সৰস্বতী পূজা, নৱাগত আদৰণি সভা অতি উলহ মালহেৰে হৈ যায়। তাত মোৰ কৰণীয় সকলোখিনি কাম সুচাৰু ৰূপে পালন কৰি গৈছোঁ।

মই দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়ত যাৱতীয় প্ৰতিটো সমস্যাৰ বিষয়ে জোৰ দি আহিছোঁ। এই সকলো কামৰ ক্ষেত্ৰত আমাৰ সন্মানীয় অধ্যক্ষ মহোদয় তথা পূজনীয় শিক্ষা গুৰু সকলে যি সু-পৰামৰ্শ আগবঢ়ালে তাৰ বাবে তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম। মোৰ কাৰ্য্যকালৰ ভিতৰত মই কিমান কৃতকাৰ্য্য হৈছোঁ সেয়া মই নাজানো আৰু অনিচ্ছাকৃত ভাৱে হোৱা ভুলৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

শেষত পুনৰবাৰ পূজনীয় চাৰ, বাইদেউ সকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। সমূহ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা, বাইদেউ তথা ভাইটি-ভনিটি সকললৈ মোৰ মৰম যাচিলোঁ।

সমূহ দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মঙ্গল কামনাৰ্থে ভগৱানৰ ওচৰত সেৱা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ
জয়তু দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
শ্ৰী ভাস্কৰ শৰ্মা
সমাজসেৱা সম্পাদক
ছাত্ৰ একতা সভা দিশপুৰ মহাবিদ্যালয় - ১৯৯৯-২০০০

## প্ৰতিবেদন



১৯৯৯-২০০০ চনৰ মহাবিদ্যালয়ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত যিসকল ছাত্ৰ ছাত্ৰীয়ে বহুমূলীয়া ভোট দি মোক জয়যুক্ত কৰি এনে এখন মহাবিদ্যালয়ৰ ছাত্ৰী জিৱণি কোঠাৰ গুৰু দায়িত্ব বহনত সহায় কৰিলে তেওঁলোকক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

চলিত বছৰৰ কাৰ্যভাৰ গ্ৰহন কৰাৰ পিছত আন আন বছৰৰ দৰে মহাবিদ্যালয় সপ্তাহ আহে। মহাবিদ্যালয় সপ্তাহ অহাত ছাত্ৰ একতা সভাই অনুষ্ঠিত কৰা আন আন পতিযোগিতাসমূহৰ দৰে মযো ১৭/০১/২০০০ তাৰিখে ড° ৰীতা শৰ্মা বাইদেউৰ পৰামৰ্শমতে বহুতো প্ৰতিযোগিতা ছাত্ৰীজিৱণি কোঠাৰ বাবে আয়োজন কৰিছিলোঁ। প্ৰতিযোগিতাসমূহ এনেধৰণৰ পুষ্পসজ্জা, তাঁতবোৱা কাপোৰ,এম্ব্ৰইডাৰী, ফেব্ৰিক, উলবন্ধাৰা তৈয়াৰী সামগ্ৰী, ৰন্ধন প্ৰণালী যেনে-পিঠা, পোলাও, আচাৰ,ছালাদ আদি। এই প্ৰতিযোগিতাসমূহ সুন্দৰকৈ পৰিচালিত কৰাৰ বাবে বহুতো বান্ধৱীয়ে সহযোগ দিছিল, তেওঁলোককৈ মই কৃতজ্ঞতা জনাইছোঁ। আনহাতে প্ৰতিযোগিতাসমূহত যিসকল ছাত্ৰীয়ে যোগদান কৰি শিক্ষাগুৰুসকলক অতি আনন্দিত কৰিছিল সেই সকল ছাত্ৰীলৈ মোৰ হিয়া ভৰা মৰম যাছিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰী জিৱণি কোঠাটো অধিক উন্নত কৰিম বুলি মই ভাবিছিলোঁ যদিও আৰ্থিক অনাটন আৰু নানা সমস্যা থকাৰ বাবে মই ভবাৰ দৰে উন্নত মানৰ কৰিব নোৱাৰিলোঁ। বিশেষকৈ ছাত্ৰী জিৱণি কোঠাটো বৰ্তমান থকা ঠাইৰ পৰা আন ঠাইত সলনি কৰাটো বৰ গুৰুত্বপূৰ্ণ আছিল। কিন্তু ছাত্ৰী জিৱণি কোঠাৰ লগতে শৌচাগাৰ আৰু মূত্ৰাগাৰৰো প্ৰয়োজন বাবে কোঠাটো সলনি কৰিবলৈ অসুবিধা হ'ল। মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ কেই মাহ মান পিছত মই মোৰ পদৰ তত্বাৱধায়িকা বাইদেউক কৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক কাকুতি- মিনতি কৰি কোঠাটোত ছাত্ৰীসকলৰ অতি মৰমৰ সামগ্ৰী তিনিবিধ যোগাৰ কৰি দিলোঁ। সামগ্ৰী কেইবিধ হ'ল -(১) এখন ড্ৰেছিং টেবুল (২) এখন আৰামী বেঞ্চ আৰু (৩) এখন টেবুল।

শেষত ছাত্ৰী জিৱণি কোঠাটো যাতে আগন্তুক বছৰত অধিক উন্নত মানৰ হয় তাৰ বাবে আশা কৰিলোঁ লগতে ছাত্ৰীসকলেও সকলো দিশত আগবাঢ়ক, ছাত্ৰ একতা সভাৰ উন্নতি হওক, তাকে কামনা কৰিলোঁ। মোৰ কাৰ্যালয়ৰ কালছোৱাত সমস্ত কামকাজত দিহা পৰামৰ্শ দি উৎসাহিত কৰা মহাবিদ্যালয়ৰ সকলো শিক্ষক - শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সদৌশেষত অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণী মাৰিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়
জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
শ্ৰী দীপামণি ডেকা
সম্পাদিকা, ছাত্ৰী জিৱণি কোঠা





## REPORT



At the very beginning of the report of the session 1999-2000. I would like to thank all my beloved D'airs for electing me as a Minor Games Secretary of Dispur College for the first time.

Just after taking charge of my post, I was then the time for College Week arrive. In this College Week indoor games like Badminton, Chess, Carrom were conducted under my supervision.

The College Week was my test ground and I think I have successfully passed the test. The events, the order of it was maintained and the selection on the 1st, 2nd and 3rd competitions was free fare and just. The help of my friends and senior boarders of Dispur College worth mentioning here. The events of the College Week saw some aspiring competitors who have immerse talent within them selves. All they need is a proper exposure and guidance and hard work to shine in life. I wish all of them a very bright and prosperous future.

During 2000 Assam Agricultural University conducted All Assam Inter-College Level Volleyball Championship. Dispur College was declared the 1st. During this time our Principal helped us financially and from every side. My professor-in-charge and my friend Jahir Ahmed also helped me. I owe them a lot for their needful help. I express my gratitude to players for their success. I would like to thank my Professor-in-charge Mr. Bhupen Sarma for his valuable assistance during as the College Week. He was always there when ever I required his attention. The member of Student's Union also deserves a word of appreciation for their co-operation.

Here I would like to make an earnest appeal to all my dear Dispurians that a better academic atmosphere can also be met if only we try a little, of course the students are not solely to be blamed for the present but yet we can always try.

In the conclusion, I beg forgiveness from all for my misdeeds during my stay as a Secretary of minor games. I would like to request all the students and participants to take up sports besides education.

Wishing all the very bright future for Students Union and all the D'airs.

With a lot of thanks

Jaheer Abbas
Secretary, Minor Games.

## মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ-

### BOY'S ARM WRESTLING :

1.Santanu Kr. Das. — First Prize. (45 to 50 Category)
2. Ratul Medhi. — Second Prize.

1. Gautom Jyoti Kalita — First Prize. (50 to 55 Category)
2. Ranjit Kr. Sahani — Second Prize.

1. Krishna Deka — First Prize. (55 to 60 Category)
2. Deben Deka — Second Prize.

1. Asraful Islam — First Prize. (60 to 65 Category)
2. Mustafizur Rahman — Second Prize.

1. Indranil Thakur — First Prize. (65 to 70 Category)
2. Bipul Mazumder — Second Prize

CHAMPION OF THE CHAMPION
SANTANU KR. DAS

### GIRL'S ARM WRESTLING

1.Gayatri Hazarika — First Prize. (45 to 50 Category)
2. Rinkumoni Talukdar — Second Prize.

1. Swapna Sarma — First Prize. (50 to 60 Category)
2. Hira Devi — Second Prize.

1. Kamana Saikia — First Prize (70 to 80 Category)
2. Helen Moni Devi — Second Prize

CHAMPION OF THE CHAMPION
GAYATRI HAZARIKA

### ART COMPETITION :

1. Seema Nath — First Prize
2. Jayshree Barman — Second Prize.
3. Rupam Jyoti Nath — Third Prize.
4. Apurba Kr. Baishya — Third Prize.

### LUDU COMPETITION BOYS SINGLES

1. Tapan Bharali — First Prize
2. Bipul Mazumdar — Second Prize
3. Arun Das — Third Prize.

### LUDU COMPETITION GIRL'S SINGLE :

1. Era Medhi — First Prize.
2. Minakshi Das — Second Prize
3. Rinkumoni Talukdar — Third Prize

### LUDU COMPETITION BOY'S DOUBLES :

1. Jahir Ahmed
2. Diganta Kr. Deka. } 1st Prize

1. Arup Jyoti Kalita
2. Bhaskar Sarma } 2nd Prize

### LUDU COMPETITION GIRL'S DOUBLES:

1. Miss Aishma Ara Begum
2. Manika Deka } 1st Prize

1. Sangita Bhuyan
2. Rubi Nayak } 2nd Prize

### QUIZ COMPETITION :

1. Nayan Jyoti Deka
2. Bipul Mazumdar
3. Golap Roy. } 1st Prize

1. Pammina Deka
2. Jitendra Mazumder
3. Emmanuel Kumar Murmu. } 2nd Prize

### DEBATING COMPETITION :

1. Gautam Jyoti Kalita — First Prize
2. Kaushik Dutta Choudhury — Second Prize.

### EXTEMPORE SPEACH :

1. Bijoy Kumar Dubey — First Prize.
2. Gautam Jyoti Kalita — Second Prize
3. Rini Sarma — Third Prize.





## মহাবিদ্যালয় সপ্তাহত ছোৱালীৰ শাখাত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ-

**Flour Arrangement**
Era Medhi (T.D.C. 3rd Year)

**Hand Loom - Mekhela (hand wooven)**
Manika Das (T.D.C. 3rd year)
Barnali Das (T.D.C. 1st Year)
Bharti Deka (T.D.C. 1st Year)

**Machine Embroidery**
Nabanita Goswami (T.D.C. 1st Year)
Swapna Sarma (T.D.C. 3rd Year)
Hiramoni Begum (T.D.C. 1st Year)

**Crochet**
Era Medhi (T.D.C. 2ndYear)
Bharti Deka (T.D.C. 1st Year)
Rakiya Farzana Ahmed(T.D.C. 1st Year)

**Fabric Paining**
Sazida Rahman (T.D.C. 1st Year)
Beauty Deb Roy (T.D.C. 3rdYear)
Barnali Talukdar (T.D.C. 1st Year)

**Gamocha**
Dipika Das (T.D.C. 1st Year)
Monika Das (T.D.C. 3rd Year)
Barnali Das (T.D.C. 1st Year)

**Hand Embroidery**
Gita Barman (T.D.C. 1st Year)
Sima Rani Kalita (T.D.C. 1st Year)
Dipika Das (T.D.C. 1st Year)

**Kniting**
Era Medhi (T.D.C. 2nd Year)
Lakhimi Kalita (T.D.C. 1st Year)
Dipika Das (T.D.C. 1st Year)

**Salad**
Rakiya Farzana Ahmed (T.D.C. 1st Year)
Aishma Ara Begum (T.D.C. 1st Year)

**Handicraft**
Sazida Rahman (T.D.C. 1st Year)
Doli Talukdar (T.D.C. 1st Year)

**Doll Making**
Mithu Biswas ( T.D.C. 1st Year, B.Com)
Sima Rani Kalita (T.D.C. 1st Year)

**Pitha Competition**
Monika Das (T.D.C. 1st Year)
Gitumoni Baishya (T.D.C. 1st Year)
Era Medhi (T.D.C. 1st Year)

**Cooking**
Vegetable Pulao
Aisha Ara Begam (T.D.C. 3rd Year)
Jhilmil Sagarira (T.D.C. 1st Year B.Com)
Bilkish Laskar (T.D.C. 1st Year)
&
Gitumoni Baishya (T.D.C. 1st Year)

**Aloo Preparation**
Jhilmil Sagarira (T.D.C. 1st Year B.Com)
Monika Das (T.D.C. 3rd Year)
Nebedita Das (H.S. 2nd Year)

**Pickle**
Bilkish Laskar (T.D.C. 1st Year)
Hirumoni Begum (T.D.C. 1st Year)
Aisha Ara Begam (T.D.C. 3rd Year)
&
Santana Hazarika(T.D.C. 1st Year)

**Chutney**
Era Medhi (T.D.C. 2nd Year)

## সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ

<u>আধুনিক গীত</u>

প্ৰথম ঃ- মিতালী বৰকটকী (স্নাতক ১ম বৰ্ষ)
দ্বিতীয় ঃ- বন্দনা বৰ্মন (স্নাতক ১ম বৰ্ষ)

<u>লোকগীত</u>

প্ৰথম ঃ- বন্দনা বৰ্মন (স্নাতক ১ম বৰ্ষ)
দ্বিতীয় ঃ- মিতালী বৰকটকী (স্নাতক ১ম বৰ্ষ)

<u>জ্যোতি সংগীত</u>

প্ৰথম ঃ- মিতালী বৰকটকী (স্নাতক ১ম বৰ্ষ)
দ্বিতীয় ঃ- বন্দনা বৰ্মন (স্নাতক ১ম বৰ্ষ)
তৃতীয় ঃ- উষাৰাণী মেধী (স্নাতক ১ম বৰ্ষ)

<u>বিয়ানাম</u>

প্ৰথম ঃ- মিতালী বৰকটকী (স্নাতক ১ম বৰ্ষ)
দ্বিতীয় ঃ- পুষ্পলতা বৰ্মন (স্নাতক ১ম বৰ্ষ)

<u>কোৰাচ</u>

প্ৰথম ঃ- বিউটি দেৱৰয়ৰ দল (স্নাতক ২য় বৰ্ষ)

<u>আত্তৰুশী</u>

প্ৰথম ঃ- মিনাক্ষী দাস, দিপীকা শৰ্মা, ৰাজকুমাৰ গুপ্তা
দ্বিতীয় ঃ- তন্দ্ৰানী দাস, পমিলা ডেকা, জয়শ্ৰী বৰ্মন

<u>শ্ৰেষ্ঠ গায়িকা</u>

মিতালী বৰকটকী (স্নাতক ১ম বৰ্ষ)

চিত্ৰাংকন প্ৰতিযোগিতা ঃ-
মিঠুকণি বঁটা ঃ- প্ৰথম, দ্বিতীয়, তৃতীয় পুৰস্কাৰ দিব পৰা নগ'ল ।
কবিতা প্ৰতিযোগিতা ঃ-
প্ৰথম ঃ মিচ্ নিলুৎফা বেগম (স্নাতক, ১ম বৰ্ষ )
বীৰেন দাস (স্নাতক, ১ম বৰ্ষ)
দ্বিতীয় ঃ পূৰা শাখা, কবিতা -'এটি প্ৰাণৰ পখী'
কামনা শইকীয়া (স্নাতক ,৩য় বৰ্ষ)
কবিতা- 'প্ৰিয়তমা প্ৰকৃতি'
তৃতীয় ঃ মুনীন্দ্ৰ বৰা (স্নাতক, ১ম বৰ্ষ)
কবিতা- 'ছয় ঋতু'

আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ
প্ৰথম ঃ কৌশিক দত্তচৌধুৰী (স্নাতক, ১ম বৰ্ষ , বাণিজ্য শাখা)
দ্বিতীয় ঃ মিনাক্ষী দাস (স্নাতক, ১ম বৰ্ষ)
তৃতীয় ঃ বৰ্ণালী তালুকদাৰ (স্নাতক, ১ম বৰ্ষ)





## দিশপুৰ মহাবিদ্যালয়ৰ সাধাৰণ আৰু আলোচনী সম্পাদক সকল ঃ
স্থাপিত ঃ- ১৯৭৮ চন

| সাধাৰণ সম্পাদকৰ নাম | বৰ্ষ | আলোচনীৰ সংখ্যা | আলোচনী সম্পাদকৰ নাম |
|---|---|---|---|
| ১। মঃ আব্দুল মটলিব | ১৯৮৫-৮৬ | | |
| ২। শ্ৰীকৃপা কলিতা | ১৯৮৬-৮৭ | | |
| ৩। শ্ৰীদিগন্ত হাজৰিকা | ১৯৮৭-৮৮ | | |
| ৪। নিপজ্যোতি ভড়ালী | ১৯৮৮-৮৯ | | |
| ৫। শ্ৰীদীপক কুমাৰ বৈশ্য | ১৯৮৯-৯০ | | |
| ৬। শ্ৰীনীৰেণ কলিতা | ১৯৯০-৯১ | | |
| ৭। শ্ৰীমুকুল মেধি | ১৯৯১-৯২ | | |
| ৮। শ্ৰীহেমন্ত নাথ | ১৯৯২-৯৩ | ১ম সংখ্যা | শ্ৰীতপন কুমাৰ হাজৰিকা |
| ৯। শ্ৰীবুদ্ধিন ভূঞা | ১৯৯৩-৯৪ | | শ্ৰীকুশল চন্দ্ৰ কলিতা |
| ১০। মঃ জাকিৰ আলি | ১৯৯৪-৯৫ | ২য় সংখ্যা | শ্ৰীদীপক কুমাৰ শৰ্মা |
| ১১। শ্ৰীভবেন দাস | ১৯৯৬-৯৭ | ৩য় সংখ্যা | শ্ৰীনৰজিত শৰ্মা |
| ১২। শ্ৰীসুদৰ্শন হাজৰিকা | ১৯৯৮-৯৯ | ৪ৰ্থ সংখ্যা | শ্ৰীনীলোৎপল শৰ্মা |
| ১৩। শ্ৰীঅৰূপজ্যোতি কলিতা | ১৯৯৯-২০০০ | ৫ম সংখ্যা | |

## দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰএকতা সভা
১৯৯৯-২০০০

| | | |
|---|---|---|
| ১। সভাপতি | - | অধ্যক্ষ ড° নবেশ্বৰ শৰ্মা |
| ২। আলোচনী তত্বাৱধায়িকা | - | ড° নমিতা ডেকা |
| ৩। তত্বাৱধায়ক গুৰু ক্ৰীড়া বিভাগ | - | মাধুৰ্য বৰ্মন |
| ৪। তত্বাৱধায়ক লঘু ক্ৰীড়া বিভাগ | - | ভূপেন শৰ্মা |
| ৫। তত্বাৱধায়িকা সাংস্কৃতিক বিভাগ | - | সুমিত্ৰা চৌধুৰী |
| ৬। তত্বাৱধায়িকা তৰ্ক আৰু আলোচনা | - | ড° বাণী মুদিয়াৰ ডেকা |
| ৭। তত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা | - | খগেন বড়ো |
| ৮। তত্বাৱধায়িকা সমাজ সেৱা বিভাগ | - | ইন্দ্ৰানী চৌধুৰী |
| ৯। তত্বাৱধায়িকা ছাত্ৰী জিৰণি কোঠা | - | ড° গীতা শৰ্মা |
| ১০। সাধাৰণ সম্পাদক | - | অৰূপজ্যোতি কলিতা |
| ১১। আলোচনী সম্পাদক | - | নীলোৎপল শৰ্মা |
| ১২। সহকাৰী সাধাৰণ সম্পাদক | - | দিগন্ত কুমাৰ ডেকা |
| ১৩। সম্পাদক সাংস্কৃতিক বিভাগ | - | দিগন্ত কুমাৰ দাস |
| ১৪। সম্পাদক গুৰু ক্ৰীড়া বিভাগ | - | নীলোৎপল শৰ্মা |
| ১৫। সম্পাদক লঘু ক্ৰীড়া বিভাগ | - | জাহিৰ আব্বাছ |
| ১৬। সম্পাদক ছাত্ৰ জিৰণি কোঠা | - | জাহিৰ আহমেদ |
| ১৭। সম্পাদক সমাজ সেৱা বিভাগ | - | তাৰুব শৰ্মা |
| ১৮। সম্পাদক ছাত্ৰী জিৰণি কোঠা | - | দীপামণি ডেকা |
| ১৯। সম্পাদক তৰ্ক আৰু আলোচনা | - | জাহিৰ আহমেদ (ভাৰপ্ৰাপ্ত) |